● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

*আপুনি কিমান লাহে লাহে আগবাঢ়িছে সেয়া কোনো বেয়া কথা নহয়, যেতিয়ালৈকে আপুনি ৰৈ নাযায়।*



কনফুচিয়াছ
*চীনা দাৰ্শনিক*

www.dainikagradoot.in

৭ কৰ'নাৰ কালতো বিশ্বত সৰ্বাধিক সুৰাপান ভাৰতীয়ৰ
১৩ ইটালীয়ান অপেনৰ ছেমিত নাডাল
৪ দুৰ্যোগ-দুৰ্দশাৰ উৰ্ধ্বত সাংবিধানিক ব্যৱস্থা

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২১৪তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৩১ ব'হাগ ১৪২৮ ভাস্কৰাব্দ ১৫ মে' ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 15 May 2021 মূল্য ঃ ৭.০০ টকা

■ অসমত মে'ৰ তৃতীয়-চতুৰ্থ সপ্তাহত কৰ'নাৰ সৰ্বাধিক আক্ৰমণৰ শংকা ■ পৰিসংখ্যাৰ ভিত্তিত হু-ইউনিচেফৰ সকীয়নি ■ যুৱচামৰ মাজত মৃত্যুৰ হাৰ বৃদ্ধিৰ উদ্বেগজনক তথ্য

# চলিত মাহতে শিখৰ চুব সংক্ৰমণে



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ মে'** ঃ স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি অসমত শেহতীয়াকৈ দৈনিক গড়ে ৫,৪০০ জনকৈ লোক কৰ'নাত আক্ৰান্ত হৈছে। পূৰ্বৰ তুলনাত এই সংখ্যা কে'বাগুণো অধিক। একেদৰে মৃত্যুৰ সংখ্যাও এদিনত অভাৱনীয়ভাৱে ৮৫ জনলৈ বৃদ্ধি হৈছে। শতাংশ হিচাপত কৰ'নাৰ প্ৰথম ঢৌত অসমত মৃত্যুৰ হাৰ আছিল ০.৫ শতাংশ। দ্বিতীয় ঢৌত সেই হাৰ ০.৬২ শতাংলৈ বৃদ্ধি হৈছে। আক্ৰান্ত আৰু মৃতকৰ সংখ্যাৰ ক্ৰমাগত এনে বৃদ্ধিয়ে সৃষ্টি কৰিছে যথেষ্ট উদ্বেগজনক পৰিৱেশৰ। এই গতি অব্যাহত থাকিলে অসমত এটা সময়ত দিল্লী-মহাৰাষ্ট্ৰৰ দৰে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'ব নেকি? এই আশংকাই ৰাজ্যৰ সচেতন মহলক জোঁকাৰি থকাৰ সময়তে পোহৰলৈ আহিছে আন এক গুৰুত্বপূৰ্ণ খবৰ। *১০ পৃষ্ঠাত চাওক*

**ৰাইজৰ হাততে আছে নিয়ন্ত্ৰণৰ উপায় ঃ ডাঃ অনুপ বৰ্মন ■ চিনাক্ত নোহোৱা কৰ'না আক্ৰান্ত অধিক ভয়াবহ হৈ পৰিছে**

## প্ৰবীণ সাংবাদিক শিৱচৰণ কলিতাৰ মৃত্যু

কৰ'নাত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ ঃ মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ



**অগ্ৰদূত বাৰ্তা**
**পলাশবাৰী/আজাৰা/ছয়গাঁও, ১৪ মে'** ঃ অসমৰ মফচলীয় সাংবাদিকতাৰ পিতামহস্বৰূপ তথা সাহিত্যিক-নিৰন্ধকাৰ শিৱচৰণ কলিতাৰ আজি মৃত্যু হয়। ছয়গাঁৰৰ আলেগজাৰি নিবাসী ৮৩ বছৰীয়া কলিতা ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত গুৱাহাটীৰ *১০ পৃষ্ঠাত চাওক*



দুৰ্বৃত্তই মটৰ চাইকেলত আহি ঘটালে বিস্ফোৰণ ■ এসপ্তাহত দুটা বিস্ফোৰণত প্ৰাণ গ'ল তিনিজনৰ ■ মুখ্যমন্ত্ৰীলৈ ফোন শ্বাহৰ

## টিংৰাইত গ্ৰেণেড বিস্ফোৰণত মৃত্যু দোকানৰ গ্ৰাহক-কৰ্মচাৰীৰ

**দায়িত্ব অস্বীকাৰ আলফা স্বাধীনৰ**



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া/মাৰ্ঘেৰিটা, ১৪ মে'** ঃ পুনৰ গ্ৰেণেড বিস্ফোৰণ সংঘটিত হ'ল তিনিচুকীয়া জিলাত। আজি জিলাখনৰ ডিগবৈৰ সমীপৰ টিংৰাই বজাৰত সংঘটিত গ্ৰেণেড বিস্ফোৰণত দুজন লোকৰ মৃত্যু হয়। লগতে আন দুজন লোক গুৰুতৰভাৱে আহত হৈছে। এই ঘটনাই স্বাভাৱিকতে *১০ পৃষ্ঠাত চাওক*



## মৃত্যুৰ হাৰ বৃদ্ধি ঃ অসমত সৰ্বাত্মক তলাবন্ধৰ সম্ভাৱনা নাকচ মুখ্যমন্ত্ৰীৰ

■ গুৱাহাটী-ডিব্ৰুগড়-তিনিচুকীয়াৰ ক্ষেত্ৰত এসপ্তাহ পাছত হ'ব সিদ্ধান্ত

**■ ১৭ মে'ৰ পৰা গুৱাহাটীত ২০ হেজাৰকৈ নমুনা পৰীক্ষা ■ ৫০ উৰ্দ্ধৰ ব্যক্তি চিকিৎসালয়ত ভৰ্তি বাধ্যতামূলক ■ কোৱাৰেণ্টাইন-কন্টেইনমেন্ট জ'নৰ দৰিদ্ৰ পৰিয়ালক দুহেজাৰ টকাৰ খাদ্য সামগ্ৰী**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ মে'** ঃ সমগ্ৰ অসমজুৰি সম্পূৰ্ণ তলাবন্ধ ঘোষণাৰ সম্ভাৱনা নাই। আজি এই কথা স্পষ্ট কৰি দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অৱশ্যে অহা সাতদিনৰ ভিতৰত পৰিস্থিতিৰ উন্নতি নহ'লে গুৱাহাটী, ডিব্ৰুগড় আৰু তিনিচুকীয়াত বৰ্তমানতকৈ অধিক কঠোৰ ব্যৱস্থা ল'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। ৰাজ্যৰ *১০ পৃষ্ঠাত চাওক*

■ মৰণোত্তৰ পৰীক্ষা-বিশেষজ্ঞৰ প্ৰতিবেদনৰ পাছতহে ওলাব কাৰণ

## বজ্ৰপাত নে বিহ? বামুণী পাহাৰত অৱশেষত সমাধিস্থ ১৮টা বন্যহস্তী

ঘটনাস্থলীত স্মৃতিসৌধ নিৰ্মাণৰ কথা ঘোষণা বনমন্ত্ৰীৰ ■ ১৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিলৰ নিৰ্দেশ ■ দুই-তিনিশ বিঘা মাটি ঘেৰি কি প্ৰতিষ্ঠান নিৰ্মাণ?



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/কঠিয়াতলি, ১৪ মে'** ঃ 'ঘটনাস্থলী পৰিদৰ্শন কৰি ঘটনাৰ কাৰণ বজ্ৰপাত বুলি বিশ্বাস হৈছে যদিও মৰণোত্তৰ পৰীক্ষাৰ ফলাফললৈ আমি অপেক্ষা কৰিব লাগিব।' নগাঁও জিলাৰ তপতজুৰি পাহাৰত বন্যহস্তীৰ মৃত্যুৰ ঘটনাস্থলীত উপস্থিত হৈ এই মন্তব্য কৰিলে বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যই। অস্বাভাৱিক পৰিস্থিতিত ১৮টাক বন্যহস্তীৰ মৃত্যুৰ পাছত *১০ পৃষ্ঠাত চাওক*

## মুখ্যমন্ত্ৰী ড° শৰ্মাক শুভেচ্ছা বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ মে'** ঃ মুখ্যমন্ত্ৰীৰূপে অসমৰ দায়িত্ব গ্ৰহণ কৰা বাবে ড° হিমন্ত বিশ্ব শৰ্মাক শুভেচ্ছা জনাইছে বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই। দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ এক টুইটযোগে প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰত-বাংলাদেশৰ *১০ পৃষ্ঠাত চাওক*



## কিষাণ সন্মান নিধিৰ কিস্তিৰ ২০ হেজাৰ কোটি মুকলি

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ মে'** ঃ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অষ্টম কিস্তিৰ ২০ হেজাৰ কোটি টকা আজি মুকলি কৰি দিয়া হয়। ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আয়োজিত এক অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ধন মুকলিৰ কথা *১০ পৃষ্ঠাত চাওক*

■ সশস্ত্ৰ প্ৰতিবাদৰ বিকল্প নাথাকিব বুলি সকীয়নি পৰেশ বৰুৱাৰ

## অ'এনজিচি-আইঅ'চি-অইলক সাতটা প্ৰতিশ্ৰুতি প্ৰদানৰ দাবী আলফা (স্বা)ৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ মে'** ঃ কৰ্মচাৰীক অপহৰণেৰে সন্ত্ৰাসৰ সৃষ্টি কৰা আলফা (স্বাধীন)ই আজি অসমত থকা ৰাজহুৱা খণ্ডৰ তৈল প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ নিগম (অ'এনজিচি), ভাৰতীয় তেল নিগম (আইঅ'চি) আৰু অইল ইণ্ডিয়া লিমিটেড (অইল)ক কে'বাটাও বিষয়ত ৰাজহুৱা প্ৰতিশ্ৰুতি দিবলৈ সতৰ্ক কৰি দিয়ে। অন্যথা প্ৰতিষ্ঠানকেইটাৰ বিৰুদ্ধে সশস্ত্ৰ প্ৰতিবাদৰ বিকল্প নাথাকিব বুলি সকীয়নি প্ৰদান কৰে সংগঠনটোৰ উপ-সভাপতি তথা সেনাধ্যক্ষ পৰেশ অসমে। আজি এক বিবৃতিত *১০ পৃষ্ঠাত চাওক*

কৰনাৰ সংক্ৰমণৰ হাৰ বৃদ্ধি ৰাজ্যত ■ তেজপুৰ মেডিকেল কলেজৰ সহকাৰী অধ্যাপকেও প্ৰাণ হেৰুৱালে ■ শিল্পী-অধিবক্তা-ৰাষ্ট্ৰীয় খেলুৱৈ-ধৰ্মীয় নেতা-অৱসৰপ্ৰাপ্ত শিক্ষকৰো মৃত্যু

## প্ৰাণ হেৰুৱালে ৭৬ জনে, মহানগৰতে মৃত ২০



*কন্টেইনমেন্ট জ'ন ভাঙি এইদৰে ওলাই আহিছে নাগৰিক, মহানগৰীত শুকুৰবাৰে।*

ৰাজ্যত দুহেজাৰ অতিক্ৰম কৰিলে ক'ভিড ৰোগীৰ মৃত্যুৰ সংখ্যাই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ মে'** ঃ ৰাজ্যত আজি দৈনিক আক্ৰান্তৰ সংখ্যা কিছু পৰিমাণে হ্ৰাস পালেও সংক্ৰমণৰ হাৰ বৃদ্ধি পায়। অৱশ্যে দৈনিক মৃত্যুৰ তালিকাখন আজিও উদ্বেগজনক হৈ ৰয়। সেইদৰে কিছু পৰিমাণে হ্ৰাস পালেও কামৰূপ মহানগৰ জিলাৰ ক'ভিড পৰিস্থিতি এতিয়া চিন্তাজনক হৈ আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টুইটযোগে জনোৱা মতে, আজি ৰাজ্যত পুনৰ ৭৬ জন লোকে ক'ভিডত প্ৰাণ হেৰুৱালে। আজি মৃত্যু হোৱা লোকসকলৰ ভিতৰত চিকিৎসক, ধৰ্মীয় নেতা, শিল্পী, অধিবক্তা, *আঠ পৃষ্ঠাত চাওক*

**কামৰূপৰ ক'ভিড আসন সংখ্যা**

| চিকিৎসালয় | মুঠ শয্যা | খালী শয্যা |
|---|---|---|
| জি এম চি | ৮৬৬ | ৫০ |
| এম এম চি | ২২২ | ৩৬ |
| আয়ুৰ্বেদিক কলেজ | ১২০ | ৩৪ |
| শিঙিমাৰী চেণ্টাৰ | ৯৪ | ১৯ |
| সোণাপুৰ | ১৬২ | ৬৫ |
| কলিতাকুছি | ৭৬ | ৪৯ |
| সৰুসজাই | ৪৩০ | ১৪০ |
| কাহিকুছি | ২৭৪ | ৯৭ |
| ৰয়েল গ্ল'বেল | ৯০০ | ৩৩০ |
| পতঞ্জলী | ৪২৩ | ১৮৫ |
| কালাপাহাৰ | ২০০ | ৫৪ |

** ১৪মে'ৰ সন্ধিয়া পাঁচ বজালৈ*

## ধাৰাবাহিকভাৱে মৃত্যু চাৰি সহস্ৰাধিকৰ, ২৪ ঘণ্টাত দেশত সংক্ৰমিত হ'ল ৩.৪৩ লাখ



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ মে'** ঃ কৰ'নাত আক্ৰান্তৰ সংখ্যা দেশত ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে যদিও মৃত্যুৰ সংখ্যা বৃদ্ধিয়ে কৰ'নাকেন্দ্ৰিক উদ্বেগ অব্যাহত ৰাখিছে। বিগত পাঁচদিন ধৰি ভাৰতত দৈনিক কৰ'নাৰ সংক্ৰমণ চাৰে তিনি লাখৰ আশে-পাশে আছে। যোৱা *১০ পৃষ্ঠাত চাওক*

## পশ্চিম কাৰ্বি আংলঙত ডাইনী সন্দেহত গণ প্ৰহাৰ

ৰাইজৰ বিচাৰৰ অন্তত পলায়ন ভুক্তভোগীৰ

**অগ্ৰদূত বাৰ্তা**
**ডংকামোকাম, ১৪ মে'** ঃ ডাইনীৰ সন্দেহত এজন লোক গণ প্ৰহাৰৰ সন্মুখীন হোৱাৰ ঘটনা সংঘটিত হৈছে পশ্চিম কাৰ্বি আংলং জিলাৰ ডংকামোকামত। আজি পুৱতি নিশা সংঘটিত এই ঘটনাৰ পাছতে আয়োজিত ৰাইজৰ মেলৰ অন্তত ভুক্তভোগী লোকজনে গাঁৰৰ পৰা পলায়ন কৰে। এই ঘটনা সংঘটিত হৈছে *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*চিনি পোৱা নাই! মন্ত্ৰী হোৱাৰ আগতে দেখোন আমি একেলগে চাৰিআলিত আড্ডা দিছিলো!*

দেশত উৎপাদন আৰম্ভ হ'লে হ্ৰাস পাব মূল্য

## অহা সপ্তাহৰ পৰাই ভাৰতৰ বজাৰত ৯৯৫ টকাত উপলব্ধ ৰুছ প্ৰতিষেধক স্পুটনিক-ভি



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৪ মে'** ঃ অচিৰে ভাৰতত উপলব্ধ হ'ব ৰাছিয়াৰ কৰ'নাৰ প্ৰতিষেধক স্পুটনিক-ভি। অহা সপ্তাহৰ পৰা দেশৰ বজাৰত এই ৰুছ প্ৰতিষেধক বিক্ৰীৰ বাবে মুকলি কৰাৰ সম্ভাৱনা আছে। ভাৰতত ৰাছিয়াৰ এই প্ৰতিষেধক উৎপাদনৰ স্বত্ব লাভ কৰা বেচৰকাৰী প্ৰতিষ্ঠান ডক্টৰ ৰেড্ডিজ লেব'ৰেট'ৰিজে এই কথা প্ৰকাশ কৰি জনোৱা মতে, আৰম্ভণিতে *১০ পৃষ্ঠাত চাওক*

## ক'ভিড পৰিস্থিতিৰ অধিক অৱনতি ঘটিলে ৰাজ্যত সম্পূৰ্ণ তলাবন্ধ

বজালী-বঙাইগাঁৱৰ পৰিস্থিতিৰ বুজ লৈ ঘোষণা ৰঞ্জিত কুমাৰ দাসৰ



**অগ্ৰদূত ব্যুৰ'/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**বঙাইগাঁও/পাঠশালা, ১৪ মে'** ঃ সমগ্ৰ অসমত তলাবন্ধৰ সম্ভাৱনা মুখ্যমন্ত্ৰীয়ে আজি নাই বুলি কোৱাৰ বিপৰীতে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি *১০ পৃষ্ঠাত চাওক*

দুমাহত দুশ কোটিৰো অধিক লোকচান ঃ মাৰ্চেণ্টছ এছ'চিয়েছনৰ সভাপতি

## কৰ'না মহামাৰীত বিধ্বস্ত ফাঁচীবজাৰ ঃ স্বেচ্ছাই তলাবন্ধ ঘোষণা ব্যৱসায়ীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৪ মে'** ঃ ঘাতকৰূপী কৰ'না মহামাৰীত ক্ষতিগ্ৰস্ত হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ ব্যৱসায়িক কেন্দ্ৰস্থল ফাঁচীবজাৰ। যোৱা এপ্ৰিলৰ পৰা সংহাৰী ৰূপ ধাৰণ কৰা কৰ'না মহামাৰীৰ কবলত পৰি এতিয়ালৈকে প্ৰায় দুশ কোটিৰো অধিক টকাৰ লোকচানৰ সন্মুখীন হৈছে ফাঁচীবজাৰৰ বস্ত্ৰ উদ্যোগীসকল। তদুপৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ মজুত আৰু বিতৰণৰ ক্ষেত্ৰতো যথেষ্ট আহুকালৰ সৃষ্টি হৈছে। কিয়নো ব্যৱসায়ীসকলৰ মাজত বৃদ্ধি হৈ গৈ আছে কৰ'না ৰোগীৰ সংখ্যা। শেষত *১০ পৃষ্ঠাত চাওক*

## এল্টʼৰ খুন্দাত মৃত্যু দুই মটৰ চাইকেল আৰোহীৰ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**ডিফু/হাওৰাঘাট, ১৪ মে'** ঃ আজি বিয়লি হাওৰাঘাট থানাৰ অন্তৰ্গত তথা উত্তৰ বৰবিল উপ-আৰক্ষী চকীৰ অধীনস্থ ফুলনিত সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত দুজন যুৱকৰ মৃত্যু হয়। ঘটনাৰ বিৱৰণ অনুসৰি, আজি *আঠ পৃষ্ঠাত চাওক*

# বাৰিষাৰ পূৰ্বে কলঙক নিয়ন্ত্ৰিত ৰূপত বোঁৱতীকৰণ প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰাৰ আহ্বান

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৪ মে’ ঃ** নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈক নিয়ন্ত্ৰিত ৰূপত বোৱাই ৰখাৰ প্ৰকল্পৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ নগাঁৰৰ বিভিন্ন সংগঠন, অনুষ্ঠানে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন নতুন চৰকাৰখনক আহ্বান জনাইছে। কলং পুনৰ জীৱিতকৰণ সমিতিৰ সভাপতি মুকুল শইকীয়াই মুখ্যমন্ত্ৰী শৰ্মাক অভিনন্দন জনাই কয়, ‘ড° শৰ্মাৰ নেতৃত্বত অসমে উন্নয়নৰ ক্ষেত্ৰত নতুন মাত্ৰা লাভ কৰিব।’ জল সম্পদ মন্ত্ৰী পীযুষ হাজৰিকাক শুভেচ্ছা জ্ঞাপন কৰি সমিতিয়ে আশা প্ৰকাশ কৰে যে মন্ত্ৰী হাজৰিকাৰ নেতৃত্বত জল সম্পদ বিভাগে অসমৰ বান-খহনীয়া সমস্যা সমাধান কৰাত সফল হ’ব। সমিতিয়ে কলং নৈক নিয়ন্ত্ৰিত ৰূপত বোৱাই ৰখাৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ জল সম্পদ মন্ত্ৰী হাজৰিকাক আহ্বান জনায়। উল্লেখ্য যে নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈয়ে ৬০ দশকৰ সময়লৈকে বাৰিষাৰ সময়ত নগাঁও চহৰত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানী কলঙেদি সোমাই আহি প্লাৱিত কৰিছিল। সেই সময়ত নগাঁৰৰ একাংশ লোকে বানপানীৰ কবলৰ পৰা নগাঁও চহৰক মুক্ত কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ওচৰত প্ৰস্তাৱ উপস্থাপন কৰিছিল। সেই অনুসৰি সেই সময়ৰ কেন্দ্ৰীয় বান মন্ত্ৰীয়ে দিয়া পৰামৰ্শৰ ভিত্তিত অসম চৰকাৰে নগাঁও চহৰ সুৰক্ষা প্ৰকল্পৰ অধীনত কলং নৈৰ উৎসস্থলী হাতীমূৰাৰ পৰা বৰঘোপ পাহাৰলৈ মথাউৰি বান্ধি কলঙৰ গতি স্তব্ধ কৰি দিয়া হৈছিল। ফলত ব্ৰহ্মপুত্ৰৰ পানী কলঙৰে বব নোৱাৰা হ’ল। স্তব্ধ হৈ পৰিছিল কলংপৰীয়া সভ্যতা, সংস্কৃতি, অৰ্থনীতি। কলঙৰ গতি স্থবিৰ হৈ পৰিছিল। ৭০ দশকৰ পৰাই নগাঁও আৰু কলিয়াবৰৰ সচেতন ব্যক্তিয়ে কলং নৈক নিয়ন্ত্ৰিত ৰূপত বোৱাই ৰাখিবলৈ চৰকাৰৰ ওচৰত দাবী জনাই অহাৰ লগতে আন্দোলনো কৰিছিল। তাৰ মাজতে ২০১৩ত নগাঁৰৰ সচেতন ব্যক্তি মিলিত হৈ কলং পুনৰ জীৱিতকৰণ সমিতি নামৰ এখন সমিতি গঠন কৰিছিল। এই সমিতিখনে অহৰহ ভাৱে কলং নৈক পুনৰ বিজ্ঞান সন্মতভাৱে প্ৰবাহিত কৰাৰ লক্ষ্যৰে চৰকাৰক হেঁচা দিয়াৰ লগতে ব্যাপক জনমত গঠন কৰিছিল। এই প্ৰয়াসৰ মূল কাণ্ডাৰী আছিল সদ্য প্ৰয়াত বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞি। বৰগোহাঞি আৰু সমিতিখনৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলশ্ৰুতিত ২০১৮ত অসম চৰকাৰে বিশেষজ্ঞ সমিতি গঠন কৰি কলঙক বিজ্ঞানসন্মতভাৱে বোৱাই নিয়া কাম আৰম্ভ কৰে। বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদন অনুসৰি অসম চৰকাৰে ১৩৫ কোটি টকা ব্যয় সাপেক্ষে প্ৰকল্পৰ কাম ২০২০ৰ শেষৰ ফালে আৰম্ভ কৰে। সেই সময়ৰ বিত্তমন্ত্ৰী, বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু কলিয়াবৰৰ বিধায়ক তথা জলসম্পদ মন্ত্ৰী কেশৱ মহন্তৰ তৎপৰতাত এই প্ৰকল্পৰ কাম আৰম্ভ হয়। সেই সময়ত মন্ত্ৰী মহন্তই ঘোষণা কৰিছিল যে এইবাৰৰ বাৰিষাৰ আগে আগে কলঙৰ বুকুৰেদি ব্ৰহ্মপুত্ৰৰ পানী নিয়ন্ত্ৰিত ৰূপত ব’ব। এইবাৰৰ মন্ত্ৰীসভাত জলসম্পদ দপ্তৰৰ মন্ত্ৰী লাভ কৰিছে হাজৰিকাই। মন্ত্ৰী হাজৰিকাৰ নেতৃত্বত বাৰিষাৰ আগে আগে কলঙেদি ব্ৰহ্মপুত্ৰৰ পানী নিয়ন্ত্ৰিত ৰূপত ব’ব বুলি সমিতিয়ে আশা প্ৰকাশ কৰিছে। কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কলিয়াবৰ জিলা সমিতি, অসম জাতীয়তাবাদী যুৱ পৰিষদ আদি সংগঠনেও অনুৰূপ দাবী জনাইছে।

# টিহুৰ বিভিন্ন গ্ৰামাঞ্চলত ক’ভিড প্ৰতিষেধক কেন্দ্ৰ স্থাপনৰ দাবীত টিহু আছুৰ স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৪ মে’ ঃ** টিহুৰ বিভিন্ন গ্ৰামাঞ্চলত একোটিকৈ ক’ভিড প্ৰতিষেধক কেন্দ্ৰ স্থাপন কৰিবলৈ দাবী উত্থাপন কৰিছে টিহু আঞ্চলিক ছাত্ৰ সন্থাই। আজি টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মৃদুল বৰ্মন আৰু সাধাৰণ সম্পাদক হিম আকাশ কলিতাই স্বাক্ষৰ কৰা স্মাৰকপত্ৰ এখন টিহুৰ ৩০ বিছনাযুক্ত চিকিৎসালয়ৰ উপ-অধীক্ষক ডাঃ প্ৰমোদ তালুকদাৰৰ জৰিয়তে নলবাৰী জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকলৈ প্ৰেৰণ কৰা হয়। স্মাৰকপত্ৰখনত উত্থাপন কৰা অনুসৰি, বৃহত্তৰ টিহু অঞ্চলৰ লোকসকলক সম্প্ৰতি টিহু ৩০ খন বিছনাযুক্ত গ্ৰামীণ চিকিৎসালয়ত (প্ৰাথমিক প্ৰেৰণ কেন্দ্ৰ)ত ক’ভিডৰ প্ৰতিষেধক প্ৰদান কৰি অহা হৈছে। চিকিৎসালয়খনত ক’ভিড প্ৰতিষেধক লোৱাৰ বাবে নিতৌ যথেষ্ট লোকৰ ভিৰ হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ জ্যেষ্ঠ নাগৰিকসকলৰ যথেষ্ট অসুবিধা হৈছে। এনে অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বৃহত্তৰ টিহু অঞ্চলৰ হাৰিভাঙা, মাখিবাহা, জলখানা-ভঠুৰাখানা, শিয়ালমাৰী, বালি, ৰতনপুৰ, নখৰা, বৰবাৰী, পাকা, ৰণাকুছি, নাথকুছি, নমাটি আদি গাঁওসমূহত একোটাকৈ ক’ভিড প্ৰতিষেধক কেন্দ্ৰ স্থাপন কৰাৰ বাবে দাবী জনায়।

# কৃষকৰ বীজ, ৰাসায়নিক সাৰৰ অত্যধিক মূল্যবৃদ্ধি

## নিয়ন্ত্ৰণৰ দাবীত যুৱ-ছাত্ৰৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৪ মে’ ঃ** কৰ’না মহামাৰীৰ জটিল পৰিস্থিতিৰ মাজতে কৃষকৰ ব্যৱহাৰ্য বীজ আৰু ৰাসায়নিক সাৰৰ অত্যাধিক মূল্যবৃদ্ধিয়ে কৃষকসকলক চিন্তিত কৰিছে। এনে জটিল সময়তে অতি সন্তৰ্পনে হোৱা ৰাজ্যত ৰাসায়নিক সাৰৰ অত্যধিক মূল্যবৃদ্ধিৰ বিৰুদ্ধে আজি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিয়ে ৰাজ্যৰ মুখ্যমন্ত্ৰীক ই-মেইল যোগে স্মাৰকপত্ৰ প্ৰদান কৰি ৰাসায়নিক সাৰৰ দাম নিয়ন্ত্ৰণৰ দাবী জনায়। সংগঠনটোৰ নলবাৰী জিলা সমিতিৰ সভাপতি পাৰ্থপ্ৰতীম শৰ্মা আৰু সাধাৰণ সম্পাদক কৌশিক বৰ্মনে এক স্মাৰকপত্ৰযোগে সংগঠনটোৱে সমাগত বাৰিষা কালত ৰাজ্যৰ ৭০ শতাংশ কৃষিজীৱী ৰাইজক ৰাসায়নিক সাৰৰ দাম বৃদ্ধি ঘটায় আহুকালত পেলাব খোজা অভিসন্ধিয়ে তৎকালীনভাৱে ইয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী উত্থাপন কৰিছে। শেহতীয়াভাৱে ৰাজ্যত ইউৰিয়া (নাইট্ৰজেন ৪৬ শতাংশ), ডি এ পি, বৰাস্ক আদিকে ধৰি প্ৰায়বোৰ কৃষিকাৰ্যত ব্যৱহৃত ৰাসায়নিক সাৰৰ ৫৮ শতাংশ পৰ্যন্ত দাম বৃদ্ধি হৈছে। ইয়াৰ ফলত অনাগত দিনত কৃষক ৰাইজৰ বিপদ অনিবাৰ্য হৈ পৰিছে। ৰাজ্য চৰকাৰে অতিশীঘ্ৰে ৰাসায়নিক সাৰৰ দাম নিয়ন্ত্ৰণ নকৰিলে যুৱ-ছাত্ৰ পৰিষদৰ নলবাৰী জিলা সমিতিয়ে তীব্ৰ গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰিব বুলি স্মাৰকপত্ৰত উল্লেখ কৰে।

# হোমেন বৰগোহাঞিৰ স্মৃতিচাৰণ মৰিগাঁও জিলা কবি সন্মিলনৰ

**অজিত শৰ্মা**

**মৰিগাঁও, ১৪ মে’ ঃ** হোমেন বৰগোহাঞিৰ মহাপ্ৰয়াণৰ দ্বিতীয় দিনটোত মৰিগাঁও জিলা কবি সন্মিলন আৰু কৰুণাধাৰা সহায়ক সমিতি মৰিগাঁৱৰ সৌজন্যত অনুষ্ঠিত স্মৃতিচাৰণ অনুষ্ঠানত তেওঁৰ গুণলীলা সুঁৱৰি শোকবিহ্বল হয় অনুগামী সাহিত্য সেৱী সমাজ সচেতকসকল। মৰিগাঁও জিলা কবি সন্মিলনৰ সম্পাদক ভৰেন চন্দ্ৰ নাথে আঁত ধৰা ক’ভিড প্ৰট’কল মানি সীমিত সংখ্যকৰ উপস্থিতিৰে মৰিগাঁও সদৰস্থিত নিপুন ডেকা স্মৃতি সদনৰ চোতালত ১০-৪৫ বজাত অনুষ্ঠিত স্মৃতিচাৰণ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিৰ আৰম্ভণিতে বৰগোহাঞিৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি বন্তি প্ৰজ্বলন কৰে মৰিগাঁও জিলা কবি সন্মিলনৰ সভাপতি তথা কৰুণাধাৰা সহায়ক সমিতি মৰিগাঁৱৰ সভাপতি অশোক ডেকাই। পুস্পাঞ্জলি অৰ্পণৰ আৰম্ভণি কৰে কৰুণাধাৰা সহায়ক সমিতি মৰিগাঁৱৰ সম্পাদক মিলেশ্বৰ পাতৰে। স্মৃতিচাৰণ কৰি মহীৰূহগৰাকীৰ বিৰল প্ৰতিভা, পাণ্ডিত্য আৰু জীৱনাদৰ্শৰ আলোকপাত কৰে ক্ৰমে বিশিষ্ট সাহিত্যিক মিলেশ্বৰ পাতৰ, সমাজ সংগঠক বিৰিঞ্চি কুমাৰ শৰ্মা, লেখিকা অনিতা হাজৰিকা, কৰুণাধৰা সহায়ক সমিতি মৰিগাঁৱৰ কাৰ্যকৰী সভাপতি ডাঃ ধীৰেন নাথ, মৰিগাঁও জিলা কবি সন্মিলনৰ উপ-সভাপতি আবুল হাছেম আল আমান প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে। অনুষ্ঠানত মহান প্ৰতিভাৰ আকৰ কথাশিল্পীগৰাকীৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে এক মিনিট মৌন প্ৰাৰ্থনা কৰে উপস্থিতসকলে। অনুষ্ঠানত কবি ৰতন ৰাগ, বীণাপাণি ডেকা, শুভংকৰ ডেকা আৰু মৰিগাঁও সদৰ শাখা কবি সন্মিলনৰ প্ৰচাৰ সম্পাদক দীপাংকৰ নাথেও অংশ লয়।

## তামুলপুৰত এক বজাত বন্ধ দোকান-পোহাৰ

# নিয়ম উলংঘা কৰাৰ বিৰুদ্ধে কঠোৰ তামুলপুৰ আৰক্ষী

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১৪ মে’ ঃ** সমগ্ৰ ৰাজ্যত ক’ভিড-১৯ৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কালিৰে পৰা কাৰ্যকৰী হোৱাকৈ জাৰি কৰা নতুন এছঅ’পি অনুসৰি তামুলপুৰ মহকুমা সদৰতো দিনৰ এক বজাতে বন্ধ হৈ পৰে সকলো দোকান-পোহাৰ। ক’ভিড সৃষ্ট পৰিৱেশ নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰে জাৰি কৰা নতুন নিৰ্দেশনা মানি তামুলপুৰ মহকুমাৰ সদৰৰ ঘগ্ৰাচ’ক, পুৰণ চ’ক, ডিমিলা চ’ক, মটঙা চ’ক, গোৰেশ্বৰ চ’ক, বৰখাটা, কলবাৰী, কচুবাৰী, কচুবাৰীৰ লগতে মহকুমাটোৰ দ্বাৰকুছি, কুমাৰীকাটা, নাগ্ৰীজুলি আদি বিভিন্ন ঠাইৰ দোকান-পোহাৰ, বিত্তীয় প্ৰতিষ্ঠান আদি দিনৰ এক বজাৰ লগে লগে বন্ধ হৈ পৰে। তামুলপুৰত দোকান-পোহাৰ বন্ধ হৈ পৰাত জনশূন্য হৈ পৰে তামুলপুৰৰ ৰাজপথ। শেহতীয়াভাৱে বাগ্‌সা জিলাৰ ভিতৰত তামুলপুৰ মহকুমাতে ভয়াবহভাৱে বৃদ্ধি পাইছে ক’ভিড-১৯ৰ সংক্ৰমণ। চৰকাৰৰ এনে কঠোৰ স্থিতিয়ে হয়তো ক’ভিড-১৯ৰ সংক্ৰমণ হ্ৰাস কৰিব পাৰিব যদিহে জনসাধাৰণে চৰকাৰৰ নতুন বিধি মানি চলি সহযোগ কৰে। ইপিনে, কালি ৰাজ্য চৰকাৰ আৰু অসম চৰকাৰে ঘোষণা নতুন এছঅ’পিৰ পাছত কঠোৰ হৈ পৰিছে তামুলপুৰ আৰক্ষী। তামুলপুৰ আৰক্ষী থানাৰ আৰক্ষী বিষয়া বনজিৎ উজিৰৰ নেতৃত্বত কালি তামুলপুৰত দিনৰ দুই বজাৰৰ পৰা সান্ধ্য আইন জাৰি কৰাৰ পাছত যিসকল ব্যক্তিয়ে বিনা কাৰণত চলাচল চৰকাৰে যি বাধা প্ৰদান কৰা হৈছিল তাক লৈও কঠোৰ হৈছে তামুলপুৰ আৰক্ষী। যিসকল ব্যক্তিয়ে বিনা কাৰণত নিয়ম উলংঘা কৰি ৰাজপথলৈ ওলাই আহিছে তেওঁলোকক তামুলপুৰ আৰক্ষীয়ে সোধ-পোছ কৰাৰ লগতে কোনো লোকে পুনৰ চৰকাৰে বান্ধি দিয়া নিয়ম যদি উলংঘা কৰে তেনেহ’লে তামুলপুৰ আৰক্ষীয়ে কঠোৰ স্থিতি গ্ৰহণ কৰিব বুলি জানিব দিয়ে আৰক্ষী বিষয়াগজনে। ইপিনে, তামুলপুৰ মহকুমাৰ ঠাই বিশেষে এতিয়াও কিছু সংখ্যক লোকে ক’ভিড বিধি ভংগ কৰি বজাৰ-সমাৰ কৰাৰ নামত অযথা ভিৰ কৰা পৰিলক্ষিত হৈছে।

# অসম আন্দোলনৰ কৰ্মী, অৱনী প্ৰাণ শইকীয়াৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১৪ মে’ ঃ** যোৰহাট ন-আলি ঢেকিয়াজুলি অঞ্চলৰ বুৰুক বৰুৱা গাঁৱৰ নিবাসী তথা অসম আন্দোলনৰ সক্ৰিয় কৰ্মী তথা শিক্ষক অৱনী প্ৰাণ শইকীয়াৰ (৬৬) যোৱা ১৩ মে’ত যোৰহাট চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। উল্লেখ্য যে কেইদিনমানৰ পূৰ্বে ক’ভিড ৰোগত আক্ৰান্ত হৈ যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা লোকজনৰ যোৱা পাঁচ মে’ত চিকিৎসকে ক’ভিড নিগেটিভ ঘোষণা কৰি চিকিৎসালয়ৰ জেনেৰেল আইছ’লেছনত চিকিৎসা চলাই থকা অৱস্থাত কালি সন্ধিয়া ৭-৩০ বজাত মৃত্যু হয়। উল্লেখ্য যে অসম আন্দোলনৰ সময়ত ঢেকিয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক আৰু সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদকৰূপে দায়িত্ব বহন কৰিছিল। তদুপৰি তেওঁ ঢেকিয়াজুলি যুৱক সংঘৰ সহকাৰী সম্পাদক, দীপজ্যোতি মইনা পাৰিজাতৰ পৰিচালক, সম্পাদক, সুকুমাৰ কলা পৰিষদ অসমৰ প্ৰতিষ্ঠাপক সচিবৰূপে দায়িত্ব বহন কৰা লোকজন ঢেকিয়াজুলি যুৱক সংঘৰ ৰাসোৎসৱ, ভাওনাৰ উপৰি তিতাৰাম বৰদলৈ উঃ মাঃ বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ দায়িত্ব বহন কৰিছিল। তেওঁ কবিতা পুথি ‘ৰক্তাক্ত হৃদয় বেদনা’ ৰচনা কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুগৰাকী কন্যা এৰি যায়।

## তেজপুৰ চ’কবজাৰৰ বিধ্বস্তস্থলীত নগৰ উন্নয়ন মন্ত্ৰী

# ব্যৱসায়ীসকল অন্ধকাৰত থাকিব নালাগে ঃ সিংঘাল

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৪ মে’ ঃ** যোৱা আঠ মে’ৰ নিশা বিধ্বংসী অগ্নিকাণ্ডৰ ফলত ধ্বংসস্তূপত পৰিণত হোৱা তেজপুৰ পৌৰসভাৰ অধীনস্থ চ’ক বজাৰস্থলীত কালি দুপৰীয়া অসম চৰকাৰৰ নগৰ উন্নয়ন আৰু গুৱাহাটী মহানগৰ উন্নয়ন দপ্তৰ আৰু জলসিঞ্চন মন্ত্ৰী অশোক সিংঘালে পৰিদৰ্শন কৰি ক্ষয়ক্ষতিৰ বুজ লয়। উল্লেখ্য যে এই অগ্নিকাণ্ডৰ ফলত তেজপুৰ চ’ক বজাৰৰ ২৩৫ খন দোকান সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ ফলত ৮০ কোটি টকাৰ ক্ষতি হোৱা বুলি হোৱা বুলি চৰকাৰীভাৱে প্ৰকাশ কৰা হৈছে। কালি মন্ত্ৰী সিংঘালে তেজপুৰ চ’ক বজাৰৰ অগ্নিকাণ্ডৰ স্থান পৰিদৰ্শন কৰি অগ্নিকাণ্ডৰ ফলত ক্ষতিগ্ৰস্ত ব্যৱসায়ীসকলৰ গৃহ নিৰ্মাণৰ বাবে অসম চৰকাৰৰ নগৰ উন্নয়ন বিভাগে গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। তেওঁ ক্ষতিগ্ৰস্ত ব্যৱসায়ীসকলক চৰকাৰৰ ফালৰ পৰা সকলো ধৰণৰ সহায়-সহযোগ আগবঢ়াব বুলি কয়। মন্ত্ৰীজনে অগ্নিকাণ্ডৰ স্থান পৰিদৰ্শনৰ সময়ত শোণিতপুৰ উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিঙো উপস্থিত আছিল। মন্ত্ৰীজনে লগতে কয় যে ব্যৱসায়ীসকলৰ জীৱনত অন্ধকাৰ থাকিব নালাগে। ইপিনে, ক্ষতিগ্ৰস্ত ব্যৱসায়ীসকলে বজাৰখন পুনৰ নিৰ্মাণ নোহোৱা পৰ্যন্ত তেওঁলোকৰ বাবে এক বিকল্প স্থান দিয়াৰ বাবেও আহ্বান জনাই আহিছে। উল্লেখ্য যে নগৰ আন্তগাঁথনি উন্নয়নৰ বাবে তেজপুৰক আৱণ্টন দিয়া দুশ কোটি টকাৰ ২৯ কোটি টকাৰে তেজপুৰ চ’কবজাৰখনো নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছিল। চিআইডিএফ পুঁজিৰ অধীনত ইয়াৰ বাবে প্ৰথম কিস্তিত ন কোটি আৰু দ্বিতীয় কিস্তিত ২০ কোটি টকা ২০২০-২১ত ধাৰ্য কৰাৰ উপৰি এই আঁচনি দেশৰ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান ভাৰতৰ অভিযান্ত্ৰিক প্ৰকল্প লিমিটেডে প্ৰস্তুত কৰিছে। বৰ্তমান এই প্ৰকল্পৰ জৰিয়তে সুপৰিকল্পিতভাৱে তেজপুৰ চ’কবজাৰখন নতুনকৈ নিৰ্মাণ কৰিলে কেৱল ক্ষতিগ্ৰস্ত ব্যৱসায়ীসকলেই নহয়, নতুনকৈ বহু নিবনুৱাই ইয়াত সংস্থাপনৰ সুযোগো লাভ কৰিব। উল্লেখযোগ্য যে তেজপুৰ চ’ক বজাৰৰ পুৰণা গৃহসমূহ ইতিমধ্যেই বিপজ্জনক বুলিও দুৰ্যোগ ব্যৱস্থাপনা বিভাগে চিহ্নিত কৰিছিল।

# এসপ্তাহে সন্ধানহীন গোসাঁইগাঁৱৰ যুৱক

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও/ ফকিৰাগ্ৰাম/ দোতমা/ শ্ৰীৰামপুৰ, ১৪ মে’ ঃ** ক’ভিডৰ আতংকৰ মাজতে এজন ২৪ বছৰীয়া যুৱক বঙাইগাঁও ৰেল ষ্টেছনৰ পৰা সন্ধানহীন হৈ আছে। ঘটনাটো গোসাঁইগাঁও আৰক্ষী থানাৰ অন্তৰ্গত ভদেয়াগুৰি গাঁৱত সংঘটিত হৈছে। গাঁওখনৰ শিক্ষিত যুৱক সুজন মণ্ডল (২৪) যোৱা আঠ মে’ৰ পৰা সন্ধানহীন হৈ আছে। যুৱকজনৰ পৰিয়ালে উল্লেখ কৰা মতে, বিগত ছয় মে’ত ভদেয়াগুৰিৰ নিজ ঘৰৰ পৰা বঙাইগাঁওৰ সম্পৰ্কীয়ৰ ঘৰলৈ গৈ পুনৰ আঠ মে’ত বঙাইগাঁও ৰেল ষ্টেছনৰ পৰা নামনিমুৱা কামৰূপ এক্সপ্ৰেছ ৰেলযোগে নিজ গৃহলৈ উভতি অহাৰ কথা আছিল যদিও যুৱকজন সিদিনাৰ পৰাই সন্ধানহীন হয়। পৰিয়ালবৰ্গই আত্মীয়-কুটুম্ব লগতে সম্ভাব্য সকলো স্থানতে যোগাযোগ কৰাৰ পাছতো অদ্যাপি কোনো শুংসূত্ৰ লাভ কৰা নাই। ইতিমধ্যে বঙাইগাঁও জিআৰপিএফ আৰু গোসাঁইগাঁও আৰক্ষী থানাত সন্ধানহীন যুৱকজনৰ সন্দৰ্ভত পৃথকে পৃথকে লিখিতভাৱে জনোৱা হৈছে যদিও এই পৰ্যন্ত কোনো তথ্য লাভ নকৰাত উপায়ান্তৰ হৈ সংবাদ মাধ্যমৰ জৰিয়তে যুৱকজনৰ সন্ধানৰ সহায় বিচাৰিছে পৰিয়ালটোৱে। আনহাতে, সুজনক আঠ মে’ৰ পুৱা ১১-৩০ বজাত বঙাইগাঁও ৰেল ষ্টেছনত নামনিমুৱা কামৰূপ এক্সপ্ৰেছৰ বাবে অপেক্ষা কৰাৰ দৃশ্য চি চি কেমেৰাত লাভ কৰিছে ৰেল আৰক্ষীয়ে। উল্লেখ্য যে সুজন গোসাঁইগাঁও মহাবিদ্যালয়ত বিজ্ঞান শাখাত অধ্যয়ন কৰি থকাৰ লগতে এখন ব্যক্তিগত বিদ্যালয়ত শিক্ষকতা কৰি আছিল। শ্যাম বৰণীয়া, ৫.৪ ফুট উচ্চতাৰ যুৱকজন সন্ধানহীন হৈ থকাৰ দিনা নীলা বৰণীয়া চেক ছাৰ্ট, কটন পেণ্ট আৰু ছেণ্ডেল পৰিধান কৰি আছিল বুলি পৰিয়ালবৰ্গই জানিবলৈ দিছে। সন্ধানহীন যুৱকজন সম্পৰ্কে কোনো সদাশয় ব্যক্তিয়ে কিবা তথ্য লাভ কৰিলে ৯১০০১১৫৫৯৫৪ নাইবা ৯৭০৭৭৩৯০০৬ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনায় পৰিয়ালটোৱে।

## ক’ভিডৰ বাবে ঘৰতেই নামাজ

# ঈদগাহ সমিতিৰ সভাপতিৰ বিয়োগ ঃ ক’ভিডৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৪ মে’ ঃ** দেশ তথা ৰাজ্যখনত ক’ভিড-১৯-এ মহামাৰীৰ ৰূপ ধাৰণ কৰাত ম্লান কৰিছে ইছলামধৰ্মী লোকসকলৰ পৱিত্ৰ উৎসৱ ঈদ-উল-ফিটৰৰ উছাহক। চৰকাৰে বান্ধি দিয়া নীতি-নিয়মৰ কাৰণে আজি ইছলামধৰ্মী লোকসকলে সমূহীয়া নামাজৰ পৰা বিৰত থাকে। দেশৰ অন্যান্য প্ৰান্তৰ লগতে হোজাই জিলাতো ঈদক লৈ দেখা গ’ল একে পৰিৱেশ। জিলাখনৰ হোজাই, নীলবাগান, মোৰাঝাৰ, লংকা, উদালী, ডবকা, যমুনামুখ, যোগীজান, চৌধুৰীবজাৰ আদি অঞ্চলৰ ঈদগাহ ময়দানসমূহ একেবাৰে খালী পৰি থকা দেখা গ’ল। ইছলাম ধৰ্মী লোকসকলে ঈদগাহ ময়দান বা মছজিদত সমূহীয়া নামাজ অনুষ্ঠিত কৰাৰ পৰিৱৰ্তে নিজ গৃহতে পৰিয়ালৰ লোকৰ স’তে অনুষ্ঠুপীয়াকৈ ঈদৰ নামাজ পঢ়ে। মাস্ক পিন্ধি সামাজিক দূৰত্ব বজাই ৰাখি এই অঞ্চলসমূহৰ ইছলাম ধৰ্মী লোকসকলে নামাজ পঢ়ে। ইফালে, ঈদৰ দিনাই হোজাই নীলবাগান ঈদগাহ কমিটীৰ সভাপতিৰ মৃত্যু হয়। হোজাই নীলবাগান ঈদগাহ কমিটীৰ সভাপতি জয়ন্তীয়াবস্তি গাঁৱৰ বাসিন্দা আব্দুল জলিল বৰভূঞাই কিছুদিনৰ অসুস্থতাত আজি বিয়লি ৩-৪৫ বজাত নিজ গৃহতে মৃত্যুক সাবটি লোৱাত অঞ্চলজুৰি শোকৰ ছাঁ পৰে। তেওঁৰ মৃত্যুত নীলবাগান ঈদগাহ কমিটীৰ সম্পাদক আব্দুল হক বৰভূঞাই কৰ্মৰাজিৰ স্মৃতি ৰোমন্থন কৰি গভীৰ শোক প্ৰকাশ কৰে। যুৱ সমাজ-নীলবাগান, নিউ ষ্টাৰ ক্লাব আদিকে ধৰি বহুকেইটা সংগঠনে শোক প্ৰকাশ কৰিছে। ইফলে, এই লোকজন ক’ভিড আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি প্ৰচাৰ চলিছে। ঈদগাহ কমিটীৰ অসুস্থ সভাপতিজনক কালি নীলবাগানৰ এজন চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিছিল। চিকিৎসকৰ পৰামৰ্শ অমান্য কৰি ঘৰলৈ লৈ যায় আৰু তাতে লোকজনৰ মৃত্যু হয়। লোকজনে মহামাৰী ক’ভিডত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি অঞ্চলটোত ব্যাপক প্ৰচাৰ চলিছে যদিও জিলা চিকিৎসা বিভাগৰ তৰফৰ পৰা এতিয়াও এই বিষয়ে স্পষ্টভাৱে ঘোষণা কৰা নাই।


**ৰেলৱে এমবেংকমেণ্টৰ ৰেইন কাটচৰ মেৰামতি**

ই-নিবিদা জাননী নং ঃ ০৯/ডব্লিউ-২/এপিডিজে, দিনাংক ঃ ১২-০৫-২০২১। নিম্ন স্বাক্ষৰকাৰীৰ দ্বাৰা নিম্নলিখিত কামৰ বাবে ই-নিবিদা আহ্বান কৰা হৈছে। নিবিদা নং ঃ ০২-এপি-I-২০২১ ; কামৰ নাম ঃ এছ.এছ.ই/বৰ্কচ/নিউ কোচবিহাৰৰ ক্ষেত্ৰাধিকাৰৰ অধীনত নিউ চাংৰাবান্ধা-নিউ কোচবিহাৰ-গোলকগঞ্জ জংচন শাখাত ৰেলৱে এমবেংকমেণ্টৰ ৰেইন কাটচৰ মেৰামতি। নিবিদা মূল্য ঃ ৯০,৬২,৭০০/- টকা। আমানত ধন ঃ ১,৮১,৩০০/- টকা। ই-নিবিদা বন্ধ কৰা হ’ব ০৮-০৬-২০২১ তাৰিখৰ দুপৰীয়া ১ বজাত আৰু খোলা হ’ব ০৮-০৬-২০২১ তাৰিখৰ বিয়লি ৩ বজাত। বিশদ বিৱৰণৰ বাবে অনুগ্ৰহ কৰি www.ireps.gov.inত পদাৰ্পন কৰক।

ডিআৰ এম (কাৰ্য), আলিপুৰদুৱাৰ জংচন

উত্তৰপূৰ সীমান্ত ৰেলৱে

হাঁহিমুখে গ্ৰাহকলৈ সেৱা



**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.


## আজিৰ দিনটো




**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী

জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭

☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১


### ৩১ ব’হাগ শনিবাৰ ১৫ মে’

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪৬।১৭, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫২।৯। **তিথি ঃ** শুক্লা তৃতীয়া, দং ০।৪৬।৪১ প্ৰাতঃঘঃ ৫।০৪।৫৭। **নক্ষত্ৰ ঃ** মৃগশিৰা, দং ৩।৩৫।৩২ প্ৰাতঃঘঃ ৬।১২।৩০। **যোগ ঃ** ধৃতি, দং ৪৮।১৮।২৯ ৰাঘঃ ১২।০৫।৪১। **কৰণ ঃ** গৰ। **জন্মত ঃ** মিথুনৰাশি, বৈশ্যবৰ্ণ, মতান্তৰে শূদ্ৰবৰ্ণ, দেৱগণ, কুকুৰৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী ৰবি বিংশোত্তৰী মঙ্গলৰ দশা, প্ৰাতঃঘঃ ৬।১২।৩০ যোৱাত মনুষ্যগণ, সাপৰ অস্থি, অষ্টোত্তৰী চন্দ্ৰ বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ’লে ঃ** সাতদিনীয়া পতিহিতা যোগ, প্ৰাতঃঘঃ ৬।১২।৩০ যোৱাত সাতদিনীয়া কান্তা যোগ। **মৰণত দোষ ঃ** এপদ। **যোগিনী ঃ** অগ্নিকোনত, প্ৰাতঃঘঃ ৫।৪।৫৭ যোৱাত নৈঋতকোনত। **যাত্ৰা ঃ** নাই, সংক্ৰান্ত্যাদি দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** পটল, প্ৰাতঃঘঃ ৫।৪।৫৭ যোৱাত মূলা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** প্ৰেমত আনন্দ। আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। সাহস আৰু দক্ষতা সমভাৱে লাভ কৰিব উপকৃত হ’ল। কৰ্মস্থানত আনন্দ। প্ৰেমত আনন্দ।

**বৃষ ঃ** পত্নী সুখ। বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ ইংগিত পাব। মাতৃৰ শৰীৰ চিন্তা। আৰ্থিকত ব্যয় বৃদ্ধি পাব। ব্যৱসায়ত মধ্যম।

**মিথুন ঃ** সময়ৰ নাটনি। মধ্যম দিন হ’লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ’ব। বিদ্যাত শুভ ফল। শৰীৰ মধ্যম।

**কৰ্কট ঃ** কৰ্ম ব্যস্ততা। সহযোগীৰ সহায়ত উৎসাহ পাব। প্ৰতাৰকৰ বাবে দুশ্চিন্তা থাকিব। কৰ্মস্থানত আয় বৃদ্ধি কাৰক। নতুন কোনো উদ্দেশ্যেত সফল হ’ব।

**সিংহ ঃ** ৰাইজৰ লগত অতিৰিক্ত খৰচ। আচৰিত কথাৰ সম্ভেদ পাব। আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ’ব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক।

**কন্যা ঃ** মজলীয়াভাৱে দিনটো পাৰ হ’ব। কৰ্মক্ষেত্ৰত সহকৰ্মীৰ অলপ সতৰ্ক থকাটো উচিত হ’ব। প্ৰেমপ্ৰীতিত উদাস চিন্তা। পঢ়াত মধ্যম।

**তুলা ঃ** শৰীৰ পূৰ্বৰ তুলনাত আশাপ্ৰদ। আগতে ভবা কথা আৰু কামৰ লগত আনৰ বিভেদ থাকিব। কোনো প্ৰিয় লোকৰ যোগাযোগত আনন্দ।

**বৃশ্চিক ঃ** ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কিছু উচ্চ চিন্তা থাকিব আৰু সফলতাও পাব। কৰ্মস্থানত উন্নত আশা নকৰাই ভাল। পঢ়াত মনোনিবেশ কৰিব।

**ধনু ঃ** দিনটোত পাৰিপাৰ্শ্বিক বাধা-বিঘিনিৰ কাৰণে মনটো গধুৰ হৈ থাকিব। শৰীৰৰ প্ৰতি আওকাণ নকৰিব। কৰ্মত খ্যাতি বুদ্ধিৰ যোগ।

**মকৰ ঃ** কৰ্মত মজলীয়া প্ৰভাৱ পৰিব। নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ’ব। বিদ্যাত ধৈৰ্য ধৰক। পাৰিবাৰিক সামান্য উৎকণ্ঠা দেখা যায়। ভ্ৰমণত দ্ৰব্য লাভ কৰিব। ব্যৱসায়ত আশাপ্ৰদ উন্নতিৰ যোগ।

**কুম্ভ ঃ** নিজৰ উদ্দেশ্য সাধনত ব্ৰতী হওক। কৰ্মত দক্ষতা থাকিব। ব্যৱসায়-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়। পঢ়া-শুনাত শুভ।

**মীন ঃ** যত্নৰ দ্বাৰা বিদ্যাত সাফল্য লাভ। আৰ্থিকত ব্যয় বৃদ্ধি পাব। কোনো দূৰ বাৰ্তাত আনন্দ লাভ, বেংক কৰ্মচাৰীৰ শুভ। কোনো কাৰণত মন চঞ্চল থাকিব। প্ৰেমত শুভ।

## শব্দ-বেহু ঃ ১৫ মে’ ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**

২। সংগম ইচ্ছুক হাতীৰ কাণসঁতাৰ পৰা ওলোৱা এবিধ নিৰ্য্যাস (৫)
৫। চাৰিওফালে বেৰ থকা আৰু কাষত দুৱাৰ লগোৱা এবিধ দোলা (২)
৬। খেতিৰ মাটি, নিৰ্দিষ্ট ভূ-খণ্ড (২)
৭। হিন্দু সকলৰ এখন পবিত্ৰ তীৰ্থস্থান (২)
৮। ভৰিত লাগি অহা ধূলি, ডাঙৰ লোকৰ অনুগ্ৰহ (৪)
৯। ভাত-চিৰা আদি পানীত খচি ৰোগীৰ বাবে তৈয়াৰ কৰা পথ্য (২)
১০। পুষ্টিকাৰক, শৰীৰত যিয়ে শক্তি দিয়ে (৫)
১২। কমাৰে কাম কৰা জুহাল আৰু সা-সঁজুলি (৫)
১৬। পূজা সবাহ আদিত পঞ্চামৃত মিহলাই তৈয়াৰ কৰা এবিধ ঘন তৰল খাদ্য (২)
১৭। ডোৰাকানি, ফটা কাপোৰৰ টুকুৰা (৪)
১৮। তিব্বতৰ বৌদ্ধ ধৰ্মীয় গুৰুৰ উপাধি, বৌদ্ধ ভিক্ষুৰ অভিধা (২)
১৯। সাধু, সত্যবাদী, ন্যায়মতে চলা (২)
২০। কঠীয়া, পৰৱৰ্তী খেতিৰ বাবে সাঁচি থোৱা গুটি, সন্তান (২)
২১। অলাগতিয়াল, যিটোৰ প্ৰয়োজন নাই (৫)

**থিয়কৈ ঃ**

১। মূৰৰ পৰা ভৰিলৈকে (৬)
২। আহিলা, সঁজুলি, অস্ত্ৰ (৪)
৩। হিত সাধিব পৰা উপদেশ, সজ পৰামৰ্শ (৫)
৪। মাছৰ আকৃতিৰ বিৰাটকায় স্তন্যপায়ী এবিধ সামুদ্ৰিক প্ৰাণী (২)
৬। পানী থকা আহল-বহল ঠাই, বিল, পুখুৰী আদি (৪)
১১। কমলাপতি, বিষ্ণু (৬)
১৩। জৰিয়তে, হতুৱাই, যোগেদি (৪)
১৪। আনৰ কথা লগাই ফুৰা মানুহ, টুটকীয়া স্বভাৱৰ লোক (৫)
১৫। দুলীয়া, দোলা কঢ়িয়াই নিয়া মানুহ (৪)
১৯। গ্ৰন্থৰ পৰিচ্ছেদ, গ্ৰন্থ বা পুথিৰ এটা ভাগ (২)

**উত্তৰ অহা সংখ্যাত**

**১৪ মে সংখ্যাৰ উত্তৰ ঃ**

**পথালিয়ে ঃ** ২। জলম ৪। পৰিণাম ৭। দহা ৯। লেবেৰা ১০। নবাব ১২। আয়া ১৩। পাদ্ৰী ১৬। জীন ১৮। পেগ ১৯। চবকা ২১। কৰণি ২২। চৰা ২৪। ইতিহাস ২৫। গোহাৰি

**থিয়কৈ ঃ** ১। কাপচেলেকা ৩। মহাজন ৪। পদ ৫। ৰিহা ৬। মহালয়া ৮। ধাৰাপাত ১১। বাথৌ ১৪। বনকৰা ১৫। লব ১৭। গাণিকালয় ১৮। পেংলাই ২০। কাননগো ২২। চহা ২৩। ৰাস

# শিৱসাগৰৰ উপায়ুক্ত-নাজিৰাৰ মহকুমাধিপতিৰ নিৰ্মীয়মাণ

## ক’ভিড কেয়াৰ চেণ্টাৰ তথা চিকিৎসালয় পৰিদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১৪ মে’ ঃ** শিৱসাগৰ জিলাৰ উপায়ুক্ত বিষ্ণু কমল বৰাই নাজিৰাৰ মহকুমাধিপতি লখিমী দত্তৰ উপস্থিতিত আজি নাজিৰাৰ লিগিৰীপুখুৰীস্থিত প্ৰস্তাৱিত ক’ভিড কেয়াৰ চেণ্টাৰ তথা চিকিৎসালয় পৰিদৰ্শন কৰে। সম্প্ৰতি চিকিৎসালয়খনৰ নিৰ্মাণ কাৰ্য চলি আছে। উপায়ুক্ত আৰু মহকুমাধিপতিয়ে কণ্টেইনমেণ্ট আৱাসত থকা কে’বাটাও পৰিয়ালৰ স’তেও সম্পূৰ্ণ ক’ভিড নিয়ম মানি মত বিনিময় কৰে আৰু তেওঁলোকৰ স্বাস্থ্যৰ বুজ লয়। ৰোগীসকলে ক’ভিড-১৯ৰ বিৰুদ্ধে নিয়মীয়াকৈ ল’বলগীয়া সাৱধানতাসমূহ অৱলম্বন কৰা আৰু খাদ্য সামগ্ৰীসমূহ সময়মতে লাভ কৰাৰ বিষয়েও তেওঁলোকে বুজ লয়। উপায়ুক্তই কয়, ‘ক’ভিড পৰীক্ষা কৰাতো সম্প্ৰতি অত্যন্ত গুৰুত্ব সহকাৰে লোৱা হৈছে। ইয়াৰ মূল উদ্দেশ্য হৈছে ক’ভিড ৰোগীসকলক চিনাক্ত কৰি তেওঁলোকক আছুতীয়াকৰণ কৰা। ৰোগীসকলক আছুতীয়াকৰণ কৰিলে ক্ষিপ্ৰতাৰে পৰিস্থিতি নিয়ন্ত্ৰণাধীন কৰিব পৰা যায়।’ মহকুমাধিপতি লখিমী দত্তই কয় যে এনে জটিল সময়ত সকলোৱে একেলগে যুঁজ কৰিব লাগিব। সৰ্বস্তৰতে মানুহে মাস্ক পৰিধান কৰিলে আৰু ক’ভিডৰ নিয়ম-নীতিসমূহ মানি চলিলে অহা ১৫ দিনৰ ভিতৰত নিশ্চয়কৈ এটা ভাল ফলাফল পাব পাৰি বুলি কয় মহকুমাধিপতিগৰাকীয়ে।

## আদিবাসী-বড়ো গোষ্ঠী সংঘৰ্ষৰ ২৫ বছৰ পূৰ্ণ

# ৪০,৭৩১টা আদিবাসী পৰিয়ালে আজিও বঞ্চিত উপযুক্ত ক্ষতিপূৰণ লাভৰ পৰা

**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১৪ মে’ ঃ** ১৯৯৬-৯৮ত সংঘটিত বড়ো আদিবাসী সংঘাতৰ কাইলৈ ২৫ বছৰ পূৰ্ণ হ’ব। ১৯৯৬ৰ ১৫ মে’ৰ দিনটোতে হেজাৰ হেজাৰ নিৰীহ পৰিয়ালে গোষ্ঠীগত সংঘাতৰ বলি হৈ আশ্ৰয় শিবিৰত দিন অতিবাহিত কৰিবলৈ বাধ্য হৈছিল। বহু লোকৰ প্ৰাণ কাঢ়ি নিয়া এক ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হোৱা এইসকল পৰিয়াল যেন আজিও দুৰ্ভিক্ষ জীৱন অতিবাহিত কৰিবলৈ বাধ্য হৈছে পুনৰ সংস্থাপনৰ অভাৱত। গোষ্ঠী সংঘাতৰ এই দিনটোক আদিবাসী তথা চাওতাল দল-সংগঠনসমূহে প্ৰতি বছৰে ক’লা দিৱসৰূপে পালন কৰি আহিছে। সদৌ চাওতাল ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰিমান চাকু চৰেণে আজি এক বিবৃতিত আদিবাসী আৰু বড়োসকলৰ মাজত সংঘটিত এই গোষ্ঠী সংঘাতৰ ২৫ বছৰ পূৰ্ণ হোৱাৰ পাছতো আদিবাসীসকলৰ ৪০,৭৩১ টা ক্ষতিগ্ৰস্ত পৰিয়াল পুনৰ সংস্থাপনৰ পৰা বঞ্চিত হ’বলগীয়া হৈছে বুলি ক্ষোভ প্ৰকাশ কৰে। বিবৃতিটোত উল্লেখ কৰা মতে, গোষ্ঠী সংঘাতত গৃহহাৰা পৰিয়ালক আজিও ৰাজ্য চৰকাৰ তথা বিটিচি প্ৰশাসনে উপযুক্ত ক্ষতিপূৰণ দিব নোৱাৰিলে বাবে আজিও বহু পৰিয়াল অনিশ্চয়তাত দিন অতিবাহিত কৰিবলৈ বাধ্য হৈছে। চৰকাৰে সম উন্নয়ন আৰু সমঅধিকাৰৰ কথা কৈছে যদিও চাওতাল জনগোষ্ঠীৰ ক্ষেত্ৰত আজি পৰ্যন্ত স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত উন্নতি হোৱা নাই। গোষ্ঠী সংঘৰ্ষত গৃহহীন পৰিয়ালসমূহে আজি উপযুক্ত আৰ্থিক সাহায্যৰ পৰা বঞ্চিত হ’বলগীয়া হ’ল।

আনকি সংঘাত পৰিস্থিতিত এৰি অহা ভেটি-মাটিসমূহো মোকলাই দিব নোৱাৰিলে। সংঘৰ্ষত গৃহহাৰা হৈ আশ্ৰয় শিবিৰত দীৰ্ঘদিন অতিবাহিত কৰা এইসকল দুৰ্গত ৰাইজক ১০ হেজাৰ টকা ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ নামত দিয়ে পূৰ্বৰ চৰকাৰে দায়িত্ব সামৰিলে বুলি তেওঁ অভিযোগ কৰে। তেওঁ কয় যে আদিবাসী বঞ্চিত পৰিয়ালসমূহক সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিক দিশত স্বাৱলম্বী কৰি আগুৱাই নিয়াৰ বাবে ৰাজ্যৰ নতুন চৰকাৰ তথা বিটিআৰ চৰকাৰখনে সুব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি দাবী জনায়। এছুৰ সাধাৰণ সম্পাদক ৰিমান চাকু চৰেণে বিজ্ঞপ্তিখনত প্ৰতি বছৰৰ দৰে এইবাৰো ১৫ মে’ৰ দিনটোক ক’লা দিৱসৰূপে পালন কৰাৰ বাবে আদিবাসী তথা চাওতাল দল-সংগঠনসমূহক আহ্বান জনায়।

## কৰ’নাৰ বাবে অনিশ্চয়তাত কংগ্ৰেছৰ পৰ্যালোচনা সভা

**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৪ মে’ ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত ৰাজ্যত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰো গঠন হ’ল। কিন্তু ইয়াৰ বিপৰীতে এইবাৰ ৰাজ্যত চৰকাৰ গঠন কৰিব বুলি নিৰ্বাচনৰ পূৰ্বে আত্মবিশ্বাসী হৈ থকা কংগ্ৰেছৰ নিৰ্বাচনী পৰাজয়ৰ পাছত আজিলৈকে নহ’ল এই পৰাজয়ৰ পৰ্যালোচনা। উল্লেখ্য যে কংগ্ৰেছে প্ৰথম পৰ্যায়ত অনুষ্ঠিত ৪৭টা বিধানসভা সমষ্টিৰ ভিতৰত মাত্ৰ পাঁচটাতহে বিজয়ী হোৱাৰ বিপৰীতে ছয় পৃষ্ঠাত চাওক



সোঁতৰ বিপৰীতে

## বাগ্‌সাৰ শালবাৰীত খাদ্য সুৰক্ষাৰ চাউলৰ লগত ইউৰিয়া সাৰ মিহলোৱাৰ অভিযোগ



**অগ্ৰদূত বাৰ্তা**
**শালবাৰীৰ, ১৪ মে’ ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ৰাজাবিল গাঁৰৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকৰ মাজত চৰকাৰে যোগান ধৰা চাউলৰ লগত ইউৰিয়া সাৰ মিহলি কৰা গুৰুতৰ অভিযোগ তুলিছে একাংশ হিতাধিকাৰীয়ে। উল্লেখ্য যে চৰকাৰৰ অন্ন সুৰক্ষা আঁচনিৰ জৰিয়তে যোগান ধৰা বিনামূলীয়া চাউল ৰাজাবিল গাঁৰৰ সুলভ মূল্যৰ দোকান এখনৰ পৰা গাঁওখনৰ কেইগৰাকীমান হিতাধিকাৰীয়ে সংগ্ৰহ কৰিছিল। কিন্তু হিতাধিকাৰী কেইগৰাকীয়ে চাউলখিনি ঘৰলৈ নি চাউলৰ লগত ইউৰিয়া সাৰ মিহলি হৈ থকা প্ৰত্যক্ষ কৰে। ইয়াৰ পিছতে গাঁওখনত ইয়াক কেন্দ্ৰ কৰি এক হাহাকাৰ পৰিৱেশৰ সৃষ্টি হয়। উক্ত গাঁৰৰ হিতাধিকাৰীসকলে এই ক্ষেত্ৰত চৰকাৰৰ যোগান ছয় পৃষ্ঠাত চাওক

## কাৰ্বি আংলঙত ক’ভিড আক্ৰান্তৰ সংখ্যা কম ঃ মহন

**বিশেষ সংবাদদাতা**
**ডিফু, ১৪ মে’ ঃ** কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ ক’ভিড পৰিস্থিতি সন্দৰ্ভত বুজ ল’বলৈ আজি বিয়লি ডিফুত উপস্থিত হয় মন্ত্ৰী যোগেন মহন। মন্ত্ৰীজনে বিয়লি তিনি বজাত জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক, ডিফু চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, অধীক্ষক, পশ্চিম কাৰ্বি আংলঙৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক আৰু বহু বিভাগীয় বিষয়াৰ স’তে তিনিঘণ্টীয়া আলোচনাত মিলিত হয়। ইয়াৰ পাছতেই সাংবাদিকক সম্বোধন কৰি মন্ত্ৰীজনে কয় যে কাৰ্বি আংলং জিলাৰ তুলনাত পশ্চিম কাৰ্বি আংলং জিলাত কভিড আক্ৰান্তৰ সংখ্যা কিছু কম। জিলাখনৰ স্বাস্থ্য খণ্ডত বহু সমস্যা থকা বুলি উল্লেখ কৰি মন্ত্ৰীজনে কয় যে ডিফু চিকিৎসা মহাবিদ্যালয়ত চিটিস্কেন ব্যৱস্থা নাই। স্বাস্থ্যমন্ত্ৰীৰ স’তে আলোচনা কৰি অতিশীঘ্ৰে চিটিস্কেন ডিফু চিকিৎসা মহাবিদ্যালয়ত অনাৰ ব্যৱস্থা কৰা হ’ব। জিলাখনত অক্সিজেনৰ সমস্যা নাই বুলি ছয় পৃষ্ঠাত চাওক

## বি চি পি এলৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ ১.৫ কোটিৰ অনুদান

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১৪ মে’ ঃ** অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডে তথা গেছ ক্ৰেকাৰ প্ৰকল্পই ১.৫ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰিছে। শেহতীয়াকৈ ডিব্ৰুগড় জিলাত অত্যধিক পৰিমাণে ক’ভিড আক্ৰান্তৰ সংখ্যা ভয়াৰহভাৱে বৃদ্ধি হোৱা আৰু অসম চিকিৎসা মহাবিদ্যালয়ত এক শোচনীয় পৰিৱেশৰ প্ৰতি লক্ষ্য কৰি মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে পদক্ষেপ গ্ৰহণৰ বাবে প্ৰদান কৰিছে এই ধনৰাশি। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে কয় যে চিকিৎসা মহাবিদ্যালয়ৰ জৰুৰী সেৱা আৰু কেজুৱেলিটী বিভাগৰ সামূহিক আন্তঃগাঁথনি উন্নয়নৰ লগতে অত্যাধুনিক চিকিৎসা সঁজুলি ব্যৱস্থাৰ বাবে এই অনুদান প্ৰদান কৰিছে ছয় পৃষ্ঠাত চাওক

## উপযুক্ত চিকিৎসাৰ অভাৱ, ঘণ্টা ঘণ্টা ধৰি মৃতদেহ পৰি থাকে বিছনাত

# গোলাঘাটৰ বাগিচাত গণ সংক্ৰমণৰ শংকা!

**বিশেষ সংবাদদাতা**
**গোলাঘাট, ১৪ মে’ ঃ** গোলাঘাট জিলাত সংহাৰী ক’ভিড ৰোগে গণ সংক্ৰমণৰ ৰূপ পৰিগ্ৰহ কৰি এই পৰ্যন্ত ১৯ জনকৈ লোকৰ প্ৰাণ লৈছে। যোৱা পহিলা এপ্ৰিলৰ পৰা ১২ মে’ৰ ভিতৰত গোলাঘাট জিলাত ৬০,১৪৬ গৰাকী লোকৰ ক’ভিড ৰেট টেষ্ট কৰাৰ বিপৰীতে এইছোৱা সময়ত ২,২১৭ গৰাকী লোক ক’ভিড পজিটিভ ৰূপে চিনাক্ত হৈছে। ইয়াৰে ১১৩৯ গৰাকী ক’ভিড আক্ৰান্ত লোক বৰ্তমান চিকিৎসাধীন অৱস্থাত আছে। অৰ্থাৎ এই পৰ্যন্ত চিনাক্ত হোৱা ২,২১৭ গৰাকী ক’ভিড ৰোগীৰ ভিতৰত ১০৭৮ গৰাকীয়ে ইতিমধ্যেই আৰোগ্য লাভ কৰিছে; কিন্তু গোলাঘাট জিলাখনত ক’ভিড সংক্ৰমণক লৈ উদ্বেগৰ কাৰণটো হৈছে বিশেষকৈ জিলাখনৰ গ্ৰামাঞ্চলৰ উপৰি শেহতীয়াভাৱে চাহ বাগিচা অঞ্চলবোৰতো দেখা দিয়া ক’ভিডৰ গণ সংক্ৰমণ। এই পৰ্যন্ত কে’বাখনো চাহ বাগিচাত ক’ভিডৰ গণ সংক্ৰমণে দেখা দিয়াত প্ৰতিৰোধমূলক ব্যৱস্থা ৰূপে জিলা প্ৰশাসনে এনেবোৰ বাগিচাত কণ্টেইনমেন্ট জ’ন ঘোষণা কৰিছে। কিন্তু চৰকাৰে নতুনকৈ ঘোষণা কৰা ক’ভিড এছ অ’ পিত চাহ বাগিচাসমূহৰ ক্ষেত্ৰত কেনে বিধি-ব্যৱস্থা বলৱৎ হ’ব তাৰ কোনো স্পষ্ট নীতি নিৰ্ধাৰণ নকৰাত এক বিভ্ৰান্তিকৰ পৰিস্থিতি হৈছে। এই সন্দৰ্ভত আটছাৰ গোলাঘাট জিলা সমিতিৰ সভাপতি ৰাবুল তুৰিৰ নেতৃত্বত এটা প্ৰতিনিধিৰ দলে জিলাখনৰ খুমটাই সমষ্টিৰ অন্তৰ্গত ক’ভিড আক্ৰান্ত বৰফলং, মহিমা, শাওতলী আদি চাহ বাগিচাৰ পৰিস্থিতিৰ বুজ লৈ জনায় যে চাহ শ্ৰমিকৰ মাজত ক’ভিড ছয় পৃষ্ঠাত চাওক



*ক’ভিড নিয়ম পালন কৰি ঘৰতে নামাজ আদায়, শুকুৰবাৰে।*

## তেজপুৰত চিকিৎসকক ধন দাবী ঃ গ্ৰেপ্তাৰ দুই ভুৱা আলফা





**অগ্ৰদূত বাৰ্তা**
**তেজপুৰ, ১৪ মে’ ঃ** তেজপুৰৰ এজন চিকিৎসকক আলফা(স্বা)ৰ নামত ১০লাখ টকা দাবী কৰি গ্ৰেপ্তাৰ হ’ল দুজন যুৱক। আৰক্ষীয়ে নাম প্ৰকাশৰ পৰা বিৰত থকা চিকিৎসকজনে এই সন্দৰ্ভত স্থানীয় কছাৰীগাঁও আৰক্ষী চকীত উল্লেখ কৰা মতে, কিছুদিন পূৰ্বে তেওঁক দুজন যুৱকে নিজকে আলফা (স্বা)ৰ সদস্য বুলি পৰিচয় দি সংগঠনটোৰ নামত ১০ লাখ টকা দাবী কৰিছিল। ইয়াৰ পাছতে আৰক্ষীয়ে অনুসন্ধান কৰি যোৱা নিশা ধন ছয় পৃষ্ঠাত চাওক

## বাৰ্ষিক প্ৰতিবেদনত অদ্ভূত তথ্য প্ৰকাশ

## কেন্দ্ৰীয় ছিল্ক ব’ৰ্ডে বড়োলেণ্ডক দিলে সুকীয়া ৰাজ্যৰ মৰ্যাদা

■ যোগেশ ওজা
**যোৰহাট, ১৪ মে’ ঃ** কেন্দ্ৰীয় চৰকাৰে অসমক দ্বিখণ্ডিত কৰি বড়োলেণ্ডক সুকীয়া ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰিবলৈ সন্মতি প্ৰকাশ কৰা নাই যদিও কেন্দ্ৰীয় চৰকাৰৰ অধীনৰে কেন্দ্ৰীয় ছিল্ক ব’ৰ্ডে বড়োলেণ্ডক সুকীয়া ৰাজ্যৰ মৰ্যাদা ইতিমধ্যে প্ৰদান কৰিলে, সেই কথা কেন্দ্ৰীয় ছিল্ক ব’ৰ্ডৰ বাৰ্ষিক প্ৰতিবেদনত স্পষ্টকৈ প্ৰকাশ পাইছে। কেন্দ্ৰীয় চৰকাৰৰ টেক্সটাইল মন্ত্ৰণালয়ৰ অধীনৰ কেন্দ্ৰীয় ছিল্ক ব’ৰ্ডৰ ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষ দুটাত উৎপাদিত নুনি পাট সূতা বাৰ্ষিক উৎপাদনৰ পৰিমাণ প্ৰতিবেদনত উল্লেখ কৰোতে অসম আৰু বড়োলেণ্ডক পৃথকে পৃথকে প্ৰদৰ্শন কৰা হৈছে। দেশৰ আন আন ৰাজ্যৰ উৎপাদনৰ পৰিসংখ্যাও সন্নিবিষ্ট থকা প্ৰতিবেদনখনত অসমক দুভাগ কৰি অসম আৰু বড়োলেণ্ড বুলি উল্লেখ কৰি উৎপাদনৰ পৰিমাণ সুকীয়াকৈ প্ৰকাশ কৰা কাৰ্যই ৰাষ্ট্ৰীয় পৰ্যায়ত নিশ্চয়কৈ ভুল ধাৰণাৰ সৃষ্টি কৰিব। কেন্দ্ৰীয় এই গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানটোৱে ছয় পৃষ্ঠাত চাওক




## গহপুৰৰ বামপন্থী নেতা, শিক্ষাবিদ দুৰ্গা বৰাৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা**
**গহপুৰ, ১৪ মে’ ঃ** গহপুৰ মহকুমাৰ হেলেম ৰাজহ চক্ৰৰ অন্তৰ্গত বালিজান গুৱাধৰা গাঁৰৰ নিবাসী তথা বয়োজ্যেষ্ঠ বামপন্থী নেতা, বিশিষ্ট সমাজ সেৱক, শিক্ষাবিদ দুৰ্গা বৰা (৯০)ৰ আজি দুপৰীয়া নিজ বাসগৃহত মৃত্যু হয়। বয়োজ্যেষ্ঠ সমাজ সেৱকজনে ক’ভিডত আক্ৰান্ত হৈ হোম আইছ’লেছনত থকা অৱস্থাতে আজি দুপৰীয়া ১২-৩০ বজাত মৃত্যু হয়। সাতটা দশক ধৰি গহপুৰ তথা বৃহত্তৰ ছয়দুৱাৰ অঞ্চলৰ সামাজিক, শৈক্ষিক আৰু ৰাজনৈতিক ক্ষেত্ৰত নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াইছিল। এটি কৃষক পৰিয়ালৰ সন্তান বৰাই কঠোৰ জীৱন সংগ্ৰামত অৱতীৰ্ণ হৈ যোৰহাটৰ জগন্নাথ বৰুৱা কলেজৰ পৰা সুখ্যাতিৰে স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত গহপুৰত প্ৰগতিশীল চিন্তাধাৰাৰ বিস্তাৰ কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰাৰ লগতে চিপিআই দলৰ ৰাজ্যিক পৰ্যায়ৰ নেতাৰূপে গহপুৰৰ পৰা বিধানসভাৰ নিৰ্বাচনত অৱতীৰ্ণ হৈছিল। দুবাৰকৈ তেজপুৰ মহকুমা পৰিষদৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱা বৰাই বাকৰী দলনি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যৰূপে নিৰ্বাচিত হৈছিল। শিক্ষাবিদৰূপেও বৰা সুপৰিচিত আছিল। বালিজানস্থিত বৰ্তমানৰ জ্যোতি আগৰৱালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষকৰূপে শিক্ষাদান কৰি বৰাই বিদ্যালয়খন আগবঢ়াই নিয়াত বলিষ্ঠ ভূমিকা গ্ৰহণ ছয় পৃষ্ঠাত চাওক

## চামগুৰি ভগামূৰত গৰু চোৰ ধৃত

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ১৪ মে’ ঃ** নগাঁও জিলাৰ মোৱামাৰী আৰক্ষী চকীৰ অন্তৰ্গত ভগামূৰত চুৰি গৰুসহ এজন চোৰক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। যোৱা ১২ মে’ত বৰমা বিলাৰ আব্দুল হামিদ নামৰ লোকজনৰ দুজনী গাই গৰু চুৰি হৈছিল। গৰু চুৰি সন্দৰ্ভত আব্দুলে মোৱামাৰী আৰক্ষী চকীত এখন এজাহাৰ দিয়ে। চুৰি ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত চলাই থকাৰ সময়তে আজি দুপৰীয়া ভগামূৰত ছাইদুল ইছলাম (২২) নামৰ লোকজনে নিজৰ ঘৰত এজনী চুৰি গৰু কাটি থকাৰ সময়তে একাংশ লোকে লোকজনক কৰায়ত্ত কৰে। পৰৱৰ্তী ছয় পৃষ্ঠাত চাওক

## মোৱাঝাৰত হত্যাৰ গোচৰত গ্ৰেপ্তাৰ হোৱা গাঁওবুঢ়াক জেল হাজোতলৈ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ১৪ মে’ ঃ** ভাগিনীয়েকক অশ্লীল ইংগিত দিয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ গৈ দুষ্কৃতিকাৰীৰ হাতত প্ৰাণ হেৰুওৱা আব্দুল বাচিত হত্যা গোচৰৰ অভিযুক্ত চৰকাৰী গাঁওবুঢ়াক আজি মোৱাঝাৰ আৰক্ষীয়ে হোজাই শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰোৱাত আদালতে জেল হাজোতলৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে মোৱাঝাৰ আৰক্ষী থানাত তথা চৌধুৰী বজাৰ আৰক্ষী চকীৰ অধীনস্থ অকচেক গাঁৰৰ আব্দুল বাচিতক যোৱা ১২ মে’ৰ সন্ধিয়া এটা দলে মৰিয়াই হত্যা কৰিছিল। উক্ত ঘটনা সন্দৰ্ভত আব্দুল বাচিতৰ পত্নী নজমা বেগমে দিয়া এজাহাৰৰ ভিত্তিত মোৱাঝাৰ আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ১৪৭/৩০২/৩২৫ ধাৰাত ২২৩/২১ নম্বৰ এক গোচৰ পঞ্জীয়ন কৰি তদন্ত আৰম্ভ কৰে। অভিযুক্ত বৰবালি গাঁৰৰ চৰকাৰী গাঁওবুঢ়া ফইজ উদ্দিনক কালি গ্ৰেপ্তাৰ কৰে।তদন্তকাৰী আৰক্ষী বিষয়াই হত্যাকাণ্ডত জড়িত বাকী অভিযুক্তকেইজনৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে যদিও অভিযুক্তকেইজন সম্প্ৰতি পলাতক অৱস্থাত আছে।

## পাগলাদিয়াত অবৈধ শিল-বালি খননৰ প্ৰতিবাদ ৰাইজৰ



**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ১৪ মে’ ঃ** বন বিভাগৰ জ্ঞাতসাৰেই বাগ্‌সা জিলাৰ সোঁমাজেদি বৈ যোৱা পাগলাদিয়া নৈত চলি থকা শিল-বালিৰ অবৈধ খননৰ বিৰুদ্ধে আজি ওলাই আহে ৰাইজ। উল্লেখ্য যে জিলাখনৰ বাটাবাৰী ৰেঞ্জৰ অধীনৰ ঝাৰবস্তি অঞ্চলৰ পাগলাদিয়া নদীত একাংশ অসাধু চক্ৰই দিনে-নিশাই শিলা, বালি আদিৰ অবৈধ খনন চলাই এক ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। এই অবৈধ খনন এইদৰে অব্যাহত থাকিলে বৃহৎ অঞ্চলটোত ভৱিষ্যতে বাপানীৰ লগতে উল্টাখান্দাৰ সৃষ্টি হোৱাৰ আশংকা প্ৰকাশ কৰি স্থানীয় ৰাইজে কে’বাবাৰো চক্ৰটোক সকীয়াই আহিছিল যদিও খনন কাৰ্য বন্ধ নকৰাত আজি ৰাইজ অতিষ্ঠ হৈ ওলাই আহে। অঞ্চলটোৰ সোনাজুলি, ঝাৰবস্তি, জালাবস্তি, খাজিজামাটি, খৌৰজুলি আদি গাঁৰৰ লোকসকলে অবৈধ খননৰ বিৰুদ্ধে ওলাই আহি খনন কাৰ্য বন্ধ কৰিবলৈ প্ৰশাসনক দাবী জনায়। প্ৰশাসনে এই অবৈধ খনন কাৰ্য শীঘ্ৰে বন্ধ নকৰিলে কৃষি প্ৰধান অঞ্চলটোত অনাগত দিনত কৃষি খণ্ডত বিৰূপ প্ৰভাৱ পৰিব বুলিও পূৰ্বাঞ্চলিক বান্ধ কমিটীয়ে আশংকা প্ৰকাশ কৰে। সেয়েহে আজি ঝাৰবস্তিৰ পাগলাদিয়া নদীৰ পাৰতে আঠ নম্বৰ ছয় পৃষ্ঠাত চাওক

## হোজাইত প্ৰচণ্ড ধুমুহাত ৪০টা বাসগৃহৰ ক্ষতি



**অগ্ৰদূত বাৰ্তা**
**হোজাই/যমুনামুখ, ১৪ মে’ ঃ** হোজাই জিলাৰ বিভিন্ন প্ৰান্তত আজি বিয়লি অহা প্ৰৱল ধুমুহা আৰু শিলাবৃষ্টিত আতংকিত হৈ পৰে স্থানীয় ৰাইজ। ধুমুহাই বিস্তৰ ক্ষতিসাধন কৰে জিলাখনৰ বিভিন্ন প্ৰান্তত। এই ধুমুহাত বিধ্বস্ত হয় ৪০টাকৈ বাসগৃহ। হোজাইৰ নীলবাগান, ইছলামনগৰ, তাৰকাটা, জয়ন্তীয়াবস্তি, শিংগিৰপাৰ, ৰাইকাটা, কোমোৰাকটা, হোজাই চহৰ আদি অঞ্চলত ধুমুহাই বিস্তৰ ক্ষতিসাধন কৰে। ধুমুহাই উৰুৱাই নিয়ে প্ৰায় ৩০টা ঘৰৰ টিনপাত, সা-সামগ্ৰী আদি। ধুমুহাত বাগৰি ছয় পৃষ্ঠাত চাওক

## সোণাপুৰৰ চিকিৎসালয় পৰিদৰ্শন স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ১৪ মে’ ঃ** নৱনিৰ্বাচিত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আজি বিয়লি সোণাপুৰৰ জিলা তথা ক’ভিড চিকিৎসালয় পৰিদৰ্শন কৰে। চিকিৎসালয়ত উপস্থিত হৈ মন্ত্ৰী মহন্তই চিকিৎসক-নাৰ্ছৰে মত-বিনিময় কৰাৰ লগতে চিকিৎসালয়খনৰ পৰিস্থিতিৰ বুজ লয়। তেওঁ চিকিৎসালয়খনত থকা ক’ভিড কেন্দ্ৰৰ আইচিইউ কক্ষও পৰিদৰ্শন কৰে। পাছত সাংবাদিকৰ আগত স্বাস্থ্যমন্ত্ৰী মহন্তই গুৱাহাটীত অচিৰে এখন তিনিশখন বিছনাযুক্ত চিকিৎসালয় নিৰ্মাণ কৰা হ’ব বুলি প্ৰকাশ কৰে। তাৰ বাবে ছয় পৃষ্ঠাত চাওক

## কৃষক সভাৰ ৰাজ্যিক সভাপতি ফজলুৰ ৰহমানৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**
**সৰুপেটা, ১৪ মে’ ঃ** যোৱা নিশা ৯-৪০ বজাত গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত অসম ৰাজ্যিক কৃষক সভাৰ সভাপতি ফজলুৰ ৰহমানৰ মৃত্যু হোৱাত আজি চি পি আই (এম) দলৰ ভৱানীপুৰ আঞ্চলিক কমিটীয়ে শোক প্ৰকাশ কৰিছে। চাৰিজন পুত্ৰৰ উপৰি পত্নীক ইহসংসাৰত এৰি যোৱা কৃষক সভাৰ ৰাজ্যিক সভাপতিজনৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭২ বছৰ। উল্লেখ্য যে কৰ’নাত আক্ৰান্ত হৈ ১০ দিন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত থকা কৃষক সভাৰ ৰাজ্যিক সভাপতিজন কৰ’নাৰ পৰা সুস্থ হৈ উঠাৰ পাছত চিকিৎসালয়ৰ পৰা যাবলৈ ছয় পৃষ্ঠাত চাওক

## মৰিগাঁৱত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ১৪ মে’ ঃ** যোৱা নিশা মৰিগাঁৱত এক পথ দুৰ্ঘটনাত এজন লোকৰ থিতাতে মৃত্যু হোৱাৰ লগতে আন এজন লোক আহত হয়। মৰিগাঁও এ পি ডি চি এলৰ কৰ্মচাৰী সাগৰ ৰাজকুমাৰ আৰু নিউটন ৰাজকুমাৰে কৰ্তব্য শেষ কৰি মটৰ চাইকেলৰে গৈ থকা অৱস্থাত মৰিগাঁও জিলাৰ দলবাৰী তিনিআলিত আৰক্ষীয়ে দিয়া বেৰিকেডত খুন্দা মৰাৰ ফলত সাগৰ ৰাজকুমাৰ ঘটনাস্থলীতে মৃত্যু হয়। তেওঁৰ স’তে যোৱা নিউটন আঘাতপ্ৰাপ্ত হয়। যোৱা ১২ মে’ত সেই ঠাইতে হোৱা এক ভয়ংকৰ দুৰ্ঘটনাত ছয় পৃষ্ঠাত চাওক

## লেতেৰী সুঁতিৰ শ শ হেক্টৰ মাটি বেদখল



**তাহানিৰ বোঁৱতী সুঁতিক বান্ধ দি অসংখ্য পুখুৰীৰ সৃষ্টি কৰিলে ঃ বেদখলী মাটিতেই ঘৰ সাজিছে, খেতি কৰিছে**

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৪ মে’ ঃ** নগাঁও জিলাৰ এক বৃহত্তৰ অঞ্চলৰ কৃষি অৰ্থনীতিত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা লেতেৰী সুঁতি বেদখলকাৰীৰ কৱলত পৰি মৃত্যুমুখত পৰিছিল। উল্লেখ্য যে এসময়ত নগাঁও জিলাৰ চামগুৰিৰ পৰা ধিং পৰ্যন্ত বৈ আছিল লেতেৰী সুঁতি। জিলাখনৰ লেতেৰীপৰীয়া ৰাইজৰ বহু ইতিহাসৰ সাক্ষী এই লেতেৰী সুঁতিয়ে কৃষি অৰ্থনীতিৰ লগতে জৈৱ-বৈচিত্ৰ্যৰ ওপৰতো বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল। কিন্তু তাহানিৰ বোঁৱতী লেতেৰী সুঁতিৰ সম্প্ৰতি অস্তিত্বই নাইকিয়া হৈ পৰিছে। জিলাখনৰ চামগুৰি, ৰূপহী আৰু ধিং ৰাজহ চক্ৰৰ হেজাৰ হেজাৰ কৃষক ৰাইজৰ বাবে এসময়ত আশীৰ্বাদ স্বৰূপ লেতেৰী সুঁতিত চলা অবাধ বেদখলে সুঁতিটোৰ অস্তিত্ব প্ৰায় নাইকিয়া কৰিছে। একাংশ লোকে সুঁতিটোৰ মাজে মাজে প্ৰকাণ্ড প্ৰকাণ্ড বান্ধ দি ইয়াক পুখুৰীৰ ৰূপ দিয়াৰ লগতে সুঁতিটো পুতি তাৰ ওপৰতেই একাংশ লোকে ঘৰ-দুৱাৰ পৰ্যন্ত সাজি বসবাস কৰি থকাও পৰিলক্ষিত হৈছে। বোঁৱতী সুঁতিৰ মাজে মাজে ছয় পৃষ্ঠাত চাওক

### শ্ৰীৰামপুৰ ক’ভিড পৰীক্ষা কেন্দ্ৰ পৰিদৰ্শন উপায়ুক্ত-মহকুমাধিপতিৰ

## কোকৰাঝাৰ জিলাত ক’ভিডে ভয়াৱহ ৰূপ ধাৰণ কৰা নাই



**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ/দোতমা/ফকিৰাগ্ৰাম, ১৪ মে’ ঃ** বহিঃৰাজ্যৰ পৰা বিভিন্ন যানবাহনেৰে অসম তথা উত্তৰ-পূবলৈ অহা লোকৰ ক’ভিড পৰীক্ষাৰ বাবে স্থাপন কৰা অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰস্থিত ক’ভিড পৰীক্ষা কেন্দ্ৰ আজি পৰিদৰ্শন কৰে কোকৰাঝাৰ জিলা উপায়ুক্ত ভাস্কৰ ফুকন আৰু গোসাঁইগাঁৱৰ মহকুমাধিপতি পল্লৱী সৰকাৰে। জিলা আৰু মহকুমা প্ৰশাসনৰ বৰমূৰীয়াদ্বয়ে ক’ভিড পৰীক্ষা কেন্দ্ৰটোৰ ইমূৰৰ ছয় পৃষ্ঠাত চাওক



# নিৰ্বাচনৰ ফলাফলে কি বাৰ্তা বহন কৰিলে?

## ৰাষ্ট্ৰীয়তাবাদক বিৰোধিতা কৰি আঞ্চলিকতাবাদ বৰ্তাই ৰখা সম্ভৱ নহয়



যি বুজিছো

কৈলাশ চন্দ্ৰ শৰ্মা

**দেশৰ** চাৰিখন ৰাজ্যৰ বিধান সভা আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ নিৰ্বাচনী ফলাফল ঘোষণা কৰা হৈছে। সেই অনুযায়ী তামিলনাডু আৰু কেৰেলাত বিজেপি শূন্য হোৱাৰ বিপৰীতে পুডুচেৰীত অন্য এটা দলৰ লগ লাগি বিজেপিয়ে চৰকাৰ গঠন কৰিব পাৰিব। পশ্চিম বংগত বিজেপি প্ৰধান বিৰোধী দল হিচাপে আত্মপ্ৰকাশ কৰাৰ বিপৰীতে কংগ্ৰেছ আৰু বাওপন্থী সম্পূৰ্ণ শূন্য। সদ্য সমাপ্ত বিধানসভাৰ নিৰ্বাচনৰ ফলাফল বিশ্লেষণ কৰিলে দেখা গৈছে যে প্ৰথম, অসমৰ বাহিৰে অন্য ৰাজ্যত ধৰ্মই আধিপত্য পোৱা নাই কিয়নো সেইবোৰ ৰাজ্যত ৯০ শতাংতকৈও অধিকলোকৰ মাতৃভাষা একে হোৱা কাৰণে ধৰ্মতকৈ ভাষাকেন্দ্ৰিক আবেগ অধিক শক্তিশালী বুলি বিবেচিত হৈছে। পশ্চিমবংগত ধৰ্মক প্ৰাধান্য দিবলৈ চেষ্টা কৰা হৈছিল যদিও সৰহ সংখ্যকৰে মাতৃভাষা একে হোৱা কাৰণে এইটো বিফল হৈছে। দ্বিতীয়তে, অসমত ৭৫ শতাংশ লোকে অসমীয়াক সংযোগী ভাষা হিচাপে ব্যৱহাৰ কৰে যদিও ভাষাভিত্তিক জনসংখ্যা কাৰো ক্ষেত্ৰতেই ৫০ শতাংশতকৈ অধিক নোহোৱা কাৰণে ভাষাক আধাৰ হিচাপে লৈ শাসনত অধিষ্ঠিত হোৱা সম্ভৱ নহয় কাৰণে ধৰ্মভিত্তিক একতাৰ গত্যন্তৰ নাই বুলি অনুভৱ হৈছে। তৃতীয়তে, অসমত মুছলমান জনসংখ্যা ৩৪ শতাংশ! মুছলমান জনসংখ্যাৰ ক্ষেত্ৰত কাশ্মীৰৰ পিছতে অসম দ্বিতীয় জনবহুল ৰাজ্য। ইছলামে ধৰ্মীয় কাৰণত অন্য ধৰ্মক মান্যতা প্ৰদান নকৰে। ইছলামত জাতি বা ভাষা কেন্দ্ৰিক বিভেদ কম কাৰণে মুছলমানৰ একতা দেখি ঠাই বিশেষে হিন্দু সকলেও নেতৃত্ববিহীনভাৱে নিৰ্বাচনৰ সময়ত সাময়িক সংগঠিত ৰূপ প্ৰদৰ্শন কৰাটো নিৰ্বাচনী ফলাফলত স্পষ্ট হৈছে। পঞ্চাছৰ দশকৰ পৰাই কংগ্ৰেছে জনসংঘৰ নেতা সকলক বিভিন্ন সা-সুবিধা দি খুৱাইবুৱাই ৰাখিছিল যাতে এওঁলোকক দেখুৱাই সময়ত মুছলিম ভোট হস্তগত কৰিব পাৰে। এই পৰম্পৰা পিছৰ পৰ্যায়ত বিজেপিলৈও সম্প্ৰসাৰিত হৈছিল আৰু চৰকাৰ চলোৱাৰ টেন্সন লোৱাতকৈ এটা ভোটত বাজপেয়ী নেতৃত্বধীন কেন্দ্ৰীয় চৰকাৰে পদত্যাগ কৰি নিজকে সৎ দেখুৱাটো বেছি লাভজনক বুলি বিবেচনা কৰিছিল। কিন্তু মোদীয়ে কংগ্ৰেছৰ এনে সা-সুবিধা প্ৰত্যাখান কৰি চৰকাৰ চলোৱাৰ উদ্দেশ্যে মূল চকীখন আজুৰি আনিবলৈ সক্ষম হৈছিল। ইয়াৰ পাছত একো উপায় নাপায় কংগ্ৰেছে মুছলিম দলবোৰৰ লগ লাগি বিজেপি মাৰাত্মক বুলি মুছলিম ভোট লৈ থকাৰ বিপৰীতে বিজেপিৰ নেতাই বদৰউদ্দিন মুখ্যমন্ত্ৰী হ'ব বুলি ৰাইজক ভয় খুৱাই নিজে মুখ্যমন্ত্ৰীৰ আসনখনত বহি পৰাটো নিৰ্বাচনৰ ফলাফলত প্ৰতিফলিত হৈছে। চতুৰ্থতে, ৰাজ্য চৰকাৰৰ সাহায্যমূলক আঁচনিসমূহ কোনোধৰণৰ ধৰ্মীয় ভেদাভেদ নকৰাকৈ সকলোকে আগবঢ়োৱা সত্বেও মুছলমান ভোটাৰে বিজেপিক ভোট নিদিয়া বুলি প্ৰকাশ পাইছে। গতিকে বিজেপি মুছলমান বিৰোধী নে বিজেপিক ভোট দিব নালাগে বুলি ধৰ্মত শিকোৱা হৈছে কোৱা অসুবিধা। সঁচাটো যিয়েই নহওক, দুখীয়া মুছলমানেও সাহায্যৰ আশাত নিজৰ ধৰ্মীয় বিশ্বাসৰ পৰা যে আঁতৰি অহা নাই সেইটো প্ৰমাণিত হৈছে। এইবোৰ দেখি মুছলমানৰ ধৰ্মীয় নেতাই গৌৰৱবোধ কৰাৰ বিপৰীতে সৰহ সংখ্যক হিন্দুৱে এওঁলোক গোড়া বুলি কৈ হাত ধুই অৱসৰপ্ৰাপ্তৰ পৰা আৰম্ভ কৰি সকলোৱে ক'ত কি পদ পাব পাৰি তাৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱা দেখা গৈছে। হিন্দু চিন্তা-চৰ্চাত পদ প্ৰাপ্তিক মহত্ত্ব প্ৰদান কৰা হৈছে। পদে একো নথকা ব্যক্তিকো হিৰো বনোৱাৰ বিপৰীতে পদে ব্যক্তিক বিসৰ্জন দিয়াৰ দিনাই একোজন ব্যক্তি জিৰোলৈ পৰিৱৰ্তিত হোৱা দেখা গৈছে। সেয়েহে কোনে কেনেকৈ পদপ্ৰাপ্তি কৰিলে সেইটো বিবেচনা নকৰি উধাই মুধাই গামোছা পিন্ধোৱা কাৰণে সকলোৱে পদ প্ৰাপ্তি জীৱনৰ লক্ষ্যত পৰিণত হৈছে। ইয়াৰ বিপৰীতে মুছলমান সমাজত পদ অনুসৰি ব্যক্তিক গুৰুত্ব দিয়াৰ পৰিৱৰ্তে ধৰ্মীয় আচাৰ বিচাৰত কিমান বিশ্বাসী সেইটো বিবেচনা কৰিহে মান্যতা প্ৰদান কৰা হৈ আহিছে। নিৰ্বাচনৰ ফলাফলে ইছলাম কেন্দ্ৰিক সমাজ ব্যৱস্থা কিমান সু-সংগঠিত সেইটো প্ৰমাণিত হোৱাৰ বিপৰীতে হিন্দুসকল যে এতিয়াও সমাজ তথা নেতৃত্ব বিহীন, পৰিয়াল কেন্দ্ৰিক আওভাও বা চিন্তাৰ পৰা ওপৰলৈ উঠিবলৈ যে সক্ষম হোৱা নাই সেইটো স্পষ্ট হৈছে। পঞ্চমতে, এইবাৰ অসম বিধানসভাত ৩১জন মুছলমান বিধায়ক নিৰ্বাচিত হৈ আহিছে যদিও এওঁলোকৰ কোনজন অসমীয়া, কোনজন বঙালী জনাৰ উপায় নাই। ৩১জন মুছলমান বিধায়ক বিজয়ী হৈছে মানে ৰাজ্যখনৰ ৩১ টা সমষ্টিত মুছলমান ভোটাৰ ৪৫%তকৈ ওপৰত আছে; কিয়নো হিন্দু ভোটৰ বিভাজনৰ ফলত কোনো মুছলমান প্ৰাৰ্থীয়ে জয়লাভ কৰা নাই। ইয়াৰ উপৰিও অন্য ৮টা সমষ্টিত মুছলমান ভোটাৰ প্ৰায় সংখ্যাগৰিষ্ঠ হোৱা সত্বেও হিন্দু প্ৰাৰ্থী বিজয়ী হৈছে। সেই কেইটা হ'ল বটদ্ৰৱা, বকো, দক্ষিণ অভয়াপুৰী, ভৱানীপুৰ, বৰক্ষেত্ৰী, মঙলদৈ, ৰহা আৰু নাওবৈচা। ইফালে কোকৰাঝাৰ পশ্চিম আৰু গোসাঁইগাঁও সমষ্টিত ৩৫% মুছলমান ভোটাৰে একচেতীয়াভাৱে বিপিএফক ভোট দিয়াত বিজেপিৰ সহযোগী ইউ পি পি এলৰ প্ৰাৰ্থীজন এইবাৰৰ নিৰ্বাচনত আটাইতকৈ ধনী প্ৰাৰ্থী হোৱা সত্বেও বিজেপিৰ সহযোগী হোৱা বাবেই পৰাজিত হ'ব লগা হোৱা বুলি চৰ্চিত হৈছে। গতিকে ধনী হ'লেই যে শক্তিশালী হ'ব নোৱাৰে আৰু ধন কমকৈ থাকিলেও নিজৰ মাজত বুজাবুজি থাকিলে যে যুদ্ধ জয় কৰিব পাৰি সেইটো প্ৰমাণিত হৈছে। আজিৰ তাৰিখত অসমৰ ৪০টা সমষ্টিত সংখ্যালঘু সংখ্যাগুৰু হৈছে। এতিয়া আৰু কেইটামান সমষ্টিত নিজৰ জনসংখ্যা বঢ়াব পাৰিলে এওঁলোক যে শাসনলৈ অহাৰ পথ মুকলি হ'ব সেইটো এওঁলোকৰ পৰিকল্পনাৰ অন্তৰ্গত যদিও চিন্তা-চৰ্চা সাম্প্ৰদায়িক বুলি কোৱা অসুবিধা যেতিয়ালৈকে পদ্ধতি আইন বিৰুদ্ধ নহয়। নিজৰ জাতি, ধৰ্ম বা গোষ্ঠীৰ উন্নতি বা সুৰক্ষাৰ বাবে কাম কৰাটো সাম্প্ৰদায়িক নহয় যেতিয়ালৈকে নিজৰ দুৰৱস্থাৰ বাবে অন্যক জগৰীয়া কৰি বক্তব্য কৰা নহয়। ব্ৰাহ্মণ সকল দুখীয়া সেয়েহে সংৰক্ষণৰ আওতালৈ আহিব লাগে বুলি ক'লে সাম্প্ৰদায়িক নহয়, কিন্তু ইয়াৰ পৰিৱৰ্তে অন্য কোনোবাই কম নম্বৰ পায় ভাল ভাল চাকৰিবোৰ হস্তগত কৰা বুলি ক'লে সাম্প্ৰদায়িক বক্তব্য বুলি বিবেচিত হ'ব। ভেড়া ছাগলীয়ে যেনেকৈ বিপদৰ সময়ত পলাব লাগে বুলি জানে ঠিক তেনেদৰে হিন্দুসকলেও বিপদৰ আগজাননী পালে পলোৱাৰ চেষ্টাত থাকে। সকলো জনাৰ পাচতো হিন্দুসকল সংখ্যাগুৰু হৈ থকাৰ কোনো পৰিকল্পনা নাই। কোনোবা হিন্দুত্ববাদী নেতাই নিজাববীয়াকৈ তথা হুৰমূৰকৈ অন্য দেশৰ অমুছলমানক আনি হ'লেও সংখ্যাগুৰু হৈ থাকিব বিচাৰে যদিও ধৰ্মৰ কথা কৈ আনিব খোজাৰ পৰিৱৰ্তে ধৰ্মীয় নিৰ্যাতনৰ বলি হৈ অহা যিকোনো লোকক অনা হ'ব বুলি কোৱা হ'লে হয়তো আপত্তিৰ থল নাথাকিলেহেতেঁন। এইটো তেওঁলোকে নজনা নহয়, কিন্তু হিন্দু শব্দকৈ কাৰোবাক ধমকি দিব বিচৰাৰ লগতে কাৰোবাক সন্তুষ্টি কৰি মানুহৰ চিন্তাক ভোটলৈ পৰিৱৰ্তন কৰিব বিচাৰিছে। ভোট নোপোৱা কাম এওঁলোকে কেতিয়াও কৰিব নিবিচাৰে। ষষ্ঠতে, অসমত আঞ্চলিকতাবাদৰ প্ৰয়োজনীয়তা আছে যদিও নেতাৰ অদূৰদৰ্শী চৰিত্ৰই জাতিটোক বিপদত পেলোৱাৰ সম্ভাৱনা দেখা গৈছে। ৰাষ্ট্ৰীয়তাবাদক বিৰোধিতা কৰি আঞ্চলিকতাবাদ বৰ্ত্তাই ৰখা সম্ভৱ নহয়। অসমৰ সংযোগী ভাষা অসমীয়া বুলি যিহেতু সকলোৱে মানি লৈছে, সেয়েহে ৰাষ্ট্ৰীয়তাবাদৰ জৰিয়তে আঞ্চলিকতাবাদৰ সপক্ষে কাম কৰাৰ গত্যন্তৰ নাই। হিন্দুত্বই অসমীয়াক একো নিদিয়ে, কিয়নো দিল্লীয়ে বঙালী, বিহাৰী, মাৰোৱাৰীক অসমীয়াতকৈ ওপৰ খাপৰ হিন্দু বুলি ভাবে বা সেইটো নোহোৱাও নহয়। অসমীয়াৰ হিন্দুত্ববাদ এক সাময়িক চিন্তা হোৱা উচিত যিহেতু ই মাটি-ভেটি-সংস্কৃতিৰ সুৰক্ষাৰ লগত জড়িত। এবাৰ সুৰক্ষাৰ নিশ্চয়তা পালে অসমীয়াত্বক আগুৱাই নি জাতিক সুদৃঢ় কৰাৰ বিকল্প নাই। সপ্তমতে, অখিল গগৈয়ে একে সময়তে সকলোৰে লগত গোপন বুজা-বুজি কৰি নিজৰ স্থিতি সুদৃঢ় কৰিব পৰাটো অন্যতম তাৎপৰ্যমূলক দিশ বুলি নিৰ্বাচনী ফলাফলে স্পষ্ট কৰিছে। জেলত থাকিব লগা ব্যক্তিয়ে কি বেমাৰৰ অজুহাতত যোৱা দহমাহে হস্পিতালত থাকি বিভিন্নজনৰ লগত মুকলি কৈ নিৰ্বাচনী বৈঠক কৰাৰ সুবিধা পোৱাৰ পাছতো কোনোৱে ইয়াৰ বিৰুদ্ধে মাত এষাৰ নামাতিলে। নিৰ্বাচনত বিজয়ী হৈ বেমাৰীৰ ভাও পৰিহাৰ কৰি হস্পিতালতে যিধৰণে মিঠাই বিলালে নেদেখিলে বিশ্বাস নহয়। শিৱসাগৰ সমষ্টিত কাক সাৰথি কৰি তেওঁ নিৰ্বাচনত অৱতীৰ্ণ হৈছে সেইটো সকলোৱে দেখিছে। কংগ্ৰেছে নাম নুশুনা ব্যক্তিক কি স্বাৰ্থত শিৱসাগৰত প্ৰাৰ্থিত্ব দিছে বা বিজেপিয়েও যোৱাবাৰৰ পৰাজিত গৰাকীকে আকৌ এবাৰ অৱতীৰ্ণ কৰাইছে সেইবোৰ সকলো এতিয়াও ৰহস্যাবৃত্ত। নাওবৈছা আৰু ভৱানীপুৰত ইউ ডি এফে কি পৰিকল্পনা অনুসৰি নিজৰ বিধায়কক টিকট নিদি কাক সহায় কৰিব খুজিছিল বুজাই বুজিছে। ইয়াৰ বিপৰীতে আত্মগৌৰৱী উচ্চকাংক্ষী লুৰিন জ্যোতিক সতীৰ্থই গছত উঠাই দি কেনেকৈ গছ কাটি দিলে সেইটো নিশ্চয় এতিয়া অজনা হৈ থকা নাই। শদিয়া, ধেমাজী, নাহৰকতীয়া, দুলিয়াজান, হাজোকে আদি কৰি কেইবাটাও সমষ্টিত নিজৰ নাক কাটি হ'লেও সতিনীৰ যাত্ৰা ভঙ্গ কৰাৰ উপৰিও পৰকীয়াৰ হাত উজান সফলতা অৰ্জন কৰাটো সকলো বিফলতাৰ মাজত অন্যতম সফলতা বুলি চিহ্নিত হৈছে। নিজৰ স্বাৰ্থত আঞ্চলিকতাবাদক বিক্ৰী কৰা নেতা হয়তো এই অসমভূমিত দ্বিতীয়জন নোলাব বুলি নিৰ্বাচনৰ ফলাফলে স্পষ্ট কৰিছে।

*লেখক গুৱাহাটী উচ্চ ন্যায়লয়ৰ অধিবক্তা*

*ফোন ঃ ৬০০১৬৭৫২২৩*

# হাউছ ডেট-অফছাইড ষ্টেডিয়ামত!

আক্ৰামূল ইছলাম

**একেবাৰে** অমিল শিৰোনাম তথাপি ৰস দিবলৈ চেষ্টা কৰিছো যদিও জীৱিত মৃতসকলক সেৱাৰে। ১৯৭৫ত জনসংযোগত যোগদান কৰাৰ আগতেও ষ্টেডিয়ামত অশেষ কষ্ট কৰি টিকট সংগ্ৰহ কৰিও বৰদলৈ ট্ৰফী চাইছিলো। দুবাৰমান আমানুল্লা আৰু আব্দুল হাবিদে পাছৰ ব্যৱস্থা কৰিছিল। ১৯৭৫ৰ পৰা গৃহমন্ত্ৰী আৰু পুলিন দাসৰ আশীৰ্বাদত সেই কষ্টও দূৰ হ'ল— প্ৰেছ গেলাৰীৰ নিয়মীয়া দৰ্শক হৈ পৰিলো।

ইংলেণ্ড টিম আহিল ৭৫-৭৬ত। মই হ'লো জনসম্পৰ্কৰক্ষী বিষয়া যদিও ভতুৱা ইংৰাজী কওঁ। টনী গ্ৰেগ-কেন বেৰিংটন, বব উইলিচ, ডেৰেক ৰেণ্ডেলৰ দৰে খেলুৱৈক, ৰয়টাৰ এ এফ পি, বি বি চি লণ্ডন টাইমছৰ সাংবাদিকৰ সান্নিধ্য লাভ কৰিলো। পূৰ্বাঞ্চলক বেট ধৰিবলৈ দিলে যদিও তিষ্ঠিবই নোৱাৰিলে। গেলাৰীত ঠাই নাই। উইলিচৰ বলত অম্বৰ ৰয়ৰ দুটা ষ্টাম্প দুই টুকুৰা হ'ল। ডেৰেক ৰেণ্ডেলে বুটলি আনি অম্বৰক দিলে নাচি-বাগি। অসমীয়া যুৱতীয়ে দৌৰি গৈ চুম্বন কৰিলে। বেৰিকেড নাছিল-পুলিনদা সচিব আৰু ট্ৰিবিউন কাকতৰ সাংবাদিক। বাতৰি প্ৰকাশিলে— সৰ্বভাৰতীয় পৰ্যায়ত খলকনি লাগিল। ভাৰতীয় ক্ৰিকেটে তেতিয়াৰ পৰাই তাঁৰ বেৰৰ ব্যৱস্থা কৰিবলৈ বাধ্য হ'ল।



১৯৮৩ত আহিল ৱেষ্ট ইণ্ডিজ, ডেকাহঁতে দিলে ভাবুকি। গৃহমন্ত্ৰী হিতেশ্বৰ শইকীয়াই এই প্ৰত্যাহ্বান গ্ৰহণ কৰি ষ্টেডিয়ামত খেল অনুষ্ঠিত কৰিলে। ৰাজকোষৰ ২৭ লাখ টকা ব্যয় কৰি নেহৰু ষ্টেডিয়ামৰ দৰ্শকক পেকেট লাঞ্চ দি বাহিৰত মাউণ্টেড পুলিচ ৰাখি দিলে। খেল সুকলমে হৈ গ'ল যদিও কেপ্টেইন ক্লাইভ লয়ডে খোচ এটা মাৰি জনসম্পৰ্কৰক্ষী বিষয়া প্ৰণৱ শইকীয়াক কৈ থৈ গ'ল— প্ৰস্ৰাৱাগাৰ আগত লৈ জীৱনত প্ৰথম ক্ৰিকেট খেলিলো। মই গৃহ আৰু ক্ৰীড়ামন্ত্ৰীক অৱগত কৰিলো। আজিৰ এই ষ্টেডিয়ামৰ শৌচাগাৰ হিতেশ্বৰ শইকীয়াৰ অৱদান। নৈশ ভোজ আছিল হোটেল বেলিভিউত। ধাৰা ভাষ্যকাৰ সুৰেণ ৰাম ফুকনে উত্তেজিত হৈ কৈ দিলে আজহাৰউদ্দিন বাওঁহতীয়া আৰু কপিলদেৱক স্পীনাৰ। শুধৰাই দিলে মেলকম মাৰ্শ্বালে। ৰসিকতা কৰিলে 'বাওনা' উইকেটকীপাৰ লগীয়ে। পুলিনদাৰ ভীষণ খং উঠিছিল যদিও লাহেকৈ ক'লে— চাই-চিতি ভাষণ দিব।

জনসংযোগৰ তেতিয়াৰ সঞ্চালক ভাৰত চন্দ্ৰ পাঠক যদিও ইণ্ডিয়া ৰীডাৰ নামেৰে খ্যাত। ৰসৰ ভঁৰাল যদিও ৰামধেনু যুগৰ সমালোচক সংবাদ মাধ্যমৰ কেন্দ্ৰবিন্দু যদিও ফুটবলত ভীষণ ৰাপ বৰদলৈ ট্ৰফী চাবই। অসম পুলিচ আৰু ইষ্ট বেংগলৰ খেলৰ দৰ্শক বহি আছে প্ৰেছ গেলাৰীত। নাৰায়ণ বৰা, কমলা নাথ, চন্দ্ৰমোহন গড্ডুৱে কিক কৰোতে ইণ্ডিয়া ৰীডাৰে পি টি আইৰ কাৰ্তিক বৰুৱাক কিক কৰি দিলে। কাষতে আছিল সাংবাদিক যদু কাকতি, চলন্তিকা দি আছিল সুৰেণ ৰাম ফুকন আৰু প্ৰেমধৰ শৰ্মাই। খেলৰ শেষত প্ৰেছ-গেলাৰীৰ পৰা নামি আহি লুলু হাজৰিকাৰ কেণ্টিনত চাহৰ আড্ডা। ফুকনে সুধিলে কমেণ্টেৰী কেনে পালে; পুলিনদাই ক'লে সুন্দৰ— ক'ত আছিল আপুনি কৰিডৰত। তেন্তে, তুমি বহুত চিঞৰিলা তলৰ চৰেই শুনিলে। আন এজনে ক'লে সত্যেন বৰাই ভাল চলন্তিকা দিয়ে— কোনেও নুবুজে। ইফালে গহীন-গম্ভীৰ ইস্কে আলম। সুৰেণ ৰাম ফুকনৰ ইংৰাজী চলন্তিকাও মানিব লাগিব।

ফটো সাংবাদিক বৰদলৈ ট্ৰফীত এজনেই— তৰণী বৰ্মন। ফৰেনচিকৰ ফটোগ্ৰাফাৰ গতিকে অবাধ গতি ফিল্ডত। ভাস্কৰ গাংগুলীয়ে ভিতৰৰ পৰা বলটো উলিয়াই আনিলে— ৰেফাৰী সুৰেণ ৰাম ফুকনে গ'ল হোৱা বুলি হুইছেল বজালে— নামানে ইষ্টবেংগলে। তৰণী বৰ্মনৰ ফটোৱে সলাই দিলে খেলৰ গতি। ইফালে, লাইনত বসন্ত সিং- ঘৰ মণিপুৰী বস্তি— আহি গ'ল বসন্ত সিঙৰ পক্ষ ইফালে, পুলিচক বেয়া পালেও অসম পুলিচ বুকুৰ কুটুম।

হিতেশ্বৰ শইকীয়া খেলুৱৈ নাছিল যদিও ক্ৰীড়াপ্ৰেমী— ফ্লাড লাইট, প্ৰেছ গেলাৰীৰ উন্নতিকৰণ উল্লেখযোগ্য বৰঙণি। অলিম্পিক খেল বাবে দীপংকৰক মাৰুতি গাড়ী আৰু ডেৰ কঠা মাটিও দিছিল। লগতে মনালিছা, তৈয়বুন নিছাক, অসমৰ ক্ৰীড়াৰ উন্নতিয়েই চিৰকাম্য আছিল। ক্ৰীড়া পেন্সন দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। ৰোহিতেশ্বৰ শইকীয়া স্বৰ্ণকাপত ভাৰতৰ বেডমিণ্টন তাৰকাৰ সমাবেশে ঘটাইছিল। তেতিয়াৰ পৰাই ওমৰ একছত্ৰী হৈ এতিয়াও আছে। অৱশ্যে জুনিয়ৰ চেম্পিয়নো হৈছিল। ৰসিকতাৰে সামৰিলো-ক্ষমা প্ৰাৰ্থনাৰে—

*ফোন ঃ ৯৪৩৫১০১৯৫২*

# কাল কৰ'না আৰু ট্ৰাক ড্ৰাইভাৰৰ জীৱন গাঁথা

মীনা তালুকদাৰ

**২০২১ৰ** ২৭ ফেব্ৰুৱাৰীৰ কথা। কলমটো হাতত তুলি লৈছো মাথোন। এনেতে এটি ফোন আহিল, চেভ নকৰা নম্বৰ। মাতটোও ধৰিব পৰা নাই। মই ৰিচিভ কৰি কোন আৰু ক'ৰপৰা কৈছে সুধিলো— তেওঁ ক'লে— 'মই নিপুন দাস, ট্ৰাক ড্ৰাইভাৰ, গোৱালপাৰাৰ মৰনৈত ঘৰ যদিও থাকো জালুকবাৰীৰ তেতেলীয়াত পত্নী আৰু এটি সন্তান লগত লৈ। আপুনিটো মোক দেখা নাই



বাইদেউ, অইন মানুহে মোক জুনিয়ৰ অমিতাভ বচ্চন বুলিয়ে কয়। বাইদেউ তিনিজন লিখকে মোৰ বিষয়ে কিছু আলোকপাত কৰিছে, আপুনিও ড্ৰাইভাৰৰ বিষয়ে একলম লিখকচোন, কিয় জানেনে বাইদেউ, কৰ'না কালত বেনপাৰ্টি, ঢুলীয়া, ওজাপালি, শিল্পী আদিক চৰকাৰৰ ফালৰ পৰা, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিগতভাৱেও সাহায্য আগবঢ়াইছে; কিন্তু দুৰ্ভগীয়া ড্ৰাইভাৰবিলাকৰ প্ৰতি কাৰো সহানুভূতি নেদেখিলো, আমালৈ কাৰো দৃষ্টি নপৰিল। সেয়েহে আক্ষেপেৰে আপোনাক অৱগত কৰিব বিচাৰিছো বাইদেউ, আমাৰো একোখন পৰিয়াল আছে। কৰ'না কালত আমাৰ পানীত হাঁহ নচৰা অৱস্থা হৈছিল, ভগৱানক কাকুতি কৰিছো, সেইদিন যেন আকৌ ঘূৰি নাহে। পিছে আমাৰ প্ৰতি চৰকাৰ বা কোনো সুহৃদ ব্যক্তি নোলাল। সেয়েহে আপোনাক অনুৰোধ কৰিছো, আপুনি লিখকচোন চৰকাৰলৈ...।'

'মই এজন ড্ৰাইভাৰ। প্ৰথমাৱস্থাত বাছ আৰু সৰু গাড়ী চলাইছিলো; কিন্তু এতিয়া ট্ৰাক চলাবলৈ লৈছো। দুখীয়া-নিচলা হৈ জন্মলাভ কৰিছো যেতিয়া চলিবতো লাগিব বাইদেউ।' এই অনুৰোধসূচক শব্দকেইটাই মোক আৱেগিক কৰি তুলিলে। মনতে ভাবিলো, সঁচাই কিয় এনেকুৱা দিন আহে মানুহৰ জীৱনলৈ।

জীৱনৰ গধুৰ দায়িত্ব মূৰ পাতি লৈ ড্ৰাইভাৰ কামত ব্ৰতী হয় জনগণৰ সুবিধা হওক বুলি। ঠুনুকীয়া জীৱনত নাজানে কোনেও কোন মুহূৰ্তত কি ঘটনা সংঘটিত হয়। মানুহ মাত্ৰেই আশাবাদী। বহু আশা বুকুত বান্ধি ইতিবাচক চিন্তা-ধাৰাৰে অগ্ৰসৰ হয় জীৱনৰ সংগ্ৰাম থলীলৈ। জীৱন মোহৰ তাড়নাত জীয়াই থকাৰ বাসনাত যিকোনো কাম কৰিবলৈ প্ৰস্তুত হয় মানুহে।

কিন্তু আমাৰ মানুহৰ কিছুমান ভুল ধাৰণা এইখিনিতে যে আমি সকলোতে শ্ৰেণী বিভাজন কৰো, যাৰ বাবে বিভিন্ন সংঘাত, মই বৰ ভাব, উচ্চ-নীচ, ধনী-দুখীয়া এই বিভেদকামী ধাৰণাই সমাজত তথা মানুহৰ মনত বিসম্বাদৰ সৃষ্টি কৰে। ডাঙৰ বা উচ্চস্তৰীয় লোকক দেখি সৰু বা নিম্নবৰ্গৰ লোকসকলক তুচ্ছ জ্ঞান কৰা, গুৰুত্ব নিদিয়া আমাৰ স্বভাৱ। এই ভাৱনাতেই মানুহৰ মানৱতাৰ শৃংখল চিঙি অমানৱীয়তালৈ গতি কৰে। আমাৰ ভুল ধাৰণা যে যিটো কাম সৰুৱ দ্বাৰা সম্পন্ন হয় তাত ডাঙৰৰ বা প্ৰয়োজনীয়তা কিহৰ?

হয় সঁচা কথা, আমি মই বৰ ভাৱ নকৰি সৰু বুলি ভবাসকললৈ মানৱতাৰ দৃষ্টিভংগীৰে তেওঁলোকৰ জীৱনশৈলীও অনুধাৱন কৰাটো অতি প্ৰয়োজন। এজন ড্ৰাইভাৰৰ কষ্ট, কৰ্তব্যনিষ্ঠাই জনগণক আনন্দ দিয়ে। সুখ-দুখৰ অনুভূতি তেওঁলোকৰ আছে, দুখ-ভাগৰ আছে, তেওঁলোকৰ একোটা পৰিয়াল আছে, হয়তো কাৰোবাৰ প্ৰেয়সীও থাকিব পাৰে, যিয়ে নতুন বছৰতে হওক বা জেন্মদিনতে হওক এপাহ গোলাপ হাতত গুজি দিবলৈ নাপাহৰে। দুখ-বেদনা সহিতে সুকোমল হৃদয় আছে তেওঁলোকৰ। সুখেৰে সংসাৰ গঢ়িবলৈ হাবিয়াস সকলোৰে। উৎসৱ-পাৰ্বণ, বিয়া-বিহুত বন্ধু-বান্ধৱ, আত্মীয়-কুটুম্বক সংগ দিবলৈ দূৰন্ত হেঁপাহ মনত পুহি ৰাখে; কিন্তু কৰ্তব্যৰ আৰু দায়িত্বৰ তাগিদাত তেওঁলোকে সকলো ত্যাগ কৰিবলগীয়া হয়। এইখিনিতে এটা কথা উল্লেখ নকৰি নোৱাৰিলো— এখন আগশাৰীৰ ব্যক্তিগত শিক্ষানুষ্ঠানৰ মুৰব্বী এগৰাকীয়ে কৰ্তব্যৰত ড্ৰাইভাৰ এজনক বিয়া খাই অহাত পাঁচ মিনিট পলম হোৱা বাবে পিছদিনাখন পুৱা আহি গাড়ীখন উলিয়াবলৈ ছাবি খোজাত তেওঁক নালাগে বুলি কৈ বিদায় দিলে। বেচেৰা বিনয়ী, নম্ৰ, কথাৰে মুহিব পৰা তামোল এখনকে নোখোৱা ড্ৰাইভাৰজনে হতাশ মনেৰে ঘৰলৈ উভতি গৈ আজিকোপতি স্থায়ীভাৱে কোনো শিক্ষানুষ্ঠানৰ বা ব্যক্তিগতভাৱেই হওক কোনো মালিকৰ গাড়ী চলোৱা নাই। ড্ৰাইভাৰৰ প্ৰতি কৰা এনেকুৱা ব্যৱহাৰে হৃদয়ৱান ব্যক্তিসকলক ব্যথিত কৰি নোতোলাকৈ নাথাকে। আকৌ ব্যৱহাৰিক দিশৰ পৰা গম পাই আহিছো যে বহুতো লোকে আভিজাত্যৰ ধামখুমীয়াত ড্ৰাইভাৰ ধৰি গাড়ীখন লৈ যায় বিয়া, উৎসৱ-পাৰ্বণ আদি অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ; কিন্তু ড্ৰাইভাৰজনক যে মাতি নি খুৱাব লাগে, সেইটো নকৰে।

শিক্ষকতা কৰা জীৱনত ড্ৰাইভাৰ সম্পৰ্কে প্ৰতিদিনৰ বহুত অভিজ্ঞতা মনৰ আঁচলত বান্ধি ৰাখিছো। চৰকাৰীভাৱেই হওক বা বেচৰকাৰীভাৱেই হওক শ্ৰম কৰি জীৱিকা নিৰ্বাহ কৰা ব্যক্তিসকলক বাদ দি কোনো মানুহে চলিব নোৱাৰে। তেওঁলোক কণাৰ লাখুটি স্বৰূপ। তেওঁলোকৰ জীৱনশৈলী সুকীয়া। তেওঁলোকক তুচ্ছ জ্ঞান নকৰি এধানিমান মৰম আৰু সহানুভূতিৰ দৃষ্টিৰেহে চোৱা সকলোৰে কৰ্তব্য। তেওঁলোকৰো আছে একোখন মহৎ হৃদয়। সেয়েহে তেওঁলোকক প্ৰেৰণা দিব লাগে।

ৰাৰ্ট্ৰাণ্ড ৰাছেলৰ মতে 'মানুহ প্ৰেমৰ দ্বাৰা অনুপ্ৰাণিত জ্ঞানৰ দ্বাৰা পৰিচালিত— এইটোৱেই হ'ল এটা ভাল জীৱন, এটা আদৰ্শনীয় জীৱনশৈলী।' সেয়েহে সঁচা অৰ্থত ক'বলৈ গ'লে নিপুন দাস অকল ড্ৰাইভাৰেই নহয়, প্ৰকৃতাৰ্থত এজন জ্ঞানৰ সাধক, জিজ্ঞাসা ভৰা এখন বিশাল অন্তৰৰ মানৰ দৰদী সুহৃদ ব্যক্তি। তেওঁৰ লগত থাকে দুখনকৈ বাতৰি কাকত, কিতাপেৰে ভৰা দুটা আলমাৰী। প্ৰতিদিনৰ বাতৰি কাকতৰ চুকে-কোণে থকা সকলো খবৰ একাণপতীয়াকৈ পঢ়ে আৰু মনত ৰাখে। সময়ত সেই কথাখিনি বিদ্বৎ মহলত, সাহিত্যিক, কবি, ঔপন্যাসিক আদিৰ লগত ফোন যোগেৰে বাৰ্তালাপ কৰে আৰু লেখকক শুভেচ্ছা দিবলৈ নাপাহৰে। তেওঁৰ মন-মগজু-জ্ঞান আৰু ৰসেৰে ভৰি আছে। তেওঁ যেতিয়া মোক বাতৰি কাকত পঢ়া আৰু দুটা আলমাৰী কিতাপেৰে ভৰি থকা কথাখিনি ফোন যোগেৰে অৱগত কৰিলে, তেতিয়া কথাখিনি শুনি মোৰ দুচকুৱে আনন্দাশ্ৰু নিগৰিলে। ভাবিলে আচৰিত লাগে! কিয়নো আজিকালি কিনিব পৰা মানুহ এজনেও বাতৰি কাকত আৰু কিতাপ এখন নিকিনে তেনে ক্ষেত্ৰত এজন ড্ৰাইভাৰ হৈ খাই-লৈ বাচি যোৱা পইচাখিনিৰে তেওঁ বাতৰি কাকত আৰু কিতাপ কিনি পঢ়ে। নিপুনৰ নিচিনা পঢ়ুৱৈ থাকিলে লেখকসকলেও উৎসাহ পায়, বেচোঁতাৱো দুই-চাৰি পইচা পায়। নিপুন দাসৰ দৰে হয়তো বহুতো ড্ৰাইভাৰ আছে, যিসকল সমাজৰ দৃষ্টিগোচৰ হোৱা নাই। লোকচক্ষুৰ পৰা তেওঁলোক বহু আঁতৰত আছে। তেওঁলোক হয়তো সেইবাবেই চৰকাৰৰ পৰা বা অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ সা-সুবিধাৰ পৰা বঞ্চিত হৈ আছে। এইসকল শ্ৰমজীৱীক যদি চৰকাৰে সুদৃষ্টিৰে চায়, তেনেহ'লে তেওঁলোকে সুশৃংখলভাৱে কাম কৰিবলৈ যথেষ্ট উৎসাহ-উদ্দীপনা পাব।

*ফোন ঃ ৮০১১৩৩১০২৫*

# ভূমিকম্প আৰু উত্তপ্ত জলীয় উদ্‌গীৰণ



অৱলোকন

অহল্যা গগৈ

**১৯৯৫ত** এই লেখিকাৰ আমেৰিকা ভ্ৰমণ কালত 'ৱায়োমিং' ষ্টেটত অৱস্থিত 'য়েল'ষ্টোন' ৰাষ্ট্ৰীয় উদ্যানত দেখা ভূ-তত্ত্বৰ বিষয়ে যি জ্ঞান আহৰণৰ অভিজ্ঞতা হৈছিল, সেই বিষয়ে লেখাই এই প্ৰৱন্ধৰ উদ্দেশ্য। আমেৰিকাৰ 'ওমাহা' চহৰ নিবাসী আমাৰ সৰু পুত্ৰ সমৰ গগৈৰ বাসভৱনত চাৰিমাহ থকাৰ সময়ত বিশ্বৰ সৰ্বপ্ৰথম আৰু সবাতোকৈ মনোৰম বুলি জনাজাত Yellow Stone National Park দৰ্শন কৰাৰ মানসেৰে আমি স্বামী-স্ত্ৰীয়ে পুত্ৰ-বোৱাৰীৰে স'তে যাত্ৰা কৰিছিলো ফৰকাল বতৰৰ দিন এটাত। বৰ বেছি দূৰণিবটীয়া নহ'লে ইয়াৰ মানুহে ওচৰৰ ৰাজ্যবোৰ নিজৰ গাড়ী চলায়েই ভ্ৰমণ কৰে। য়েল'ষ্টোন নেছনেল পাৰ্ক 'ৱায়োমিং' ষ্টেটৰ উপৰি কাষৰ 'মন্টানা' আৰু 'আইদাহো' ষ্টেটলৈকে বিয়পি আছে। প্ৰথমেই আমি 'আইদাহো' ষ্টেটৰ হোটেল এখনত থকা-মেলাৰ ব্যৱস্থা কৰি ল'লো। পিছদিনা নেছনেল পাৰ্কখনত সোমোৱাৰ আগতে তত্ত্বাৱধায়ক বিষয়াজনে আমাক বিস্ময়কৰ স্থানবোৰৰ সবিশেষ তথ্যসমূহৰ পুস্তিকা, ছবি আদি দিলে। এই ৰাষ্ট্ৰীয় উদ্যানখন দৰ্শন কৰি কেৱল ভ্ৰমণ উপভোগ কৰিবলৈ দিয়াই এওঁলোকৰ লক্ষ্য নহয়। প্ৰকৃতিৰ দৰ্শনীয় অৱদানবোৰ সংৰক্ষণ কৰাৰ লগতে পৰ্যটকে যাতে ইয়াৰ সকলো দিশ বৈজ্ঞানিক দৃষ্টিভংগীৰে বিচাৰ কৰি উদ্যানখনৰ উত্তপ্ত অঞ্চলটোৰ প্ৰত্নতাত্বিক দিশটোৰ বিষয়ে জ্ঞান অৰ্জন কৰিব পাৰে তাকেই ব্যাখ্যা কৰা হয়। এই বিশাল অঞ্চলটোৰ সৰোবৰ, নদী, জলপ্ৰপাত আৰু অৰণ্যভৰা পাহাৰীয়া মালভূমিটোৱেই য়েল'ষ্টোন অঞ্চল। যিবোৰ অঞ্চল বিজ্ঞানীসকলে পৰ্যবেক্ষণ কৰিছে, সেইবোৰ ঠাইলৈ পৰ্যটক যাব পৰাকৈ ৰাস্তা-ঘাট আদি সাজি দিয়া হৈছে। উত্তপ্ত অঞ্চলটো পৰ্যটকে নিৰাপদে দৰ্শন কৰিব পৰাকৈ অঞ্চলবোৰত মাইলজোৰা ঠেক আৰু চাপৰ কাঠৰ দলং আছে।

দলঙৰ মাজে মাজে জিৰাব পৰাকৈ চিৰিৰ লেণ্ডিঙৰ দৰে একোডোখৰ বহল ঠাইত বেঞ্চ পাৰি থোৱা থাকে। কাঠৰ দলং দিয়াৰ উদ্দেশ্য এয়ে যে প্ৰকৃতিৰ অৱদানবোৰ সংৰক্ষণ কৰাৰ অৰ্থে এইবোৰ স্থানত যাতে ভৰিৰ খোজ পেলোৱা নহয় আৰু কোনো বস্তু দলিয়াই দিয়া নহয়। এই বিষয়ে চোকা নিৰ্দেশ দিয়া থাকে। বিশাল উদ্যানখনৰ সাগৰ সদৃশ হ্ৰদটোক 'য়েল'ষ্টোন হ্ৰদ' বোলা হয়। পাহাৰীয়া মালভূমিটোৰ কেন্দ্ৰীয় স্থলৰূপে এই হ্ৰদৰ পৰাই ওলাইছে 'য়েল'ষ্টোন' নামৰ নদীখন নদীখনে ওখ-চাপৰ পৰ্বতৰ মাজেৰে বৈ দুটা জলপ্ৰপাত সৃষ্টি কৰিছে। ঠায়ে ঠায়ে উকা পাহাৰৰ দ কুৰু ভেদি বৈ যোৱা নদীখন পাৰৰ পৰা ৰিণিকি ৰিণিকি দেখা যায়। এই উকা থিয় গৰাবোৰ এহেজাৰ ফুট দ। থিয় গৰাবোৰত আমি দেখা পাইছিলো তৰপে তৰপে ৰঙচুৱা, হালধীয়া, ঈষৎ বগা আদি নানা ৰঙৰ শিলৰ গাঁথনি। এই ৰং বিৰং শিলৰ তৰপে ভূগৰ্ভত থকা বিভিন্ন মণিক শিলৰ জ্ঞান দিয়ে। থিয় গৰাবোৰক 'Grad Canyon' বোলা হয়। য়েল'ষ্টোন অঞ্চলটোত শ শ গৰম পানীৰ গেইজাৰ আৰু পানীৰ উহ আছে। বিখ্যাত 'Old faithful' গেইজাৰৰ দৰে (স্কুলৰ পাঠ্যপুথিত অল্ড ফেইথফুল গেইজাৰৰ কথা পঢ়িবলৈ পাইছিলো) নিয়মীয়া উদ্‌গীৰণ নহ'লেও প্ৰস্ৰৱন বাষ্পস্তম্ভ, আকাৰ আৰু স্থিতিকাল বিভিন্ন ধৰণৰ। কেতিয়া উদ্‌গীৰণ হয় আগতীয়াকৈ জনা নাযায়। কেতিয়াবা ভূমিকম্পৰ আগজাননী ৰূপেও গেইজাৰ হঠাৎ আৱিৰ্ভাৱ হয়। প্ৰকৃতিৰ এই উত্তপ্ত কৰ্মশালাত বছৰটোৰ ভিতৰত শ শ বাৰ সৰু-বৰ ভূমিকম্প হৈ থাকে। সূক্ষ্ম ভূ-কম্পনেও কেতিয়াবা এইবোৰৰ গুণগত চৰিত্ৰৰ পৰিৱৰ্তন ঘটায়। এই অঞ্চলটোক 'থাৰ্মেল অঞ্চল' বুলি অভিহিত কৰা হৈছে। গৱেষকসকলৰ মতে পাহাৰীয়া অঞ্চলৰ বিশেষ মালভূমিত অৱস্থিত এই অভয়াৰণ্য প্ৰাক-ঐতিহাসিক যুগৰ কেইটামান আগ্নেয়গিৰিৰ প্ৰবল বিস্ফোৰণৰ এক ধ্বংসস্তূপ। পাৰিপাৰ্শ্বিক পৰিৱেশে কালৰ সোঁতত এই অগম্য স্থানক এক মনোৰম স্থানলৈ ৰূপান্তৰ কৰিলে। পৰিত্যক্ত হৈ পৰি থকা অঞ্চলটোক ৰাষ্ট্ৰীয় উদ্যানৰ মৰ্যাদা দি প্ৰমাণ কৰা হ'ল, পৰিৱেশ সংৰক্ষণৰ ঘাই লক্ষ্য আৰু তাৎপৰ্য। ১৮৭২ত পৰ্যটকৰ দৰ্শনৰ অৰ্থে পাহাৰীয়া অৰণ্যখনত Yellowstone National Park স্থাপন কৰা হ'ল। ইয়েই ৰাষ্ট্ৰীয় উদ্যানৰ সংজ্ঞা উদ্ভাৱন কৰি বিশ্ব ইতিহাসত প্ৰথমখন ৰাষ্ট্ৰীয় উদ্যানৰূপে পৰিগণিত হ'ল। পৰিত্যক্ত ভূখণ্ডক ব্যৱহাৰযোগ্য কৰিব পৰাকৈ এই উদ্যানৰ আৰ্হিৰে অন্য দেশতো ৰাষ্ট্ৰীয় উদ্যান স্থাপন কৰিবলৈ লোৱা হ'ল। য়েল'ষ্টোন ৰাষ্ট্ৰীয় উদ্যানখনত অন্য কেইটামান বিস্ময়ে আমাক পুলকিত কৰিলে। সেয়া হৈছে ৰঙীণ উত্তপ্ত জলাশয়। এইবোৰৰ পানী উতলি নাথাকিলেও উত্তপ্ত পানীৰ পৰা অনবৰতে ধোঁৱা নিৰ্গত হৈ থাকে। পৰিষ্কাৰ পানীবোৰ কোনোটোৰ বৰণ আকাশী নীলা, কোনোটোৰ বৰণ সেউজীয়া নীলা। পৰিষ্কাৰ পানীত জলাশয়ৰ তলিলৈকে দেখা পোৱা যায়। এইবোৰ দেখাত এটা প্ৰকাণ্ড স্বচ্ছ সেউজীয়া পান্নাৰ পাথৰ যেন লাগে। এনে জলাশয়ক সেয়ে Emerald Pool বোলা হয়। নীলা ৰঙৰ জলাশয়ৰ পাৰবিলাক প্ৰাকৃতিকভাৱে গজা শেলাই আৰু পানীৰ পৰা সৃষ্টি হোৱা মণিকজাত দ্ৰৱ একবিধ ৰঙেৰে ৰং-বিৰং কৰি ৰাখে। দেখাত এনে হেন লাগে যেন নীলা বৰণীয়া প্ৰকাণ্ড ফুল এপাহৰ কাষবোৰ হালধীয়া, কমলা আৰু ঈষৎ বগা ৰঙেৰে সুশোভিত হৈ আছে। কোনোটো জলাশয়ৰ ওপৰত সাতৰঙী ৰামধেনু ওলায়। দিনটোৰ বিভিন্ন সময়ত পানীৰ নীলা বৰণ কেতিয়াবা গাঢ় হয় আৰু কেতিয়াবা পাতল হয়। ইয়াৰ দাঁতিকাষৰীয়া পাৰবোৰ নিচেই থুনুকা। ভৰি দিলেই বিপদ আছে। অৰণ্যৰ মাজে মাজে আমি এনে ধৰণৰ জলাশয় কে'বাটাও দেখিবলৈ পালো মনোলোভা দৃশ্যাৱলীৰ উপৰি অভয়াৰণ্যখন বনৰীয়া পশু-পক্ষীৰ বাসস্থান। সাধাৰণতে প্ৰশ্ন জাগে উত্তপ্ত বিস্ময়ৰাশি সৃষ্টি হ'ল কেনেকৈ? এইবোৰৰ তাপ আৰু গৰম পানীৰ উৎসৰ দিশটোৱেই ঘাই চৰ্চিত বিষয়। ভূ-তত্ত্ববিদসকলৰ মতে প্ৰাক-ঐতিহাসিক যুগৰ পৰা বৰ্তমানলৈকে উত্তপ্ত অঞ্চলটোত আগ্নেয়গিৰিৰ ক্ৰিয়াকলাপ সক্ৰিয় হৈ আছে আৰু অনাগত কালতো ইয়াৰ প্ৰভাৱ চলি থাকিব। ছশ হেজাৰ বছৰৰ পূৰ্বে সংঘটিত হোৱা শেহতীয়া ভয়ংকৰ বিস্ফোৰণটোত ২৪০ কিউবিক মাইলজোৰা 'মেগ্‌মা' আৰু আগ্নেয় পদাৰ্থ নিৰ্গত হৈ জ্বলন্ত ধ্বংসস্তূপটো তললৈ বহি গৈছিল। তললৈ বহি যোৱা অংশই পাহাৰটোৰ শিখৰত এক বিশাল জ্বালামুখ সৃষ্টি কৰিলে। দীঘে ৪৭ মাইল আৰু প্ৰস্থে ২৮ মাইলজোৰা জ্বালামুখটোৱে ক্ৰমে এক বিশাল মালভূমিৰ সৃষ্টি কৰিলে। এই মালভূমিয়েই য়েল'ষ্টোনৰ উত্তপ্ত বিস্ময়ৰাশিৰ কেন্দ্ৰস্থল। ইয়েই অভয়াৰণ্যখনৰ তাপ শক্তিৰ উৎস। পৰ্যাপ্ত পৰিমাণৰ বৰষুণ আৰু শীত কালৰ বৰফ এই অঞ্চলৰ পানীৰ উৎস। মাধ্যাকৰ্ষণ শক্তিৰ ফলত ভূ-পৃষ্ঠত থকা শিল আৰু মাটিৰ ফাকেৰে পানী কে'বা ফুট পৰ্যন্ত তললৈ সোমাই যায় আৰু 'মেগমা'ৰ তাপত উত্তপ্ত হয়। শিলৰ ফাঁকেৰে বৈ যোৱা পানীয়ে ভূপৃষ্ঠত একপ্ৰকাৰ জলপৃষ্ঠৰ সৃষ্টি কৰে আৰু আগ্নেয়গিৰিৰ পৰা নিৰ্গত হোৱা চিলিকাযুক্ত 'মেগমা'ৰ লগত পানীৰ মিশ্ৰণ ঘটে। এই চাপযুক্ত গৰম পানী শিলৰ ফাঁকেদি ওপৰলৈ নিগৰি ভূভাগত চিলিকা সঞ্চিত কৰে। ইয়াৰ ফলত ভূপৃষ্ঠত এক ডাঠ চিলিকাযুক্ত চামনিৰ সৃষ্টি কৰে। এনে চামনিৰ কোনো ছিদ্ৰৰ মাজেৰে অভ্যন্তৰৰ অতিশয় চাপযুক্ত বাষ্প আৰু উতলা পানীৰ উৰ্দ্ধমুখী উৎক্ষেপণ হৈ গেইজাৰৰ সৃষ্টি কৰে। যেনেকৈ ৰান্ধনীশালাৰ প্ৰেচাৰ কুকাৰত পানী উতলিলে ঢাকনিৰ সৰু ছিদ্ৰটোৰ মাজেদি চাপযুক্ত ভাপ আৰু উতলা পানীৰ উৰ্ধমুখী উদ্‌গীৰণ হয়, সেইদৰে ভূপৃষ্ঠত কোনো চিলিকাযুক্ত আৱৰণৰ ঠেক ফাঁকেদি চাপযুক্ত উতলা পানী আৰু ভাপ উৎক্ষেপণ হৈ গেইজাৰ সৃষ্টি কৰে।

যা হওক য়েল'ষ্টোন ৰাষ্ট্ৰীয় উদ্যানৰ ভূমিকম্প, উত্তপ্ত জলীয় উদ্‌গীৰণ আদি ভূ-তাত্বিক প্ৰক্ৰিয়াবোৰৰ লগত অলপতে আমাৰ দেশৰ অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলত হৈ যোৱা ডাঙৰ ভূমিকম্পটো আৰু জলধাৰাৰ উদ্‌গীৰণৰ পাছতো হৈ থকা সৰু সৰু ভূমিকম্পবোৰৰ বিষয়ে তুলনা কৰি কিবা নতুন তথ্য আহৰণ কৰিব পাৰি নেকি, সি এক বিচাৰ্যৰ বিষয় হওক বুলিয়েই এই লেখা আগবঢ়োৱা হ'ল।

*ফোন ঃ ৯৯৫৪০৩৮৭০৪*



*মাইল জোৰা ঠেক কাঠৰ দলঙৰ ওপৰত পৰিয়ালৰ স'তে লেখিকা*



*য়েল'ষ্টোন ৰাষ্ট্ৰীয় উদ্যানত অৱস্থিত নীলা ৰঙৰ ৰঙীণ উত্তপ্ত জলাশয়ৰ ফটো।*



## কেন্দ্ৰীয় ছিল্ক ব'ৰ্ডে বড়োলেণ্ডুক দিলে

*তিনি পৃষ্ঠাৰ পৰা* একেখন ৰাজ্যকে দুভাগ কৰি কিয় পৃথকে পৃথকে তথ্য সন্নিবিষ্ট কৰিবলগীয়া হ'ল, সেয়া আশ্চৰ্যজনক। এয়া তেওঁলোকৰ অজ্ঞতা নে ইচ্ছাকৃত সেই লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসম, অৰুণাচল প্ৰদেশ, নগালেণ্ড, অন্ধ্ৰপ্ৰদেশ, বিহাৰ, হাৰিয়ানা, হিমাচল প্ৰদেশকে ধৰি প্ৰায় ২৬ খন ৰাজ্যৰ উৎপাদিত পাট সূতাৰ তথ্য এই সন্নিবিষ্ট কৰা হৈছে। ইয়াত কোনো এখন ৰাজ্যকে দুভাগ কৰি দেখুওৱা হোৱা নাই। তেনে ক্ষেত্ৰত অসমৰ কিয় এনে কৰা হ'ল, সেই প্ৰশ্ন উত্থাপিত হৈছে। যুগ যুগ ধৰি অসম আৰু অসমীয়াৰ বাবে অতি স্পৰ্শকাতৰ হৈ থকা এই বিষয়টোত কেন্দ্ৰীয় বিভাগটোৱে এই কাম কৰিবলৈ ক'ত সাহস পালে বুলিও প্ৰশ্ন উঠিছে। উল্লেখ্য যে ২০১৯-২০ত পাট সূতাৰ উৎপাদন অসমত ৫৭.৬ মেট্ৰিক টন আৰু বড়োলেণ্ডত ১১ মেট্ৰিক টন। সেইদৰে ২০১৮-১৯ত ক্ৰমে অসমত ৫২ মেট্ৰিক টন আৰু বড়োলেণ্ডত ১৭.৪ মেট্ৰিক টন দেখুওৱা হৈছে। সেইদৰে নুনি গছ ৰোপণ কৰা মাটিকালিও অসম আৰু বড়োলেণ্ড বুলি উল্লেখ কৰি সুকীয়া সুকীয়াকৈ দেখুওৱা হৈছে দুয়োটা বৰ্ষৰ প্ৰতিবেদনত। এয়া অজ্ঞতা নে ইচ্ছাকৃত সেয়া এক ডাঙৰ প্ৰশ্ন। ইয়াৰ উত্তৰ যিয়ে নহওক কিয় এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ কৰণীয় আছে বুলি ৰাইজে মন্তব্য কৰিছে।

## হোজাইত প্ৰচণ্ড ধুমুহাত ৪০টা বাসগৃহৰ

*তিনি পৃষ্ঠাৰ পৰা* পৰে ১০টাকৈ বাসগৃহ। হোজাইৰ তাৰকাটাৰ আব্দুল কুদ্দুছ, ৰকিব আলী, সাহাব উদ্দিন, মইন উদ্দিনৰ বাসগৃহৰ টিনপাত উৰুৱাই নিয়ে ধুমুহাই। শিংগিমপাৰৰ নৱজ্যোতি একাডেমীৰ টিনপাত উৰুৱাই নিয়ে ধুমুহাই। বিদ্যালয়খনৰ বিস্তৰ ক্ষতি হয়। তাৰকাটা গাঁৱৰে মইন উদ্দিন, বিলাল উদ্দিন, ইদ্ৰিছ আলীৰ সমগ্ৰ বাসগৃহ উৰুৱাই নি বহু দূৰত পেলাই ধুমুহাই। বিধ্বস্ত হৈ পৰে বাসগৃহকেইটা। তাৰকাটাৰ সুলভ মূল্যৰ দোকানী সাহাব উদ্দিনৰ বাসগৃহ ধুমুহাই উৰুৱাই নিয়াত কে'বা কুইন্টল সুলভ মূল্যৰ চাউল নষ্ট হোৱা পৰিলক্ষিত হয়। জয়ন্তীয়াবস্তিৰ আব্দুল কালামৰ ঘৰৰ টিনপাত উৰুৱাই নি ১৫০ ফুট দূৰত পেলোৱাৰ লগতে ধুমুহাত বিধ্বস্ত হয় সমগ্ৰ বাসগৃহটো। জয়ন্তীয়াবস্তি আৰু তাৰকাটা গাঁৱৰ আনোৱাৰ হুছেইন, ফাৰুক আহমেদ, জেচিম উদ্দিন, চাইদুৰ ৰহমান, আলিম উদ্দিন আৰু জমিৰ উদ্দিনৰ বাসগৃহ ধুমুহাত বিধ্বস্ত হৈ পৰে। নীলবাগানত বিপুল মেডিকেল হল নামৰ ফাৰ্মাচীখনত ধুমুহাত গছ বাগৰি পৰাত ফাৰ্মাচীখনৰ বৃহৎ ক্ষতিসাধন হয়। ধুমুহাৰ প্ৰকোপ ইমানেই তীব্ৰ আছিল যে বহুকেইটা বাসগৃহৰ টিনপাত, চালি আদি ধুমুহাই উৰুৱাই বাঁহ গছৰ ওপৰত নি পেলায়। ধুমুহাৰ প্ৰকোপত আতংকিত হৈ পৰে স্থানীয় ৰাইজ। ধুমুহাত বহুকেইজন লোকৰ কথমপি প্ৰাণৰক্ষা পৰে। হোজাই চহৰৰ বিভিন্ন স্থানত বাসগৃহ, বিদ্যালয় গৃহ, ব্যৱসায় প্ৰতিষ্ঠান আদিৰ আজিৰ ধুমুহাই বিস্তৰ ক্ষতিসাধন কৰে।

## লেতেৰী সুঁতিৰ শ শ হেক্টৰ মাটি বেদখল

*তিনি পৃষ্ঠাৰ পৰা* বান্ধ দি অসংখ্য পুখুৰীৰ সৃষ্টি কৰাৰ ফলত মৃত্যু মুখত পৰা লেতেৰী সুঁতিৰ মাটি বেদখল কৰি সেই মাটিত খেতি-বাতি কৰি আছে; কিন্তু এইবোৰ দেখিও চকুমুদা কুলিৰ ভাও ধৰি আহিছে নগাঁও জিলা প্ৰশাসন। ফলত বেদখলকাৰীৰ দৌৰাত্ম্য দুগুণে বৃদ্ধি পাইছে।

নগাঁও জিলা ৰাজহ বিভাগৰ তথ্য অনুসৰি, লেতেৰী সুঁতিৰ কলিয়াবৰ মহকুমাৰ অধীনস্থ চামগুৰিত সুঁতিৰ পাৰৰ ভূমিত বেদখল হৈছে যদিও সুঁতিটোক সম্পূৰ্ণৰূপে মৰিবলৈ দিয়া হোৱা নাই। অৱশ্যে সুঁতিটোৰ ৫০ শতাংশতকৈ অধিক ভূমি বেদখলকাৰীৰ কৱলত পৰিছে। ইপিনে, ৰূপহীহাটৰ পশ্চিম ফুটলঝাৰ লেতেৰী সুঁতি পৰ্যন্ত ৫০-৬০ শতাংশ ভূমি বেদখলকাৰীৰ কৱলত পৰাৰ বিপৰীতে পশ্চিম ফুটলঝাৰৰ পৰা ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত লহকৰ পৰ্যন্ত মূল সুঁতিটোৰ লগতে সুঁতিৰ দুয়োপাৰৰ সমুদায় ভূমি বেদখলকাৰীৰ কৱলত পৰিছে। সংশ্লিষ্ট অঞ্চলত লেতেৰী সুঁতিৰ মাজত বান্ধ দি একাংশ লোকে ইয়াক বৃহৎ পুখুৰীৰ ৰূপ দি মাছৰ খেতি কৰাৰ লগতে ইয়াৰ মাটিত ঘৰ সাজি স্থায়ীভাৱে বসবাস কৰি খেতি-বাতি কৰি আছে। ইপিনে, একাংশ লোকে কেতবোৰ ধৰ্মীয় অনুষ্ঠানৰ নামতো লেতেৰী সুঁতিৰ মাটি বেদখল কৰি থকা বুলি জানিব পৰা গৈছে। এসময়ৰ বোঁৱতী লেতেৰী সুঁতিত মাছ ধৰি সেই মাছ বজাৰত বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰিছিল লেতেৰীপৰীয়া একাংশ লোকে। এই লেতেৰী সুঁতিতেই মৰাপাটৰ খেতিয়কসকলে মৰাপাট গোৱাইছিল (পচাইছিল)। তাৰ উপৰি ব'হাগ বিহুৰ গৰু বিহুৰ দিনা এই লেতেৰী সুঁতিত গৰু-ম'হ গা ধুৱাইছিল কৃষক ৰাইজে। তাৰ উপৰি তাহানিৰ বোঁৱতী লেতেৰী সুঁতিত শীতৰ আগমনৰ লগে লগেই দেশী-বিদেশী অজস্ৰ পৰিভ্ৰমী চৰাইৰো আগমন ঘটিছিল। লেতেৰীৰ মৃত্যু ঘটাৰ লগে লগে বিৰূপ প্ৰভাৱ পৰে জৈৱ-বৈচিত্ৰ্যৰ ওপৰত। নগাঁও জিলা প্ৰশাসনে লেতেৰী সুঁতিৰ বেদখল উচ্ছেদৰ বাবে কোনো পদক্ষেপ গ্ৰহণ নকৰাত ইয়াত চলা বেদখল দুগুণে বৃদ্ধি পাইছে।

ইপিনে, তাহানিৰ বোঁৱতী লেতেৰী সুঁতিৰ অপমৃত্যু ঘটিলেও এই লেতেৰীৰ নামত কিন্তু লুণ্ঠনৰ ধাৰাবাহিকতা অক্ষুণ্ণ আছে। এই মৃত লেতেৰী সুঁতি খন্দোৱাৰ নামত জিলাখনৰ বটদ্ৰৱা উন্নয়ন খণ্ড আৰু মৈৰাবাৰী উন্নয়ন খণ্ডই লাখ লাখ টকা লুণ্ঠন চলায়। দুয়োটা উন্নয়ন খণ্ডই মহাত্মা গান্ধী এনৰেগা আঁচনিৰ লেতেৰী সুঁতি খন্দোৱাৰ নামত ভুৱা শ্ৰমিকৰ জৰিয়তে ধনৰাশিৰ ওপৰত লুণ্ঠন চলায়। উল্লেখ্য যে বটদ্ৰৱা উন্নয়ন খণ্ডই বিগত ২০১১-২০১২ বিত্তীয় বৰ্ষত মহাত্মা গান্ধী এনৰেগা আঁচনিৰ অধীনত বিলতীয়া গাঁও পঞ্চায়তৰ জৰিয়তে লেতেৰী সুঁতিৰ এটা সৰু অংশ খন্দোৱাৰ বাবে ৩৫ লাখ ৭৭ হেজাৰ টকা আবণ্টন দিয়া হৈছিল। ইয়াৰে সামগ্ৰীৰ শিতানত ১,১১,০৩৮ টকা ধাৰ্য কৰা হৈছিল। কিন্তু ৰাইজৰ অভিযোগ অনুসৰি, লেতেৰী সুঁতিৰ সেই অংশটো খন্দোৱাৰ নামত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হৈছিল। সেই আঁচনিৰ কামত চাৰি লাখ টকাও খৰচ হোৱা নাছিল বুলি ৰাইজে অভিযোগ তুলিছে। ইপিনে, সামগ্ৰীৰ শিতানৰ সমুদায় ধন আত্মসাৎ কৰা হৈছিল বুলিও অভিযোগ উত্থাপিত হৈছে।

একেদৰে মৈৰাবাৰী উন্নয়ন খণ্ডই লহকৰ গাঁও পঞ্চায়তৰ জৰিয়তে লেতেৰী সুঁতিৰ এটা অংশ খন্দোৱাৰ নামত ২০১৩-২০১৪ বৰ্ষত এম জি এনৰেগা আঁচনিৰ অধীনত ৪৩ লাখ টকা আবণ্টন দি তিনি-চাৰি লাখ টকাৰ কাম কৰায়েই সমুদায় ধন আত্মসাৎ কৰা হয়। এম জি এনৰেগাৰ অধীনত বিলতীয়া আৰু লহকৰ গাঁও পঞ্চায়তৰ জৰিয়তে লেতেৰীৰ দুটা সৰু অংশ খন্দোৱাৰ নামত ৩৫.৭৭ লাখ টকা আৰু ৪৩ লাখ টকা আবণ্টন দিলেও সেই টকাৰে উপকৃত নহ'ল এশজনো জবকাৰ্ডৰ দৰিদ্ৰ শ্ৰমিক। লেতেৰীৰ গভীৰতা বৃদ্ধি নহ'ল। উপকৃত নহ'ল লেতেৰীপৰীয়া কৃষিজীৱী ৰাইজ। ঠিক একেদৰে চামগুৰি সমষ্টিৰ লগতে ৰূপহীহাট সমষ্টিটো লেতেৰী সুঁতিৰ নামত বিভিন্ন আঁচনিৰ বিপৰীতে লাখ লাখ টকা আবণ্টন দি লুণ্ঠন চলোৱাৰ অভিযোগ উত্থাপিত হৈছে।

## গোলাঘাটৰ বাগিচাত গণ সংক্ৰমণৰ

*তিনি পৃষ্ঠাৰ পৰা* প্ৰতিৰোধৰ বাবে সজাগতামূলক ব্যৱস্থাৱলীৰ অভাৱ ঘটিছে। জিলাৰ স্বাস্থ্য বিভাগ অথবা প্ৰশাসনে চাহ বাগিচাসমূহত ক'ভিড সংক্ৰমণৰ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে আগন্তুক দিনত চাহ বাগিচা অঞ্চলত পৰিস্থিতি অধিক ভয়াৱহ হোৱাৰ আশংকা তেওঁ ব্যক্ত কৰে। অন্যহাতে, স্বাস্থ্য বিভাগ আৰু প্ৰশাসনৰ দ্বাৰা ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণৰ ক্ষেত্ৰত জিলাখনত গ্ৰহণ কৰা ব্যৱস্থাৰ বেলিকা কেতবোৰ বিসংগতিয়ে ক'ভিড সংক্ৰমণ বৃদ্ধি হোৱাৰ ইন্ধন যোগোৱা বুলি ৰাইজৰ মাজত গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত বিশেষকৈ জিলাখনৰ বিভিন্ন অঞ্চলত ক'ভিড পৰীক্ষাৰ বেলিকা গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়কে ধৰি বিভিন্ন কেন্দ্ৰত ক'ভিড পজিটিভ চিনাক্ত হোৱাৰ পাছত আক্ৰান্ত ব্যক্তিক পূৰ্বৰ দৰে স্বাস্থ্য বিভাগৰ এম্বুলেঞ্চেৰে চিকিৎসালয় নাইবা ঘৰলৈ নিয়াৰ কোনো ব্যৱস্থাৰ অভাৱত পজিটিভৰূপে চিনাক্ত হোৱাজনে যাত্ৰীবাহী গাড়ীৰে ঘৰলৈ বা চিকিৎসালয়লৈ যাবলগীয়া হৈছে। পজিটিভৰূপে চিনাক্ত হোৱা এনে ব্যক্তি এগৰাকীয়ে বজাৰ-সমাৰ কৰি ফুৰিলেও বা বিয়া-বাৰু খাই ফুৰিলেও কোনো বাধাৰ সন্মুখীন নোহোৱাত তেনে ব্যক্তিৰ পৰা ক'ভিড সংক্ৰমণ দ্ৰুততৰ হোৱাৰ ফলতে গণ সংক্ৰমণৰ ৰূপ ল'বলৈ পাইছে। পূৰ্বতে পজিটিভৰূপে চিনাক্ত হোৱা একোজনক স্বাস্থ্য বিভাগে ষ্টাম্পিঙৰ ব্যৱস্থা কৰাৰ উপৰি ক'ভিড পজিটিভ ব্যক্তিৰ ঘৰত চৰকাৰী ফলক ওলমাই ৰাজহুৱা সজাগতাৰ সৃষ্টি কৰাৰ দৰে স্বাস্থ্য বিভাগৰ নিতান্তই কৰণীয় কাৰ্যসূচীৰ এইবাৰ চৰম অভাৱ ঘটিছে। অন্যহাতে, জিলাখনত হোম কোৱাৰেণ্টাইন আৰু হোম আইছ'লেছনত থকা ক'ভিড ৰোগীৰ ঘৰলৈ চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ দলে নিয়মীয়াভাৱে খা-খবৰ লোৱাৰ এক ব্যৱস্থা যোৱাবাৰ হাতত লোৱা হৈছিল যদিও এইবাৰ সেইখিনি ব্যৱস্থাও নোহোৱাত হোম আইছ'লেছনত থকা ৰোগী আৰু পৰিয়ালে চিকিৎসাৰ অভাৱত হাহাকাৰ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। ইয়াৰ ফলত উশাহ-নিশাহ বন্ধ হোৱাৰ উপক্ৰম হোৱা অৱস্থাত কোনোমতে চিকিৎসালয়লৈ নিয়া ৰোগীৰ মৃত্যুৰ সংখ্যা বৃদ্ধি পাইছে। ইফালে, গোলাঘাট ক'ভিড হাস্পতালত ভৰ্তি হোৱা ক'ভিড আক্ৰান্ত ৰোগীয়ে উপযুক্ত চিকিৎসা সেৱা লাভ নকৰাৰ গুৰুতৰ অভিযোগৰ উপৰি এটুপি খোৱাপানীৰ বাবে হাহাকাৰ কৰিব লগা পৰিস্থিতিৰ তিক্ত অভিজ্ঞতা ভুক্তভোগীয়ে জনাইছে। ক'ভিডত মৃত্যু হোৱা লোকৰ মৃতদেহ ঘণ্টা ঘণ্টা ধৰি চিকিৎসালয়ৰ বিছনাত পৰি থকাৰ দৰে অব্যৱস্থা গোলাঘাট ক'ভিড হাস্পতালত উন্মোচিত হৈছে। গোলাঘাট জিলাত ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে সান্ধ্য আইনকে ধৰি শীঘ্ৰে দোকান-পোহাৰ বন্ধ আদি ব্যৱস্থা কঠোৰভাৱে কাৰ্যকৰী কৰা হৈছে যদিও উল্লিখিত দিশবোৰৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগ তথা প্ৰশাসনে সম্পূৰ্ণ উদাসীন ভূমিকা লোৱাত ক'ভিড নিয়ন্ত্ৰণ ব্যৱস্থাই 'আগফালে মাৰো ডাং, পিছফালে ধোপাং পাং' অৱস্থাত পৰিণত হৈছে বুলি চৰ্চিত হৈছে।

## কৰ'নাৰ বাবে অনিশ্চয়তাত কংগ্ৰেছৰ

*তিনি পৃষ্ঠাৰ পৰা* শোণিতপুৰৰ ঢেকিয়াজুলিৰ পৰা ধেমাজি জিলালৈকে মুঠ ১৪টা বিধানসভা সমষ্টিৰ ভিতৰত মাত্ৰ এটাতহে বিজয় সাব্যস্ত কৰিবলৈ সক্ষম হ'ল। পৰাজয়বৰণ কৰা এই সমষ্টিসমূহৰ ভিতৰত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাৰ গহপুৰ বিধানসভা সমষ্টিও আছে। উল্লেখ্য যে কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটে এই পৰ্যন্ত বিৰোধী দলপতিজনেই নিৰ্বাচিত কৰিব নোৱৰাত তৃণমূল কৰ্মীসকল ক্ষুব্ধ হৈছে। এনে পৰিস্থিতিৰ মাজতে তেজপুৰ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ঢেকিয়াজুলি, বৰছলা, তেজপুৰ, ৰঙাপৰা আৰু চতিয়াৰ পাঁচোটা বিধানসভা সমষ্টিতে পৰাজয়ৰ সন্মুখীন হোৱা কংগ্ৰেছৰ ৰাজ্যিক সমিতিয়ে শোণিতপুৰ জিলা কংগ্ৰেছৰ পৰ্যালোচনা সভা অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছিল যদিও কৰ'নাকেন্দ্ৰিক পৰিস্থিতিৰ বাবে এই সভা অনিৰ্দিষ্টকাললৈ অনুষ্ঠিত হোৱাৰ সম্ভাৱনা নাই বুলি উল্লেখ কৰিছে শোণিতপুৰ জিলা কংগ্ৰেছৰ সভাপতি পৰমা কাকতিয়ে। আনহাতে, এই পাঁচটা সমষ্টিত কংগ্ৰেছৰ পৰাজয় সন্দৰ্ভত কাকতিয়ে কয় যে বিজেপি ধনবল, জনবল দুয়ো দিশতেই আগবাঢ়ি আছে। কংগ্ৰেছৰ তুলনাত বিজেপিৰ প্ৰচাৰো ব্যাপক আছিল। কাকতিয়ে লগতে কয় যে তেজপুৰকে ধৰি একাধিক সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থীসকলে লাভ কৰা ভোটৰ সংখ্যা কিন্তু অধিক। শোণিতপুৰ জিলা কংগ্ৰেছৰ সভাপতিজনে লগতে কয় যে কংগ্ৰেছৰ পাঁচটা গেৰাণ্টী আৰু ক্ষুদ্ৰ ঋণ ৰেহাই দিয়াৰ বাবে কৰা প্ৰতিশ্ৰুতি ৰাইজে বিশ্বাসত নোলোৱাৰ বিপৰীতে বিজেপিৰ হৈ ড০ হিমন্ত বিশ্ব শৰ্মাই মৌখিকভাৱে দিয়া প্ৰতিশ্ৰুতি ৰাইজে বিশ্বাস কৰিলে। কাকতিয়ে পুনৰ কয় যে বিজেপিৰ সাংগঠনিক ভেটিও বৰ্তমান কংগ্ৰেছতকৈ শক্তিশালী। ইপিনে, তেজপুৰৰ লগতে আন ভালেসংখ্যক বিধানসভা সমষ্টিত কংগ্ৰেছে দিয়া প্ৰাৰ্থীক লৈ তৃণমূলৰ নেতা-কৰ্মীসকলে সন্তুষ্ট যে নাছিল সেয়া স্পষ্ট হৈছে। শোণিতপুৰ জিলা কংগ্ৰেছৰ পৰ্যালোচনাত প্ৰদেশ কংগ্ৰেছৰ পৰ্যবেক্ষক উপস্থিত থকাৰ সময়ত দলীয় টিকট প্ৰদানৰ ক্ষেত্ৰত নিজা নিজা পছন্দৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ হেতা-ওপৰা লগোৱা দুজন জ্যেষ্ঠ আৰু এজন কনিষ্ঠ কংগ্ৰেছ নেতাও এই পৰ্যালোচনা সভাত উপস্থিত থাকিব লাগিব বুলি মন্তব্য কৰিছে কে'বাজনো স্থানীয় কংগ্ৰেছ নেতা-কৰ্মীয়ে। উল্লেখ্য যে তেজপুৰতে দলটোৱে প্ৰাৰ্থিত্ব প্ৰদান কৰা চিকিৎসক অনুজ মেচ তেজপুৰৰ ৰাজহুৱা ক্ষেত্ৰখনৰে সমূলি জড়িত নাছিল বুলি স্থানীয় একাংশ কংগ্ৰেছ নেতা-কৰ্মীয়ে মন্তব্য কৰাৰ লগতে তেওঁ নিৰ্বাচনতো দলীয় নেতা-কৰ্মীক বিশেষ গুৰুত্ব নিদিলে বুলি অভিযোগ উঠিছে। ইপিনে, নিৰ্বাচনী বিপৰ্যয়ৰ ক্ষেত্ৰত কংগ্ৰেছ আৰু এআইইউডিএফ তথা বাওঁপন্থী দলৰ মিত্ৰতাই কংগ্ৰেছক ক্ষতি কৰা বুলি মন্তব্য কৰিছে শোণিতপুৰ জিলা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি মাধুৰ্য গোস্বামীয়ে। তেওঁ কয় যে এতিয়া কি পৰ্যালোচনা সভা দলে পাতিবলৈ ওলাইছে, সেই বিষয়ে তেওঁ নাজানে। গোস্বামীয়ে বাওঁপন্থী দলতকৈ বহু অধিক শক্তিশালী সাংগঠনিক ভেটি থকা বিহালী, মৰিগাঁও আদি আসন কংগ্ৰেছে এৰি দিয়াটো ভুল বুলি মন্তব্য কৰি কয় যে এআইইউডিএফৰ মিত্ৰতাই তথা এই দলটোৰ একাংশই তাৰ পাছতো দি অহা কিছু আপত্তিজনক মন্তব্যই উজনিত কংগ্ৰেছক ক্ষতি কৰিলে। গোস্বামীয়ে লগতে কয় যে কংগ্ৰেছৰ প্ৰতি কোনো ত্যাগ আৰু সেৱা আগনবঢ়োৱা লোকক প্ৰাৰ্থিত্ব দি বহু উপযুক্ত প্ৰাৰ্থীক উপেক্ষা কৰা কংগ্ৰেছৰ নেতৃত্বৰ কাৰ্যত নিষ্ঠাৱান নেতা-কৰ্মীসকল ধাৰাবাহিকভাৱে হতাশ হ'বলগীয়া হৈছে।

## পাগলাদিয়াত অবৈধ শিল-বালি

*তিনি পৃষ্ঠাৰ পৰা* সোণাজুলি বান্ধ কমিটী, ছয় নম্বৰ ঝাৰবস্তি বান্ধ কমিটী আৰু ১০ নম্বৰ ঝাৰবস্তি বান্ধ কমিটীয়ে একেলগে খনন কাৰ্যৰ বিৰোধিতা কৰি ধৰ্ণা দিয়ে। স্থানীয় ৰাইজে 'পাগলাদিয়াৰ অবৈধ খনন বন্ধ কৰক, খনন বন্ধ কৰি খহনীয়া ৰোধ কৰক, বন বিভাগ হায় হায়, বন বিভাগে দেখিও নেদেখে, অবৈধ চক্ৰৰ স'তে বন বিভাগৰ মিতিৰালি নচলিব' আদি শ্ল'গান দিয়ে। আনহাতে, অসাধু চক্ৰটোৱে বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰে মিতিৰালি কৰি এইদৰে পাগলাদিয়া নৈত অবৈধভাৱে শিল-বালিৰ অবৈধ খনন অব্যাহত ৰাখি এক ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ অভিযোগ কৰিছে ৰাইজে।

## বাক্সাৰ শালবাৰীত খাদ্য সুৰক্ষাৰ

*তিনি পৃষ্ঠাৰ পৰা* বিভাগক দোষাৰোপ কৰি তীব্ৰ সমালোচনা কৰে। ক্ষুদ্ৰ হিতাধিকাৰীসকলে কয়, 'কৰ'না মহামাৰীৰ মাজতে চৰকাৰে বিনামূলীয়াকৈ দিয়া খাদ্য সামগ্ৰীৰ নামত জনস্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিবলৈ লৈছে। নিম্নমানৰ এনে খাদ্য সামগ্ৰীয়ে দুখীয়া ৰাইজক আন এক বিপদত পেলাব বুলিও মন্তব্য কৰি চৰকাৰৰ যোগান বিভাগৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰে। আনহাতে, ক্ষুব্ধ গাঁওখনৰ ৰাইজে এই ক্ষেত্ৰত উচিত তদন্তৰ জৰিয়তে দোষীক উপযুক্ত শাস্তি প্ৰদানৰ বাবে সংশ্লিষ্ট পক্ষক দাবী জনাইছে।

## তেজপুৰত চিকিৎসকক ধন দাবী

*তিনি পৃষ্ঠাৰ পৰা* দাবী কৰা দুই অভিযুক্তক তেওঁলোকৰ নিজা ঘৰৰ পৰাই গ্ৰেপ্তাৰ কৰে। অভিযুক্ত ভুৱা আলফাদ্বয় হৈছে বেবেজীয়া আৰক্ষী চকীৰ অন্তৰ্গত মিলনপুৰ কোছৰ চুবুৰিৰ ভৰেশ কলিতা ওৰফে কানাই আৰু আনজন বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত দোলাবাৰীৰ আলভিছ আলী আহমেদ। আৰক্ষীয়ে দুয়োজনৰ পৰা আলফা(স্বা)ৰ পেড, ষ্টাম্প, চাৰিটা ম'বাইল ফোনৰ ছিম কাৰ্ডকে ধৰি আপত্তিজনক নথিপত্ৰ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। দুয়োকে বৰ্তমান কছাৰী গাঁও আৰক্ষী চকীত আৰক্ষীয়ে অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। আৰক্ষীয়ে লগতে কয় যে অভিযুক্ত ভৰেশে ইয়াৰ পূৰ্বেও এনে ঘটনাৰ লগত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে যোৱা ২৫ জানুৱাৰীত ঘৰৰ পৰাই গ্ৰেপ্তাৰ কৰিছিল।

## মৰিগাঁৱত পথ দুৰ্ঘটনাত এজনৰ

*তিনি পৃষ্ঠাৰ পৰা* থিতাতে মৃত্যু হৈছিল ৰাতুল ডেকা আৰু পিংকি নামৰ এগৰাকী আশাকৰ্মী। ৰাতুলৰ পত্নীৰ মৰিগাঁও অসামৰিক চিকিৎসালয়ত এটি পুত্ৰ সন্তান জন্ম হৈছিল। পত্নীক অস্ত্ৰোপচাৰ কক্ষৰ পৰা উলিয়াই লগত অহা আশাকৰ্মী পিংকিক নিশা ঘৰত থ'বলৈ যাওঁতে সংঘটিত হৈছিল এই শোকাৱহ পথ দুৰ্ঘটনাটো। মাত্ৰ কিছু সময়ৰ আগত ৰাতুল ডেকাই নৱজাতকৰ মুখখন চাই আশাকৰ্মী পিংকিক থ'বলৈ যাওঁতেই পথ দুৰ্ঘটনাত অকাল মৃত্যুক সাবটি লয় দুয়োজন লোকে। একেই ঠাইতে এতিয়ালৈকে সাতটাৰো অধিক দুৰ্ঘটনা সংঘটিত হৈ আঠজন মানুহৰ মৃত্যু হৈছে।

## কৃষক সভাৰ ৰাজ্যিক সভাপতি

*তিনি পৃষ্ঠাৰ পৰা* দিয়া হৈছিল যদিও মধুমেহ, হৃদৰোগ আৰু উচ্চ ৰক্তচাপজনিত ৰোগত ভুগি থকা ৰাজ্যিক সভাপতিজনৰ অৱস্থাই পুনৰ জটিল ৰূপ পোৱাত পুনৰ তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। উল্লেখ্য যে হাইস্কুলীয়া শিক্ষা জীৱনৰ পৰাই গণতান্ত্ৰিক আন্দোলনৰ স'তে জড়িত বৰপেটা জিলাৰ যাত্ৰাদিয়া গাঁৱৰ গাঁওবুঢ়া ইদ্ৰিছ আলীৰ পুত্ৰ ফজলুৰ ৰহমানে হাইস্কুলীয়া শিক্ষা ভেল্লা হাইস্কুলৰ পৰা সাং কৰাৰ পাছত ১৯৬৪ত বৰপেটাৰ এম চি মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু ১৯৭১ত গুৱাহাটীৰ বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰ পাছত সেই বৰ্ষতে তেওঁ বৰপেটাৰ বি বি কে মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ প্ৰবক্তাৰূপে যোগদান কৰি সেইখন মহাবিদ্যালয়ৰ পৰাই ২০০৯ত উপাধ্যক্ষৰূপে অৱসৰ গ্ৰহণ কৰে। ১৯৭৫ত তেওঁ চিপিআই (এম)ৰ সদস্য পদ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পাছতেই ২০১১ৰ পৰা তেওঁ কৃষক সভাৰ ৰাজ্যিক সভাপতিৰ দায়িত্ব বহন কৰে। ইতিমধ্যে চিকিৎসকে তেওঁৰ মৃতদেহ পুনৰ পৰীক্ষাৰ পাছত কৰ'না নিগেটিভ পোৱাত তেওঁৰ মৃতদেহ ওপজা যাত্ৰাদিয়া গাঁৱলৈ আনি জনাজা সম্পন্ন কৰাৰ ব্যৱস্থা কৰা হয়।

## বি চি পি এলৰ অসম চিকিৎসা

*তিনি পৃষ্ঠাৰ পৰা* বিচিপিএল কৰ্তৃপক্ষই। অধ্যক্ষ ডাঃ কাকতিয়ে উল্লেখ কৰা মতে বিচিপিএল কৰ্তৃপক্ষক মহাবিদ্যালয় কৰ্তৃপক্ষৰ পৰাা আপদকালীন বিভাগৰ (ইমাৰ্জেঞ্চী) সংবৰ্দ্ধন ৰূপত সামূহিক উন্নয়ন আৰু ট্ৰ'মা কেয়াৰৰ (দুৰ্ঘটনাজনিত ৰোগ) আন্তঃগাঁথনি উন্নীতকৰণৰ লগতে প্ৰশিক্ষণৰ সুবিধা থকাকৈ এক প্ৰস্তাৱ দাখিল কৰিছিল। উক্ত প্ৰস্তাৱৰ প্ৰতি সন্মান জনাই আৰু প্ৰয়োজনীয়তাৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি বিচিপিএল কৰ্তৃপক্ষই ১.৫ কোটি টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰাত চিকিৎসা মহাবিদ্যালয়খনৰ লগতে উজনি অসম-নগালেণ্ড আৰু অৰুণাচলৰ এক বৃহৎসংখ্যক ৰোগী উপকৃত হ'ব বুলি অধ্যক্ষ ডাঃ কাকতিয়ে কয়। অধ্যক্ষ ডাঃ কাকতিয়ে আৰু উল্লেখ কৰে যে অতিমাৰী ক'ভিড-১৯ৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিচিপিএল কৰ্তৃপক্ষই চিকিৎসা মহাবিদ্যালয়ক ক'ভিড-১৯ৰ প্ৰতিৰোধৰ বাবে সা-সামগ্ৰী, সঁজুলি যোগান ধৰি কেৱল ৰোগীক সেৱা কৰাই নহয়, এক মহানুভৱতাৰ পৰিচয় দাঙি ধৰিছে।

## কাৰ্বি আংলঙত ক'ভিড



*তিনি পৃষ্ঠাৰ পৰা* উল্লেখ কৰি কয় যে ডিফু চিকিৎসা মহাবিদ্যালয়ত স্থাপন কৰা অক্সিজেন প্লাণ্ট অহা সপ্তাহত কাৰ্যক্ষম হ'ব। ডিফু চিকিৎসালয়ত বৰ্তমান আঠখন আইচিইউ আছে আৰু ইয়াৰ সংখ্যা ১২খনলৈ বৃদ্ধি কৰা হ'ব। ডিফু চিকিৎসা মহাবিদ্যালয়ত বাৰিষা পানী সোমোৱাতো এটা সমস্যা আৰু অতি শীঘ্ৰে এই সমস্যা সমাধানৰ ব্যৱস্থা কৰা হ'ব বুলিও মন্ত্ৰীজনে উল্লেখ কৰে। জিলাখনত উন্নতমানৰ চিকিৎসা প্ৰদানৰ সকলো ব্যৱস্থা কৰা হ'ব বুলিও মন্ত্ৰীজনে প্ৰতিশ্ৰুতি দিয়ে। বিদ্যুৎচালিত এখন শ্মশান আৰু কবৰ স্থানৰ ব্যৱস্থা কৰা হৈছে প্ৰায় পাঁচ বিঘা মাটিত। ৫০ লাখ টকা ব্যয় সাপেক্ষ এই শ্মশান আৰু কবৰ স্থান নিৰ্মাণ কৰাৰ বাবে অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰাৰো আশ্বাস দিয়ে মন্ত্ৰীজনে। আনহাতে, ডিফু চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি এতিয়াও সম্পূৰ্ণ হোৱা নাই বুলি উল্লেখ কৰি তেওঁ কয় যে আন্তঃগাঁথনি নিৰ্মাণ প্ৰতিষ্ঠানটোৰ স'তে তেওঁ আলোচনাত মিলিত হৈ শীঘ্ৰে আন্তঃগাঁথনি নিৰ্মাণ সম্পূৰ্ণ কৰাৰো প্ৰতিশ্ৰুতি প্ৰদান কৰে। আজি পৰিস্থিতিৰ বুজ লৈ দুদিনৰ ভিতৰত প্ৰতিবেদন মুখ্যমন্ত্ৰীক প্ৰদান কৰা হ'ব বুলি মন্ত্ৰীজনে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে। আনহাতে, ডিফু চিকিৎসা মহাবিদ্যালয়ত থাইৰয়ড আদিৰ পৰীক্ষা কৰিবলৈ যন্ত্ৰ-পাতি নথকাৰ কথা সাংবাদিক অৱগত কৰাত শীঘ্ৰে এই সমস্যা সমাধান কৰাৰো আশ্বাস প্ৰদান কৰে মন্ত্ৰীজনে।

## গহপুৰৰ বামপন্থী নেতা

*তিনি পৃষ্ঠাৰ পৰা* কৰিছিল। পৰৱৰ্তী পৰ্যায়ত শিক্ষাবিদ বৰাই বৰ্তমানৰ টেটোনপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়তো শিক্ষাদান কৰিছিল। আনহাতে, শিক্ষাব্ৰতী ব্যক্তি বৰাই স্থানীয় ৰাইজৰ সহযোগত বালিজান ছোৱালী হাইস্কুল প্ৰতিষ্ঠা কৰি বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতিৰ দায়িত্বও নিষ্ঠাৰে পালন কৰিছিল। মেধা সম্পন্ন তথা অধ্যয়নপুষ্ট ব্যক্তিৰূপেও সুপৰিচিত বৰাৰ বিয়োগত নতুন সাহিত্য পৰিষদৰ গহপুৰ শাখাৰ সভাপতি গোপাল নেৱাৰ, ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অঞ্জন কুমাৰ ওজা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা সাহিত্যিক দিগন্ত গোহাঞিং, গহপুৰৰ অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া দেৱ বৰুৱা, মধ্য ছয়দুৱাৰৰ সুৰভি সাহিত্য সমাজ, বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলৰ পৰিচালন সঞ্চালক যাদৱ চলিহা, সদৌ অসম ছাত্ৰ সন্থা, গুৱাধৰা যুৱক সংঘ, গুৱাধৰা গাঁও উন্নয়ন সমিতি আদিয়ে গভীৰ প্ৰকাশ কৰিছে। ৰাজ্যসভাৰ সাংসদ, প্ৰাক্তন মন্ত্ৰী তথা প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ৰিপুন বৰায়ো দুৰ্গা বৰাৰ পৰলোক প্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই পুত্ৰ, তিনিগৰাকী কন্যা এৰি যায়।



ঢকুৱাখনাত হোমেন বৰগোহাঞিলৈ শ্ৰদ্ধাঞ্জলি, শুকুৰবাৰে।

## ক'ভিডে পৰিৱেশ আতংকিত কৰিলেও চামতা সুশোভিত কৰি তুলিছে কৃষ্ণচূড়া, এজাৰে

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১৪ মে' ঃ** ক'ভিডৰ আতংক, উত্তেজনাৰ মাজতে নলবাৰী জিলাখনত নিতৌ ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধিৰে এক জটিল পৰিস্থিতিয়ে জিলাখনক গ্ৰাস কৰাত স্বাভাৱিকতে সৰ্বসাধাৰণ ৰাইজ আতংকিত হৈ ঘৰতে আৱদ্ধ থাকিবলৈ বাধ্য হৈছে। নিজক নিৰাপদ দূৰত্বত ৰখাৰ বাবে নিজৰ লগতে সমাজখন নিশ্চিত বিপদৰ পৰা ৰক্ষা মুক্ত কৰাৰ বাবে সকলোৱে অংগীকাৰবদ্ধ হৈছে। ব্যস্ততাপূৰ্ণ অঞ্চলসমূহ ক্ৰমশঃ দিনৰ দুই বজাৰ লগে লগে স্তব্ধ আৰু নিমাওমাও হৈ পৰিছে সেই সময়ত প্ৰকৃতিয়ে নিজৰ ৰূপ-লাৱণ্যৰে নিজক সুশোভিত কৰি তোলাত প্ৰকৃতিৰ মনোমোহা সৌন্দৰ্য উপভোগ কৰিবলৈ মানুহৰ অনুপস্থিতিয়ে বেদনাহত হৈছে বিনন্দীয়া প্ৰকৃতি। বসন্ত-গ্ৰীষ্মৰ সময়তে প্ৰকৃতিৰ বুকুত গছ-বিৰিখ চঞ্চলা হৈ পৰে। নিজৰ স্বকীয়তাৰে বিভিন্ন বিৰঙৰ ফুলেৰে পৰিৱেশ জাতিষ্কাৰ হৈ পৰিছে। আকাশ ভৰি ফুলা কৃষ্ণচূড়াৰ ৰঙা, এজাৰৰ বেঙুনীয়া, সোণাৰুৰ হালধীয়া ফুলৰ বিনন্দীয়া পৰিৱেশে প্ৰকৃতিপ্ৰেমীৰ মন-প্ৰাণ পুলকিত কৰাৰ সমান্তৰালকৈ সৌন্দৰ্যশীল মনৰ অধিকাৰী লোকে প্ৰকৃতিৰ ৰূপ-লাৱণ্যৰ মাজত বিলীন হৈ পৰিছে। অনাহুত এক ক'ভিড সৃষ্ট পৰিৱেশৰ মাজত প্ৰকৃতিৰ প্ৰতিকূল পৰিৱেশে জটিল সময়তো মানুহৰ মনলৈ প্ৰশান্তি কঢ়িয়াই আনিছে। প্ৰত্যয় আৰু প্ৰতিশ্ৰুতিৰে নলবাৰীৰ প্ৰতিটো পথৰ দাতিৰ কৃষ্ণচূড়া, এজাৰ, সোণাৰুৰ প্ৰাণচঞ্চল বিতোপন পৰিৱেশে সৃষ্টি কৰা বিনন্দীয়া পৰিৱেশে যে গৃহবন্দী প্ৰকৃতিপ্ৰেমীক হাতবাউলি মাতিছে ৰাজআলিলৈ। বসন্ত-গ্ৰীষ্মৰ এই হেন প্ৰীতি সম্ভাষণৰ কৃষ্ণচূড়াৰ প্ৰেমৰ আহ্বানক সহযোগ কৰিবলৈ আজি স্কুল, কলেজ, ৰেষ্টুৰেণ্টত নাই প্ৰেমিক যুগলবন্দী, নাই প্ৰেমাসক্ত। কুলি-কেতেকীৰ লগতে বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকটিৰ ফুলজোপাৰ মাজত নৃত্যৰত কিৰীলিৰে নান্দনিক পৰিৱেশক উপভোগ কৰিবলৈ যেন নাই কোনো। নলবাৰীৰ সদৰৰ পৰা চামতালৈ যোৱা পথৰ নীৰৱতাই সংগ্ৰ পৰিৱেশটো ৰং-বিৰঙৰ ফুলে জাতিষ্কাৰ কৰি সুশোভিত কৰিছে। যি সময়ত চামতাৰ ঐতিহাসিক চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়, নলবাৰীৰ উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান কামৰূপ কলেজ, চামতা ছোৱালী হাইস্কুল, সূত্ৰধাৰ একাডেমীৰ ছাত্ৰ-ছাত্ৰীৰে ব্যস্ততাৰ মাজত প্ৰতিবছৰে চামতাৰ ৰং-বিৰঙী ফুলে সকলোজনলৈ কঢ়িয়াই আনে ৰং। আজি জীৱনৰ স্তব্ধতাৰ মাজতো অংকুৰিত কৰিছে জীৱনৰ ৰঙৰ। ক'ভিডৰ ভয়াৱহতা আৰু আতংকৰ মাজতো কৃষ্ণচূড়া, এজাৰ আৰু সোণাৰুই বিলাইছে প্ৰত্যয় বাণী।

## নগৰবেৰাত চুৰি

**আলোপতি, ১৪ মে' ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা আৰক্ষী থানাৰ নিচেই কাষতে থকা ব্যৱসায় প্ৰতিষ্ঠান এখনত নিশা চোৰে চাফাই অভিযান চলায়। নগৰবেৰা বজাৰৰ মাজমজিয়াত তথা মূল পথত থকা সুনলী দাসৰ দোকানৰ পৰা নিশা চোৰে নিয়ে বহু সামগ্ৰী। দাসৰ ম'বাইল দোকানৰ সন্মুখৰ দুৱাৰৰ তলা ভাঙি ভিতৰত প্ৰৱেশ কৰি ম'বাইল ফোনৰ লগতে আন সামগ্ৰীও চুৰি কৰে। ব্যৱসায় প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী সুনীল দাস সম্প্ৰতি হোম কোৱাৰেইণ্টাইনত আছে।

## চামগুৰি ভগামূৰত গৰু

*তিনি পৃষ্ঠাৰ পৰা* সময়ত গৰু চোৰজনক মোৱামাৰী আৰক্ষী চকীৰ আৰক্ষীক গতাই দিয়ে। আন এজন গৰু চোৰ পলাতক অৱস্থাত আছে। ধৃত ইছলামে একেলগে চুৰি কৰি অনা আন এজনী গৰু কালি কাটি বিক্ৰী কৰিছে বুলি আৰক্ষীৰ আগত স্বীকাৰোক্তি দিছে।

## বৰক্ষেত্ৰীৰ প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাক গুৰুত্বপূৰ্ণ পদ দিয়াৰ দাবী

**মুকালমুৱা, ১৪ মে' ঃ** অসমৰ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ ৰাইজ তথা বিভিন্ন দল-সংগঠনে অভিনন্দন জ্ঞাপন কৰাৰ সময়তে নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ মুকালমুৱা গাঁও উন্নয়ন সমিতিয়ে এক পত্ৰযোগে নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীজনক অভিনন্দন জ্ঞাপন কৰে। সমিতিৰ সভাপতি ছেখ মোবাৰক হুছেইন আৰু সম্পাদক আলকাছ আলীয়ে এক বিবৃতিযোগে নৱনিৰ্বাচিত বিজেপি বিধায়িনী দলৰ দলপতি তথা অসমৰ নৱনিযুক্ত মুখ্যমন্ত্ৰীজনক অভিনন্দন জ্ঞাপন কৰি আগন্তুক সময়ত অসমৰ সৰ্বস্তৰৰ জনগণৰ বাবে কাম কৰি এক নজিৰ সৃষ্টি কৰাৰ কামনা কৰে। ইফালে, এইবাৰ বিধানসভা নিৰ্বাচনত অলপ সংখ্যক ভোটৰ ব্যৱধানত পৰাজয় বৰণ কৰা বৰক্ষেত্ৰীৰ প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাক নৱ গঠিত ৰাজ্য চৰকাৰৰ কোনো গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত কৰিবলৈ দাবী জনায় মুকালমুৱা গাঁও উন্নয়ন সমিতিয়ে। সমিতিয়েসমূহ ইছলামধৰ্মী ৰাইজক ক'ভিড বিধি মানি চলি ঘৰতে ঈদ পালন কৰিবলৈ আহ্বান জনায়। আনহাতে, মুখ্যমন্ত্ৰী শৰ্মাকো ঈদৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁৰ সুস্বাস্থ্য কামনা কৰে।

## শুৱালকুছিত হোমেন বৰগোহাঞিৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছিৰ ১৪ মে' ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বৰগোহাঞিৰ মৃত্যুত শুৱালকুছি সাংবাদিক সন্থাই শোক প্ৰকাশ কৰিছে। শুৱালকুছি সাংবাদিক সন্থাৰ সভাপতি দিলীপ মেধি আৰু সম্পাদক পুলিন দাসে এক বিবৃতিত অসমৰ বিশিষ্ট বুদ্ধিজীৱী তথা অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰা ৰাজ্যৰ অন্যতম বিশিষ্ট সাহিত্যিক, কথাশিল্পীগৰাকীৰ মৃত্যু অসমবাসীৰ বাবে এক অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰে। তেওঁৰ মৃত্যুত শুৱালকুছি পূৰ্বাঞ্চল শতদল সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰিছে। পূৰ্বাঞ্চল সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক ক্ৰমে নৰেশ শৰ্মা আৰু দিলীপ কুমাৰ দাসে এক বিবৃতিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিগৰাকীৰ মৃত্যুত অসমে এগৰাকী সুযোগ্য সন্তান হেৰুৱালে বুলি উল্লেখ কৰি বৰগোহাঞিৰ মৃত্যু অসমৰ সাহিত্যৰ জগতখনৰ বাবে বৃহৎ ক্ষতি বুলি দোহাৰে। ইয়াৰ উপৰি শুৱালকুছি নাওখেল সমিতি, সদৌ অসম অনুসূচিত ধোবী জাতি লোক কল্যাণ পৰিষদ, বিকাশ সংঘ, ভাটিপাৰা একাদশ ক্লাবকে ধৰি একাধিক অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

## সোণাপুৰৰ চিকিৎসালয় পৰিদৰ্শন



*তিনি পৃষ্ঠাৰ পৰা* ইতিমধ্যে ১৯ কোটি টকা মোকলাই দিয়াৰ কথা দোহাৰে। মন্ত্ৰীজনে এই চিকিৎসালয়খনত দুশখন বিছনা অক্সিজেন চিলিণ্ডাৰযুক্ত হোৱাৰ লগতে এশখন বিছনা আই চি ইউযুক্ত হ'ব বুলি প্ৰকাশ কৰে। ইফালে, গুৱাহাটী মহানগৰীত ক'ভিড ৰোগীৰ বাবে দুহেজাৰখন বিছনা সাজু কৰি ৰখাৰ কথা প্ৰকাশ কৰি মন্ত্ৰী মহন্তই গ্ৰাম্য অঞ্চল আৰু চাহ বাগিচা অঞ্চলসমূহৰ বাবে চৰকাৰে বিশেষ নীতি গ্ৰহণ কৰাৰ কথা দোহাৰে। সম্প্ৰতি ৰাজ্যখনত দৈনিক ৬০ৰ পৰা ৭০ হেজাৰ ক'ভিড পৰীক্ষা হৈ আছে যদিও চৰকাৰে এই সংখ্যা এক লাখলৈ বঢ়োৱাৰ কথা চিন্তা কৰাৰ কথা তেওঁ প্ৰকাশ কৰে। উল্লেখ্য যে সোণাপুৰৰ ক'ভিড হাস্পতালত সম্প্ৰতি ডেৰ শতাধিক ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে।

## কোকৰাঝাৰ জিলাত ক'ভিডে ভয়াৱহ

*তিনি পৃষ্ঠাৰ পৰা* পৰা সিমূৰলৈ ঘূৰি ঘূৰি ইয়াত হৈ থকা কৰ্মকাণ্ডৰ বুজ লয়। পৰীক্ষা কেন্দ্ৰটোত কৰ্তব্যৰত স্বাস্থ্য কৰ্মী, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্মী, আৰক্ষী প্ৰশাসনৰ সকলো বিষয়া-কৰ্মচাৰীৰ স'তে মত বিনিময় কৰি পৰিস্থিতিৰ বুজ লয়। উপায়ুক্ত ফুকনে কয় যে প্ৰতিদিনে ক'ভিড সংক্ৰমিত লোকৰ সংখ্যা বৃদ্ধি পাই আহিছে যদিও এতিয়ালৈকে কোকৰাঝাৰ জিলাত ভয়াবহৰূপ ধাৰণ কৰা নাই। কৰ'নাৰ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে জিলা প্ৰশাসন তথা স্বাস্থ্য বিভাগে সকলো প্ৰকাৰৰ ব্যৱস্থা গ্ৰহণ কৰাত গুৰুত্ব প্ৰদান কৰিছে। ক'ভিডৰ পৰীক্ষা কৰা, টিকা প্ৰদানৰ লগতে আক্ৰান্তসকলৰ বাবে উপযুক্ত ব্যৱস্থা কৰা হৈছে। জিলাখনৰ পাঁচটা অসামৰিক চিকিৎসালয় তথা ক'ভিড চিকিৎসা কেন্দ্ৰসমূহত ক'ভিড আক্ৰান্তৰ বাবে যথেষ্ট আন্তঃগাঁথনি আছে। অক্সিজেনৰো কোনো নাটনি নাই বুলি উপায়ুক্ত ভাস্কৰ শৰ্মাই আশ্বস্ত কৰাৰ লগতে ক'ভিড বিধি আখৰে আখৰে মানি চলিবলৈ ৰাইজক আহ্বান জনায়।

## বায়ুসেনাৰ ব্যাপক বোমাবৰ্ষণৰ পাছত এইবাৰ আন এক মহাযুদ্ধৰ প্ৰস্তুতি ইজৰাইলী সেনাৰ

# হামাছক এইবাৰ ভূমিৰ পৰা আক্ৰমণ কৰিব ইজৰাইলে

**নিউজ ব্যুৰ' জেৰুজালেম, ১৪ মে' ঃ** ইজৰাইলে অচিৰে হামাছৰ ঘাটিত স্থলসেনাৰে বৃহৎ আক্ৰমণ সংঘটিত কৰাৰ সম্ভাৱনা আছে। দেশখনে প্ৰকাশ কৰা মতে, গাজা সীমান্তলৈ বৃহৎ পৰিমাণত ইজৰাইলী সেনাক প্ৰেৰণ কৰা হৈছে আৰু হামাছ শাসিত বিতৰ্কিত অঞ্চলটোত ভূমিৰে আক্ৰমণ সংঘটিত কৰাৰ বাবে ৯,০০০ সৈনিকক ইতিমধ্যে সাজু কৰি ৰাখিছে। ইজিপ্তৰ মধ্যস্থতাত সংঘৰ্ষ বিৰতিৰ বাবে ইজৰাইলে সন্মতি দিছিল যদিও এই ক্ষেত্ৰত এতিয়ালৈকে কোনো ইতিবাচক সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলে। একেৰাহে চতুৰ্থ নিশাৰ বাবে



বৃহস্পতিবাৰেও ইজৰাইলে গাজাত ৰকেটৰে আক্ৰমণ অব্যাহত ৰাখে। হামাছৰ ঘাটিত বায়ুসেনাৰ ব্যাপক বোমাবৰ্ষণৰ পাছত এইবাৰ ইজৰাইলী সেনাই অঞ্চলটোত স্থলসেনাৰে বৃহৎ আক্ৰমণ সংঘটিত কৰিবলৈ যো-জা চলাইছে।

ইহুদী আৰু ইছলামধৰ্মীৰ মাজত হোৱা শেহতীয়া সংঘাতৰ পাছৰে পৰা গাজা সীমান্ত উত্তপ্ত হৈ আছে। এই সংঘৰ্ষত এতিয়ালৈকে কমেও ১০০ পেলেষ্টাইনী নাগৰিকৰ মৃত্যু হৈছে। মৃতকৰ মাজত ২৮টা শিশু আৰু ১৫ গৰাকী মহিলা আছে বুলি গাজাৰ স্বাস্থ্য মন্ত্ৰণালয়ে সদৰী কৰিছে। ইজৰাইলে চলোৱা বোমাবৰ্ষণৰ ঘটনাত কমেও ৬২১ লোক গুৰুতৰভাৱে আহত হৈছে। আনহাতে, হামাছ আৰু ইছলামিক জেহাদৰ উগ্ৰপন্থী গোটৰ ২০ জন লোকৰ সংঘৰ্ষত মৃত্যু হৈছে। ইজৰাইলে দাবী কৰা মতে, তেওঁলোকে চলোৱা বোমাবৰ্ষণৰ ঘটনাত বৃহৎসংখ্যক পেলেষ্টাইনী নাগৰিকৰ মৃত্যু হৈছে। এই সংঘৰ্ষত ইজৰাইলৰো সাতজন লোকৰ মৃত্যু হৈছে। মৃতকৰ মাজত ছবছৰীয়া শিশুও আছে। ইফালে, আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে ইজৰাইলক যুদ্ধৰ পথত অগ্ৰসৰ নহ'বলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জামিন নেটানিয়াহুৰ স'তে বাইডেনে ফোনযোগে বাৰ্তালাপ কৰি সংঘৰ্ষ বন্ধ কৰিবলৈ অনুৰোধ জনায়। মাৰ্কিন ৰাষ্ট্ৰপতিৰ এই অনুৰোধৰ পাছতো ইজৰাইলে যোৱা নিশা ৯,০০০ সৈনিকক গাজা সীমান্তলৈ প্ৰেৰণৰ সিদ্ধান্ত লয়। স্থলসেনাৰে মহাযুদ্ধৰ সূচনা কৰাৰ লক্ষ্যৰে ইজৰাইলে এই পদক্ষেপ গ্ৰহণ কৰা বুলি সন্দেহ কৰা হৈছে।

## বিশেষজ্ঞৰ দাবী ঃ উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, দিল্লীত শীৰ্ষত আৰোহণ কৰ'নাৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ মে' ঃ** কৰ'না ভাইৰাছৰ ব্যাপক সংক্ৰমণৰ মাজতে স্বাস্থ্য বিশেষজ্ঞই দেশবাসীক এক সুখবৰ দিলে। বিশেষজ্ঞসকলৰ মতে, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, দিল্লী, গুজৰাট, চত্তিছগড় আৰু মহাৰাষ্ট্ৰত ইতিমধ্যে ক'ভিড-১৯ৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৰে শীৰ্ষত আৰোহণ কৰিলে। অৰ্থাৎ এতিয়াৰে পৰা এই ছয় ৰাজ্যত ক'ভিডৰ দৈনিক সংক্ৰমণ ক্ৰমে হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। বিগত কে'বাদিন ধৰি এই ছয় ৰাজ্যত ক'ভিডৰ দৈনিক সংক্ৰমণ অৱনমিত হৈ আহিছে। সংক্ৰমণ হ্ৰাসৰ এই প্ৰৱণতাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিশেষজ্ঞই ছয় ৰাজ্যত ক'ভিডৰ দ্বিতীয় ঢৌৰে শীৰ্ষত আৰোহণ কৰা বুলি ধাৰণা কৰিছে। অৱশ্যে অন্ধ্ৰ প্ৰদেশ, তামিলনাডু, কৰ্ণাটকৰ দৰে ৰাজ্যত এতিয়াও ক'ভিড সংক্ৰমণে শীৰ্ষত আৰোহণ কৰা নাই। এই ৰাজ্যকেইখনত ক'ভিডত সংক্ৰমিতৰ সংখ্যা অধিক বৃদ্ধিৰ শংকা আছে। হাৰিয়ানা, বিহাৰ, ঝাৰখণ্ড, ৰাজস্থান, কেৰালা আৰু তেলেংগানাত ক'ভিড সংক্ৰমণ বৃদ্ধিৰ সৰ্বাধিক শংকা আছে। ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন'লজীৰ দুই জ্যেষ্ঠ গৱেষক মহেন্দ্ৰ কুমাৰ বৰ্মা আৰু ৰাজেশ ৰঞ্জনে গাণিতিক মডেলৰ আৰ্হিত বিশ্লেষণ কৰি ক'ভিডৰ সংক্ৰমণৰ সন্দৰ্ভত এইদৰে দাবী কৰে।

## সন্মুখত পৰিল ৰকেট, কিন্তু পোনপটীয়া বাতৰি পৰিৱেশনত ব্যস্ত মহিলা সাংবাদিক

**নিউজ ব্যুৰ', গাজা, ১৪ মে' ঃ** ইজৰাইল আৰু পেলেষ্টাইনৰ সংঘৰ্ষৰ বাতৰি প্ৰতি মুহূৰ্ততে পৰিৱেশন কৰাৰ বাবে সাংবাদিকসকলে এতিয়া ইজৰাইল সীমান্তত বাহৰ পাতিছে। নিজৰ জীৱনক বিপদাপন্ন কৰিও অহৰহ সাংবাদিকে এই সংঘৰ্ষৰ বাতৰি প্ৰচাৰ কৰি আহিছে। এইবাৰ এগৰাকী মহিলা সাংবাদিকে গাজাত বাতৰি পৰিৱেশন কৰিবলৈ গৈ প্ৰদৰ্শন কৰিলে বিৰল সাহস আৰু কৰ্তব্যনিষ্ঠা। ইজৰাইলৰ ৰকেট আক্ৰমণৰ মাজতো য়'মানা অল ছয়ীদ নামৰ মহিলা সাংবাদিক এগৰাকীয়ে পোনপটীয়া বাতৰি সম্প্ৰচাৰ অব্যাহত ৰাখিলে। 'ইউ এছ টুডে'ৰ বাতৰি অনুসৰি য়'মানা গাজাৰে নিবাসী আৰু তেওঁ ইজৰাইলৰ হৈ সংঘৰ্ষৰ বাতৰি সংগ্ৰহ কৰিবলৈ গৈছিল। কেমেৰাৰে পোনপটীয়াকৈ তেওঁ এই যুদ্ধৰ বাতৰি দৰ্শকক যোগান ধৰিছিল। এইদৰে পোনপটীয়া সম্প্ৰচাৰত ব্যস্ত থকাৰ সময়তে য়'মানাৰ পৰা কিছু দূৰ আঁতৰৰ সন্মুখত এটা ৰকেট আহি পৰিছিল। কিছু সময়ৰ বাবে সাংবাদিকগৰাকীয়ে ভয় খাইছিল যদিও লগে লগে তেওঁ নিজৰ চম্ভালি পোনপটীয়া বাতৰি সম্প্ৰচাৰ অব্যাহত ৰাখে। ইচ্ছা কৰা হ'লে য়'মানাই বাতৰি পৰিৱেশন বন্ধ কৰি উক্ত স্থান ত্যাগ কৰিব পাৰিলেহেঁতেন। কিন্তু নিজৰ কৰ্তব্যত অবিচল সাংবাদিকগৰাকীয়ে পৃষ্ঠভংগ দিয়াৰ পৰিৱৰ্তে গাজাত সংঘৰ্ষৰ বাতৰি প্ৰচাৰ অব্যাহত ৰাখি বিৰল সাহসৰ পৰিচয় দিলে।





## অক্সিজেনৰ অভাৱত গোৱাত চাৰিদিনত প্ৰাণ হেৰুৱালে ৭৪ জন ৰোগীয়ে

**নিউজ ব্যুৰ' পানাজি, ১৪ মে' ঃ** অক্সিজেনৰ অভাৱত গোৱাৰ মেডিকেল কলেজ হাস্পতালত পুনৰ প্ৰাণ হেৰুৱালে ১৩ জন ৰোগীয়ে। বৃহস্পতিবাৰে একেখন চিকিৎসালয়তে অক্সিজেনৰ অভাৱত ১৫ জন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। যোৱা নিশা দুই বজাৰ পৰা শুকুৰবাৰে পুৱা ছয় বজালৈকে চিকিৎসালয়খনত পুনৰ ১৩ জন ৰোগীৰ মৃত্যু হ'ল। গোৱা মেডিকেল কলেজ হাস্পতালৰ ক'ভিড ৱাৰ্ডত অক্সিজেনৰ সৰবৰাহ হ্ৰাস পোৱাৰ ফলত বিগত চাৰিদিন মুঠ ৭৪ জন ৰোগীৰ মৃত্যু হ'ল। অৱশ্যে চিকিৎসালয়ৰ কৰ্তৃপক্ষই ৰোগীৰ মৃত্যুৰ বাবে যন্ত্ৰপাতিৰ বিজুতিক জগৰীয়া কৰিছে।

## কৰ'নাত পৰিয়ালৰ উপাৰ্জনকাৰীক হেৰুওৱা পৰিয়ালক সহায় কৰিব কেজৰিৱাল চৰকাৰে



**নিউজ ব্যুৰ' নতুন দিল্লী, ১৪ মে' ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি ঘোষণা কৰি কয় যে ক'ভিড-১৯ত সংক্ৰমিত হৈ পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী ব্যক্তিৰ মৃত্যুৰ হ'লে সেই পৰিয়ালক চৰকাৰে আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে মহামাৰীত অনাথ হোৱা সন্তানক অধ্যয়ন আৰু প্ৰতিপালনৰ ব্যয় বহন কৰিব। আজি দিল্লীৰ মুখ্যমন্ত্ৰীজনে অনলাইনৰে এখন সংবাদমেলত অংশ লোৱাৰ সময়ত এই কথা ঘোষণা কৰি লগতে কয় যে কৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজ এতিয়াই সমাপ্ত হোৱা নাই আৰু সেয়েহে কৰ'না প্ৰতিৰোধৰ ক্ষেত্ৰত চৰকাৰে এই মুহূৰ্তত কোনো শিথিলতা দিব বিচৰা নাই। 'বহু সন্তানে পিতৃ-মাতৃক ক'ভিডত হেৰুওৱাৰ কথা আমি জানিব পাৰিছো। মই তেওঁলোকক জনাব বিচাৰো যে তেওঁলোক কেতিয়াও অনাথ নহ'ব, চৰকাৰে তেওঁলোকৰ অধ্যয়নৰ খৰচৰ লগতে অন্যান্য ব্যয় বহন কৰিব। মই এই কথাও জানো যে বয়োজ্যেষ্ঠ নাগৰিকে নিজৰ সন্তানক হেৰুৱাইছে। এইসকল জ্যেষ্ঠ নাগৰিক সন্তানৰ উপাৰ্জনত নিৰ্ভৰশীল আছিল। মই তেওঁলোকক জনাব বিচাৰো যে তেওঁলোকৰ বাবে পুত্ৰ কেজৰিৱাল জীৱিত আছে। চৰকাৰে এনে সকলো পৰিয়ালক সহায় কৰিব যিসকলে পৰিয়ালৰ উপাৰ্জনকাৰী সদস্যক কৰ'নাত হেৰুৱালে।'

## কৰ'নাৰ কালতো বিশ্বত সৰ্বাধিক সুৰাপান কৰিলে ভাৰতীয়ই

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ মে' ঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণৰ পাছৰে পৰা বিশ্বত বহু পৰিৱৰ্তনে দেখা দিলে। বিশ্ববাসীৰ খাদ্যাভ্যাস, জীৱনশৈলী, বজাৰ-সমাৰ কৰা পদ্ধতি আদি বহু দিশৰ ব্যাপক সলনি হ'ল। বিশ্বৰ ১৭খন দেশত কৰ'নাৰ প্ৰভাৱৰ সন্দৰ্ভত চলোৱা এক আন্তঃৰাষ্ট্ৰীয় সমীক্ষাত লাভ কৰা তথ্য অনুসৰি কৰ'না কালত মানুহৰ বজাৰ-সমাৰ কৰাৰ পদ্ধতি সৰ্বাধিক সলনি হ'ল। সৰহসংখ্যক লোকে এতিয়া অনলাইনত বজাৰ-সমাৰ কৰাৰ অভ্যাস গঢ়ি তুলিছে। গ্ল'বেল মাৰ্কেট ৰিছাৰ্চ কোম্পানী ইউ গভৰ সমীক্ষাৰ তথ্য অনুসৰি, কৰ'নাৰ সংক্ৰমণৰ পাছত ভাৰতীয়সকলে স্বাস্থ্যসন্মত খাদ্য গ্ৰহণত অগ্ৰাধিকাৰ দিছে। এই সমীক্ষাত বিশ্বৰ ১৭ খন দেশৰ লগতে ভাৰতেও অংশ



লৈছিল। কৰ'না কালত ৬৬ শতাংশ ভাৰতীয়ই প্ৰকাশ কৰা মতে, তেওঁলোকে স্বাস্থ্যসন্মত আহাৰ গ্ৰহণত গুৰুত্ব আৰোপ কৰিছে। মহামাৰীৰ সময়ছোৱাত ভাৰতীয়সকলে আন এক দিশতো বিশ্ব অভিলেখ ৰচিলে। অতিমাৰীৰ এই সময়ছোৱাত ভাৰতীয়সকলে বিশ্বৰ ভিতৰতে সৰ্বাধিক পৰিমাণৰ সুৰাপান কৰিলে। সমীক্ষাত উল্লেখ কৰা মতে, অতিমাৰীৰ সময়ত বিশ্বৰ ভিতৰত সৰ্বাধিক ভাৰতৰ ২৯ শতাংশ লোকে সুৰাপান কৰিছিল। আনহাতে, দ্বিতীয় স্থানত থকা চীনত এই সময়ছোৱাত ২৭ শতাংশ লোকে প্ৰকাশ কৰা মতে, পূৰ্বৰ তুলনাত তেওঁলোকে মহামাৰীৰ সময়ত অধিক সুৰাপান কৰিছিল। সমগ্ৰ বিশ্বৰ ২৫ শতাংশ লোকে সমীক্ষাটোত স্বীকাৰ কৰা মতে, কৰ'নাৰ সংক্ৰমণৰ পাছৰে পৰা তেওঁলোকে অধিক পৰিমাণত সুৰাপান কৰি আহিছে। ইউ গভৰ সমীক্ষাৰ তথ্য মতে, কৰ'না সংক্ৰমণৰ পাছৰে পৰা বিশ্বজুৰি প্ৰসাধন সামগ্ৰীৰ বিক্ৰী হ্ৰাস পাইছে। বিশ্বজুৰি ৩৩ শতাংশ লোকে সমীক্ষাটোত প্ৰকাশ কৰা মতে, তেওঁলোকে পূৰ্বৰ তুলনাত অতিমাৰীৰ সময়ত কম পৰিমাণত প্ৰসাধন সামগ্ৰী ক্ৰয় কৰিছিল।



## জম্মু-কাশ্মীৰত ২৪ ঘণ্টাত ক'ভিডত তিনি চিকিৎসকসহ ৫৫ জনৰ মৃত্যু

**নিউজ ব্যুৰ' জম্মু, ১৪ মে' ঃ** জম্মু চংভাগৰ মুখ্য ক'ভিড চিকিৎসালয় জি এম চি জম্মুত ভৰ্তি হৈ থকা ৪১০ জন কৰ'না আক্ৰান্ত ৰোগীৰ ২৫০ জনৰ অৱস্থা সংকটজনক। চিকিৎসকে প্ৰকাশ কৰা অনুসৰি, সঠিক সময়ত ৰোগীক চিকিৎসালয়ত ভৰ্তি নকৰাৰ ফলত সৰহসংখ্যক কৰ'না আক্ৰান্তৰ হাওঁফাওঁত সংক্ৰমণ বৃদ্ধি পোৱাৰ লগতে ৰোগীয়ে শ্বাস-প্ৰশ্বাসত কষ্ট অনুভৱ কৰিছে। ইফালে, জম্মু-কাশ্মীৰত যোৱা ২৪ ঘণ্টাত কৰ'নাত সংক্ৰমিত হোৱাৰ ফলত তিনিজন চিকিৎসকসহ ৫৫ জন ৰোগীৰ মৃত্যু হ'ল। বিগত এদিনত ৰাজ্যখনত ৪৩৫৬ জন লোক নতুনকৈ ক'ভিড-১৯ত আক্ৰান্ত হ'ল। জম্মুত ১৭৭১ আৰু কাশ্মীৰত ২৫৮৫ জন লোক ক'ভিডত যোৱা ২৪ ঘণ্টাত সংক্ৰমিত হৈছিল। যোৱা এদিনত জম্মুত ৩৫ জন আৰু কাশ্মীৰত ২০ জন লোকৰ মৃত্যু হয়।

## নিৰ্দিষ্ট সময়ৰ পূৰ্বেই জনসংখ্যাত চীনক ভাৰতে কৰিব অতিক্ৰম



**নিউজ ব্যুৰ', বেইজিং, ১৪ মে' ঃ** আগন্তুক কেইবছৰমানৰ ভিতৰতে ভাৰতে জনসংখ্যাত চীনক অতিক্ৰম কৰি বিশ্বৰ সৰ্বাধিক জনবহুল দেশ হিচাপে পৰিচিত হ'ব পাৰে। ৰাষ্ট্ৰসংঘৰ পূৰ্বানুমান অনুসৰি ২০২৭ৰ পূৰ্বেই ভাৰতে জনসংখ্যাৰ ক্ষেত্ৰত চীনক পৰাভূত কৰিব পাৰে বুলি দাবী কৰিলে জনসংখ্যা বিষয়ত অধ্যয়নকাৰী চীনৰ বিশেষজ্ঞই। পূৰ্বে ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা প্ৰতিবেদনত উল্লেখ কৰি কৈছিল যে ২০২৭ৰ ভিতৰত ভাৰত বিশ্বৰ সবাতোকৈ অধিক জনসংখ্যাৰ দেশ হিচাপে পৰিচিত হোৱাৰ সম্ভাৱনা আছে। কিন্তু চীনৰ জনসংখ্যা বিষয়ক বিশেষজ্ঞৰ মতে, ৰাষ্ট্ৰসংঘই নিৰ্ধাৰণ কৰা সময়সীমাৰ বহু আগেয়ে চীনক ভাৰতে জনসংখ্যাৰ ক্ষেত্ৰত অতিক্ৰম কৰাৰ সম্ভাৱনা আছে। চীনা বিশেষজ্ঞৰ মতে ২০২৩-২০২৪ বৰ্ষৰ ভিতৰতে ভাৰত বিশ্বৰ ভিতৰত জনবহুল দেশত পৰিণত হ'ব পাৰে।

## দিল্লীত ক'ভিডৰ সংক্ৰমণ ১২ শতাংশলৈ হ্ৰাস পালে

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৪ মে' ঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণ দিল্লীত সামান্য হ্ৰাস পালে। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি এইখন ভাৰ্চুৱেল সংবাদমেলত অংশ লোৱাৰ সময়ত কয় যে দিল্লীত ক'ভিড সংক্ৰমণৰ হাৰ হ্ৰাস পাই ১২ শতাংশ হ'ল। বিগত ২৪ ঘণ্টাত দেশৰ ৰাজধানী চহৰখনত নতুনকৈ ৮,৫০০ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। দিল্লীৰ মুখ্যমন্ত্ৰীয়ে লগতে প্ৰকাশ কৰা মতে, বিগত ১০ দিনত কৰ'না ভাইৰাছত আক্ৰান্ত ৰোগীৰ বাবে ৩,০০০ শয্যা উপলব্ধ কৰোৱা হৈছিল। অৱশ্যে আই চি ইউসমূহত বৰ্তমানেও ৰোগীৰ যথেষ্ট ভিৰ আছে। নতুনকৈ ১,২০০ খন আই চি ইউ শয্যা ৰাজ্য চৰকাৰে ক'ভিড ৰোগীৰ বাবে সাজু কৰা বুলিও কেজৰিৱালে জানিবলৈ দিয়ে। স্বাস্থ্য বিভাগৰ পৰিসংখ্যা অনুসৰি কালি দিল্লীত ১০,৪৮৯ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল আৰু ৩০৮ জন লোকৰ এই ভাইৰাছত সংক্ৰমিত হোৱাৰ ফলত মৃত্যু হৈছিল। বৃহস্পতিবাৰে দিল্লীত ক'ভিডৰ সংক্ৰমণৰ হাৰ আছিল ১৪.২৪ শতাংশ। আজি ৰাজধানী চহৰখনত ক'ভিড সংক্ৰমণৰ হাৰ ১২ শতাংশলৈ হ্ৰাস পালে।



## ভাৰতীয় প্ৰজাতিৰ সংক্ৰমণত আতংকিত ব্ৰিটেইনত হ'ব পাৰে পুনৰ তলাবন্ধ

**নিউজ ব্যুৰ', লণ্ডন, ১৪ মে' ঃ** ভাৰতত তাণ্ডৱ সৃষ্টি কৰা কৰ'না ভাইৰাছৰ বি.১.৬১৭ প্ৰজাতিৰ সংক্ৰমণে ব্ৰিটেইনকো চিন্তিত কৰি তুলিছে। শেহতীয়াভাৱে ব্ৰিটেইনত দ্ৰুতগতিত বিয়পিছে এই তথাকথিত ভাৰতীয় প্ৰজাতিৰ ক'ভিড। কৰ'নাৰ নতুন সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ব্ৰিটিছ প্ৰধানমন্ত্ৰী বৰিছ জনছনৰ চৰকাৰে পুনৰ দেশখনত আঞ্চলিক তলাবন্ধৰ চিন্তা-চৰ্চা কৰিছে। ব্ৰিটিছ সংসদত প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় প্ৰজাতিৰ সংক্ৰমণত উদ্বেগ প্ৰকাশ কৰি এই বিপজ্জনক প্ৰজাতিৰ সংক্ৰমণৰ ফলত ব্ৰিটেইনত পুনৰ তলাবন্ধ হোৱাৰ শংকা ব্যক্ত কৰে। প্ৰধানমন্ত্ৰী জনছনে কালি এই কথা প্ৰকাশ কৰি লগতে কয় যে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে অঞ্চল বিশেষে তলাবন্ধ ঘোষণা কৰা হ'ব পাৰে। উল্লেখ্য যে কৰ'নাৰ ভাৰতীয় প্ৰজাতিৰ সংক্ৰমণ উত্তৰ পশ্চিম ইংলণ্ডত সৰ্বাধিক হৈছে। তদুপৰি বল্টন, লণ্ডন, বেডফ'ৰ্ড, ব্লেকবাৰ্ণ আৰু ডাৰউইনতো এই প্ৰজাতিৰ ভাইৰাছৰ ব্যাপক সংক্ৰমণ প্ৰত্যক্ষ হৈছে।



## সংখ্যাগৰিষ্ঠতা প্ৰদৰ্শনত ব্যৰ্থ বিৰোধী, আস্থা ভোটত পৰাজিত হৈও পুনৰ নেপালৰ প্ৰধানমন্ত্ৰী হ'ল অলি



**নিউজ ব্যুৰ', কাঠমাণ্ডু, ১৪ মে' ঃ** পুনৰ নেপালৰ প্ৰধানমন্ত্ৰীৰ আসনত বহিবলৈ সাজু হ'ল 'চীনপন্থী' কে পি শৰ্মা অলি। বিৰোধীয়ে আস্থা ভোটত সংখ্যাগৰিষ্ঠতাৰ প্ৰমাণ দিবলৈ সক্ষম নোহোৱাত অলিয়ে আকৌ এবাৰ প্ৰধানমন্ত্ৰী হোৱাৰ পথ প্ৰশস্ত হ'ল। ৰাষ্ট্ৰপতিয়ে বান্ধি দিয়া নিৰ্দিষ্ট সময়ৰ ভিতৰত নেপালৰ বিৰোধী দলসমূহে চৰকাৰ গঠনৰ বাবে সংখ্যাগৰিষ্ঠতাৰ প্ৰমাণ দিব নোৱাৰিলে। ফলত নেপালৰ সংবিধানৰ ৭৬ (৩) ধাৰা অনুসৰি পুনৰ দেশখনৰ প্ৰধানমন্ত্ৰীৰ দায়িত্ব লাভ কৰিলে অলিয়ে। উল্লেখ্য যে কিছুদিন পূৰ্বে সংসদৰ আস্থা ভোটত পৰাজিত হৈছিল অলি। ইয়াৰ পাছতে বৃহস্পতিবাৰৰ ভিতৰত বিৰোধী দলক চৰকাৰ গঠনৰ বাবে সংখ্যাগৰিষ্ঠতাৰ প্ৰমাণ দিবলৈ ৰাষ্ট্ৰপতি বিদ্যাদেৱী ভাণ্ডাৰীয়ে সময় বান্ধি দিছিল। কিন্তু নিৰ্দিষ্ট সময়ৰ ভিতৰত নেপালী কংগ্ৰেছসহ অন্যান্য বিৰোধী দলসমূহে সংখ্যাগৰিষ্ঠতাৰ প্ৰমাণ দিবলৈ সফল নহ'ল।

## সক্ৰিয় অমিতাভ ঃ কৰ'না যুদ্ধত দেশক সহায়ৰ বাবে পোলেণ্ডৰ পৰা আনিব ৫০টা অক্সিজেন কনচেনট্ৰেটৰ



**নিউজ ব্যুৰ', মুম্বাই, ১৪ মে' ঃ** কৰ'না যুদ্ধত আকৌ এবাৰ সক্ৰিয় হ'ল মহাতাৰকা অভিনেতা অমিতাভ বচ্চন। এই মাৰণ ভাইৰাছৰ বিৰুদ্ধে যুঁজত মহাতাৰকা অভিনেতাজনে বিভিন্ন ধৰণৰে সহায় কৰি আহিছে। এইবাৰ পোলেণ্ডৰ পৰা ৫০টা অক্সিজেন কনচেনট্ৰেটৰ ভাৰতলৈ অনাৰ ব্যৱস্থা কৰিলে অমিতাভে। নিজৰ ব্ল'গৰ জৰিয়তে এই কথা প্ৰকাশ কৰি অমিতাভে জনোৱা মতে, পোলেণ্ডৰ ৰাষ্ট্ৰদূতে তেওঁক ব্যক্তিগত ব্যৱহাৰৰ বাবে এটা অক্সিজেন কনচেনট্ৰেটৰ উপহাৰ দিব বিচাৰিছিল। কিন্তু এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি অভিনেতাজনে ভাৰতত হোৱা অক্সিজেনৰ নাটনি পূৰণৰ বাবে পোলেণ্ডৰ পৰা অক্সিজেন কনচেনট্ৰেটৰ আনিবলৈ ইচ্ছা প্ৰকাশ কৰাত ৰাষ্ট্ৰদূতে তেওঁক পোলেণ্ডৰ কোম্পানী এটাৰ সন্ধান দিছিল। ইতিমধ্যে এই কোম্পানীটোৰ পৰা অমিতাভে ৫০টা অক্সিজেন কনচেনট্ৰেটৰ ক্ৰয়ৰ ব্যৱস্থা কৰিছে। তদুপৰি ২০টা ভেণ্টিলেটৰ ক্ৰয়ৰো ব্যৱস্থা অভিনেতাজনে ইতিমধ্যে কৰিছে। ১০টা ভেণ্টিলেটৰ অমিতাভে বি এম চি আৰু অন্যান্য চিকিৎসালয়ক যোগান ধৰিছে। আন ১০টা যন্ত্ৰ চলিত মাহৰ অন্তিমভাগত লাভ কৰিব বুলি অমিতাভে ব্ল'গত উল্লেখ কৰিছে।

## আমেৰিকা-ৰাছিয়াৰ মাজত মহাকাশত চলচ্চিত্ৰ নিৰ্মাণৰ যুঁজ

**নিউজ ব্যুৰ', লছ এঞ্জেলছ, ১৪ মে' ঃ** এইবাৰ হলিউডৰ ষ্টুডিঅ'ত নহয়, মহাকাশক লৈ চলচ্চিত্ৰৰ দৃশ্যগ্ৰহণ হ'ব মহাকাশতে। এখন নহয়, দুখনকৈ মহাকাশ বিষয়ক চলচ্চিত্ৰ নিৰ্মাণ কৰা হ'ব এইদৰে মহাকাশত। আমেৰিকাৰ মহাতাৰকা অভিনেতা টম ক্ৰুজক এনে এখন ছবি নিৰ্মাণৰ বাবে প্ৰেৰণ কৰা হৈছে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰলৈ। আনহাতে, ৰাছিয়াৰ মহাতাৰকা অভিনেত্ৰী ইউলিয়া পেৰিচলিডক মহাকাশলৈ প্ৰেৰণৰ যো-জা চলাইছে ৰাছিয়াই। কেৱল অভিনেতা-অভিনেত্ৰীয়েই নহয়, আমেৰিকা আৰু ৰাছিয়াৰ দুজন চলচ্চিত্ৰ পৰিচালকো মহাকাশলৈ যাব। নাছা আৰু ৰছকছমছৰ সূত্ৰই আন্তৰ্জাতিক সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰিছে। উভয় দেশেই অহা অক্টোবৰত মহাকাশত থাকিয়ে মহাকাশ বিষয়ক চলচ্চিত্ৰ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰিছে। ৰছকছমছে প্ৰকাশ কৰা অনুসৰি, ৰাছিয়ান মহাকাশ





বিষয়ৰ ছবিখনৰ দৃশ্যগ্ৰহণ ভূপৃষ্ঠৰ পৰা ৩৭০ মাইল উচ্চতাত পৃথিৱীৰ কক্ষপথত প্ৰদক্ষিণৰত আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত সম্পন্ন কৰা হ'ব। অহা অক্টোবৰত ৰুছ অভিনেত্ৰী ইউলিয়া পেৰিছলিডে মহাকাশ কেন্দ্ৰ অভিমুখে ৰাওনা হ'ব। ৰাছিয়াৰ জনপ্ৰিয় বিজ্ঞান বিষয়ক ছবি নিৰ্মাতা ক্লিম শ্বিপেনক'ৰে এই ছবিখন পৰিচালনা কৰিব। আনহাতে, একে সময়তে হলিউডৰ অভিনেতা টম ক্ৰুজেও মহাকাশত এখন ছবিৰ দৃশ্যগ্ৰহণত অংশ ল'ব। এই ছবিখন পৰিচালনা কৰিব ড'গ লীমেনে। অক্টোবৰতে মাৰ্কিন নিৰ্দেশকৰ ছবিখনৰ দৃশ্যগ্ৰহণ আৰম্ভ হ'ব বুলি নাছাই জানিবলৈ দিয়ে। ক্ৰুজ-লীমেনক ছবিখন নিৰ্মাণত সহায় কৰিছে স্পেচ এক্সৰ মুৰব্বী এলন মাস্কে। ৰুছ ছবিখনৰ দৃশ্যগ্ৰহণ অহা পাঁচ অক্টোবৰৰ পৰা আৰম্ভ হোৱাৰ সম্ভাৱনা আছে বুলি ৰছকছমছে জানিবলৈ দিয়ে। আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰত থাকি ছবিৰ দৃশ্যগ্ৰহণত অংশ লোৱা আৰু ছবি পৰিচালনা কৰাটো যথেষ্ট প্ৰত্যাহ্বানজনক হ'ব। বিজ্ঞানীসকলৰ মতে, মহাকাশত ছবিৰ দৃশ্যগ্ৰহণক লৈও শক্তি প্ৰদৰ্শন কৰিবলৈ সাজু হৈছে বিশ্বৰ দুই শক্তিধৰ দেশ আমেৰিকা আৰু ৰাছিয়া।

## মানুহৰ দৰে ভাইৰাছৰো আছে জীয়াই থকাৰ অধিকাৰ ঃ দাৰ্শনিক মন্তব্য উত্তৰাখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ



**নিউজ ব্যুৰ', ডেৰাডুন, ১৪ মে' ঃ** দেশত কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ সময়তে বিজেপিৰ একাংশ নেতা-কৰ্মীয়ে ক'ভিড সন্দৰ্ভত নানা আজব মন্তব্য প্ৰকাশ কৰি আহিছে। এইবাৰ উত্তৰাখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ত্ৰিবেন্দ্ৰ সিং ৰাৱটে কৰ'না ভাইৰাছৰ প্ৰতি একপ্ৰকাৰ সহমৰ্মিতা প্ৰকাশ কৰি ক'লে 'কৰ'নাও মানুহৰ দৰে জীৱ। সিহঁতৰো জীয়াই থকাৰ অধিকাৰ আছে।' প্ৰাক্তন মুখ্যমন্ত্ৰীজনৰ এই দাৰ্শনিক মন্তব্যই সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। এটা বেচৰকাৰী টেলিভিছন চেনেলত এক সাক্ষাৎকাৰত ৰাৱটে কৈছিল, 'দাৰ্শনিক দৃষ্টিভংগীৰে চালে ক'ব লাগিব যে কৰ'না ভাইৰাছো আমাৰ দৰে জীৱন্ত। তেওঁলোকৰো আমাৰ দৰে জীয়াই থকাৰ অধিকাৰ আছে। কিন্তু আমি মানুহে নিজকে সবাতোকৈ বুদ্ধিমান বুলি ভাবো। সেয়েহে ভাইৰাছক নিৰ্মূল কৰিব বিচাৰিছো। গতিকে কৰ'না ভাইৰাছেও নিজক ক্ৰমাগত সলনি কৰিছে।'

# প্ৰাপ্য বেতনৰ দাবীত তেজপুৰত কৰ'না যোদ্ধাৰ প্ৰতিবাদ

## ১৮০ এম্বুলেঞ্চ সেৱাৰ কৰ্মচাৰীৰো প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১৪ মে' ঃ** কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধী যুঁজখনত সন্মুখৰ পৰা অৱতীৰ্ণ হোৱা একাংশ স্বাস্থ্য কৰ্মীয়ে তেওঁলোকৰ প্ৰাপ্য মজুৰি নিয়মীয়াকৈ লাভ নকৰাত তেওঁলোকৰ মাজত তীব্ৰ ক্ষোভ সৃষ্টি হৈছে। এইসকল কৰ্মচাৰীয়ে প্ৰাপ্য মাননিৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক জনাইছে। উল্লেখ্য যে ২০২০ৰ জুনত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দ্বাৰা নিযুক্তি লাভ কৰা চতুৰ্থ বৰ্গৰ ৫৪১ জন কৰ্মচাৰীয়ে আজি নিয়মীয়াকৈ মাননি লাভ কৰা নাই। নিযুক্তি লাভ কৰিয়েই এই কৰ্মচাৰীসকলে ২০২০ত কৰ'না যোদ্ধাৰূপে কাম কৰি আহিছিল আৰু বৰ্তমানও সেই কাম কৰি আছে। কিন্তু এইসকল স্বাস্থ্যকৰ্মীৰ প্ৰতি গুৰুত্ব নাই স্বাস্থ্য বিভাগ কিম্বা ৰাজ্য চৰকাৰৰ। এবছৰে এইসকল স্বাস্থ্য কৰ্মীয়ে ধাৰ ঋণ কৰি কোনো মতে ঘৰ ভাড়া লৈ চলি আছিল। কিন্তু এতিয়া উপায়হীন হৈছে এইসকল চতুৰ্থ বৰ্গৰ কৰ্মচাৰী। কোনও তেওঁলোকক ধন ধাৰলৈ বা দোকানৰ বাকী নিদিয়া হ'ল। এনে অৱস্থাত স্বাস্থ্য কৰ্মীসকলে তদানীন্তন স্বাস্থ্য মন্ত্ৰী তথা বৰ্তমান ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কাতৰ অনুৰোধ জনাইছে তেওঁলোকক নিয়মীয়াকৈ মাননি প্ৰদান কৰিবলৈ। ইফালে ২০২১ৰ ১০ জানুৱাৰীত ৫৪৫ গৰাকী এ এন এম নাৰ্ছৰ পদৰ লগতে আন লেবটৰি সহায়ক, কম্পিউটাৰ, কনিষ্ঠ সহায়কসহ মুঠ ৫৯৪ টা পদৰ নিযুক্তিৰ বাবে স্বাস্থ্য বিভাগে পৰীক্ষা অনুষ্ঠিত কৰিছিল যদিও আজিলৈকে এই পৰীক্ষাৰ ফলাফল ঘোষণা নকৰিলে। বৰ্তমান ৰাজ্যত নতুন চৰকাৰৰ গঠন হোৱাৰ বিপৰীতে উক্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ৫৪৫ গৰাকী এ এন এম নাৰ্ছৰ ৯৯ শতাংশ কিন্তু বৰ্তমান ৰাজ্য বিভিন্ন চিকিৎসালয়ত ক'ভিড চিকিৎসাৰে জড়িত হৈ আছে। কিন্তু এই সকলৰো নিযুক্তি আৰু মাননি নিয়মীয়াকৰণৰ কোনো ব্যৱস্থাই হোৱা নাই। আনহাতে, ৰাজ্যত কৰ'না ৰোগীৰ ক্ষেত্ৰত বিশেষ সেৱা আগবঢ়াই অহা জিভিকে ১০৮ এম্বুলেন্স সেৱাৰ কৰ্মচাৰীসকলেও দৰমহা নিয়মীয়াকৈ লাভ নকৰাৰ অভিযোগ কৰি তেওঁলোকে ক'লা বেজ পৰিধান কৰি আন্দোলনত নামি পৰিছে। এইসকল কৰ্মচাৰীয়ে তেওঁলোকৰ দৰমহা প্ৰতি মাহৰ প্ৰথম সপ্তাহত নহ'লে অধিক কঠোৰ আন্দোলনৰ কৰাৰ সাৱধানবাণী শুনাই এই ক্ষেত্ৰত ৰাজ্য চৰকাৰক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। অৱশ্যে বৰ্তমানলৈকে তেওঁলোকে নিজৰ দায়িত্ব পালন কৰি গৈছে।

# ৰাজ্যৰ আৰক্ষী প্ৰশাসনত বৃহৎ সালসলনি মুখ্যমন্ত্ৰীৰ

## অধিকাংশ জিলাৰে আৰক্ষী অধীক্ষক সলনি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১৪ মে' ঃ** মুখ্যমন্ত্ৰীৰূপে গৃহবিভাগৰ দায়িত্ব লোৱাৰ পাছতে ৰাজ্যৰ আৰক্ষী অধীক্ষক পৰ্যায়ত আজি বৃহৎ সালসলনি ঘটায় ড° হিমন্ত বিশ্ব শৰ্মায়। আৰক্ষী জিলাসহ অধিকাংশ জিলাকে এনে সালসলনিত সামৰি লোৱা হৈছে। জিলাবোৰৰ ভিতৰত আছে তিনিচুকীয়া, কাছাৰ, শোণিতপুৰ, কোকৰাঝাৰ, শিৱসাগৰ, ধুবুৰী, নগাঁও, যোৰহাট, চিৰাং, ডিব্ৰুগড়, হাইলাকান্দি, বৰপেটা, গোলাঘাট, কাৰ্বি আংলং, মাজুলী, মৰিগাঁও, হোজাই, চৰাইদেউ, লখিমপুৰ, বাগ্‌সা, বঙাইগাঁও, দক্ষিণ শালমাৰা, দৰং, ওদালগুৰি, বিশ্বনাথ আৰু হামৰেন আৰক্ষী জিলা। ইয়াৰে বেছিভাগ জিলাৰে আৰক্ষী অধীক্ষকক আন জিলালৈ বদলি কৰাৰ বিপৰীতে একাংশক আৰক্ষীৰ মুখ্য কাৰ্যালয়ত ৰখা হৈছে। গুৱাহাটী আৰক্ষী আয়ুক্তৰ অধীনৰো কেইটামান পদত সালসলনি ঘটোৱা হৈছে। গুৱাহাটী আৰক্ষীৰ উপ-আৰক্ষী আয়ুক্ত বৰুণ পুৰকায়স্থ বদলি কৰা হৈছে। তেওঁৰ স্থানত নিযুক্তি দিয়া হৈছে তৃতীয় এ পি টি এফৰ কমাণ্ডেন্ট মোহনলাল মীনাক। গুৱাহাটী পূব আৰক্ষী জিলাৰ উপ-আৰক্ষীৰূপে নিযুক্তি দিয়া হৈছে শুভ্ৰজ্যোতি বৰুৱাক। কেইখনমান জিলাৰ নতুন আৰক্ষী অধীক্ষকসকল হ'ল নলবাৰীত পবেন্দ্ৰ কুমাৰ নাথ, বাগ্‌সাত ৰাজেন সিং, মাজুলীত গৌতম বৰা, কাছাৰত নীম্বলকাৰ বৈভৱ চন্দ্ৰকান্ত, শোণিতপুৰত শিলাদিত্য চেতিয়া, শিৱসাগৰত ৰাকেশ ৰৌচন, নগাঁৱত আনন্দ মিশ্ৰ, যোৰহাটত অংকুৰ জৈন, চিৰাঙত গৌৰৱ উপাধ্যায়, কোকৰাঝাৰত থুৱে প্ৰতীক বিজয়কুমাৰ, হাইলাকান্দিত ৰমনদ্বীপ কৌৰ, গোলাঘাটত ৰবীন কুমাৰ, কাৰ্বি আংলঙত পুষ্পৰাজ সিং, ধুবুৰীত গৌৰৱ অভিজিত দিলীপ, মৰিগাঁৱত অৰ্পণা এন, ডিব্ৰুগড়ত শ্বেতাং মিশ্ৰ, চৰাইদেউত সুধাকৰ সিং, বঙাইগাঁৱত স্বপ্নীল ডেকা, দক্ষিণ শালমাৰাত সুবোধ কুমাৰ সোণোৱাল, বৰপেটাত অমিতাভ সিনহা, ওদালগুৰিত হিৰণ্য বৰ্মন, দৰঙত সুশান্ত বিশ্ব শৰ্মা, লখিমপুৰত ড° বেদান্ত মাধৱ ৰাজখোৱা, তিনিচুকীয়াত দেৱজিৎ দেউৰী, বিশ্বনাথত ৰিপুল দাস আৰু হামৰেণত অজগ্ৰন বসুমতাৰী।

## মুক্তিযুঁজাৰুৰ পত্নী সাৰদা দেৱীৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৪ মে' ঃ** নলবাৰী জিলাৰ দক্ষিণ বেজেৰা নিবাসী মুক্তিযুঁজাৰু প্ৰয়াত সোণাপতি শৰ্মাৰ পত্নী সাৰদা দেৱী (৯০)ৰ যোৱা নিশা ১০-৩০ বজাত মৃত্যু হয়। উল্লেখ্য যে সম্প্ৰতি গুৱাহাটী জালুকবাৰীৰ মলয় নগৰৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয় চৌহদত স্থায়ীভাৱে থাকিবলৈ লোৱা সাৰদা দেৱী বিগত কিছুদিন ধৰি অসুস্থ হৈ আছিল যদিও যোৱা নিশা গুৱাহাটীৰ নিজ গৃহতে শেষ নিশ্বাস ত্যাগ কৰে। ধৰ্মপ্ৰাণ মহিলাগৰাকীৰ মৃত্যুত গৃহ গাঁও দক্ষিণ বেজেৰাৰ লগতে জালুকবাৰীৰ মলয় নগৰত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ তিনি পুত্ৰ, এগৰাকী কন্যা এৰি যায়।

# কৃতী শিক্ষক, বিশিষ্ট সাহিত্যিক দেবেন কছাৰীৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**



**দুধনৈ, ১৪ মে' ঃ** অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, বিশিষ্ট সাহিত্যিক, দেবেন কছাৰী আৰু নাই। আজি বিয়লি ডেৰ বজাত তেওঁৰ দৰংগিৰি-মাজপাৰা গাঁৱৰ নিজ বাসভৱনত উচ্চ ৰক্ত চাপজনিত কাৰণত মৃত্যু বৰণ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। ১৯৪০ৰ সাত নৱেম্বৰত দৰংগিৰিৰ মাজপাৰা গাঁৱত জন্মগ্ৰহণ কৰা দেবেন কছাৰী একেধাৰে শিক্ষকৰূপে শিক্ষকতা জীৱনৰ পাতনি মেলে। ১৯৭৩ত তেওঁ আমজোঙা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু পিছলৈ আমজোঙা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰে। ২০০১ত তেওঁ ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা লাভ কৰে। তেওঁ গোৱালপাৰা জিলা মধ্য ইংৰাজী বিদ্যালয় শিক্ষক সংস্থাৰো দায়িত্ব পালন কৰিছিল। তেওঁ গোৱালপাৰা জিলা বড়ো সাহিত্য সভাৰ দুটাকৈ কাৰ্যকালৰ সভাপতি, বড়ো বাৰ দলৰ সাংস্কৃতিক সম্পাদক, বড়ো কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি, দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলা বড়ো সমন্বয় সমিতিৰ উপ-সভাপতিৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। ইপিনে, শিক্ষকতা জীৱনৰ পৰা অৱসৰ গ্ৰহণৰ পাছত ২০০৬ত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্যৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ১৯৮১ত বড়ো কৃষ্টি সংস্কৃতিৰ বিকাশৰ বাবে সংগীত নাটক একাডেমী বঁটা প্ৰাপ্ত কামিনী কান্ত নাৰ্জাৰীক গোৱালপাৰা জিলালৈ আনি বড়ো নৃত্য-গীতৰ উন্নয়ন সাধনৰ বাবে বিশেষ উদ্যোগ লয়। ফলশ্ৰুতিত অসম সাংস্কৃতিক সঞ্চালকালয়ৰ সৌজন্যত বড়ো কৃষ্টি সংস্কৃতিক সৰ্বভাৰতীয় পৰ্যায়লৈ নিবৰ বাবে সক্ষম হয়। তেওঁৰ নেতৃত্বত বড়ো নৃত্যৰ দল দিল্লী, কলকাতা, মুম্বাই, কেৰালা, হায়দৰাবাদ, গোৱা আদি ঠাইত সৰ্ব ভাৰতীয় পৰ্যায়ত অনুষ্ঠিত সাংস্কৃতিক সমাৰোহত নৃত্য প্ৰদৰ্শনেৰে অসমলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। তেওঁ আকাশবাণী গুৱাহাটী আৰু গুৱাহাটী দূৰদৰ্শনতো বিভিন্ন কথিকা আৰু সাংস্কৃতিক অনুষ্ঠান আগবঢ়াইছিল. তেওঁৰ লিখিত গ্ৰন্থসমূহ হ'ল- মোৰ প্ৰয়াস, বেলবুং ৰাম কছাৰী, ভ্ৰমণৰ স্মৃতি আৰু অন্যান্য আৰু বড়ো ভাষাত লিখা বড়ো সংস্কৃতিৰ ৰূপৰেখা। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ আৰু দুগৰাকী কন্যা এৰি যায়।

# মৰিয়নিৰ বাগিচাই বাগিচাই ওলাইছে প'জিটিভ ৰোগী

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৪ মে' ঃ** ক'ভিড-১৯ৰ ভয়াবহতাই মৰিয়নিৰ চাহ বাগিচাসমূহতো ব্যাপকভাৱে স্পৰ্শ কৰিছে। মৰিয়নি অঞ্চলৰ প্ৰায় আটাইবোৰ বাগিচাতেই বৃদ্ধি পাইছে ক'ভিড-১৯ প'জিটিভ ৰোগীৰ সংখ্যা। মৰিয়নিৰ দিছৈ চাহ বাগিচাৰ এটা পৰিয়ালৰ দুগৰাকী মহিলা প'জিটিভ ওলাইছিল। আনহাতে, চাৰিদিন পূৰ্বে চৈকটা চাহ বাগিচাৰ এজন লোকৰ দেহত ক'ভিড-১৯ ভাইৰাছ পোৱা যায়। আনহাতে, কালি কাকজান চাহ বাগিচাৰ তিনিজনকৈ কৰ্মচাৰী ক'ভিড-১৯ প'জিটিভ হৈছে। ইয়াৰ পূৰ্বে ডকলংগীয়া চাহ বাগিচা আৰু কাটনীবাৰী চাহ বাগিচাৰ কৰ্মচাৰীৰ দেহতো ক'ভিড-১৯ ভাইৰাছৰ উপস্থিতি পোৱা গৈছিল। তদুপৰি বহুকেইখন চাহ বাগিচাত পজিটিভ ৰোগী থকাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। লক্ষণীয় যে কিছুসংখ্যক লোকে বিশেষ কাৰণত ক'ভিড-১৯ পৰীক্ষা কৰাৰ বাবেহে তেওঁলোক পজিটিভ বুলি ধৰা পৰিছে। বিপৰীতে অধিক সংখ্যক লোকে পৰীক্ষা নকৰাকৈয়ে আছে। পূৰ্বতে স্বাস্থ্য বিভাগে বাগিচাসমূহৰ শ্ৰমিকৰ ক'ভিড-১৯ পৰীক্ষা কৰিছিল যদিও এইবাৰ তেনে কৰা পৰিলক্ষিত হোৱা নাই। ফলত বিভিন্ন কাৰণত দুই এজন আক্ৰান্ত হ'লেও তেওঁলোকৰ সংস্পৰ্শলৈ সহজে অহা লোকৰ মাজত ভয়াৱহ সংক্ৰণৰ হোৱাৰ আশংকা কৰা হৈছে। অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ মৰিয়নি শাখাই অলপতে চাহ বাগিচাসমূহত ক'ভিড-১৯ সম্পৰ্কীয় সজাগতা অভিযান চলোৱাৰ লগতে চৰকাৰী নীতি-নিয়মৰ সম্পৰ্কে শ্ৰমিকসকলক অৱগত কৰোৱাৰ ব্যৱস্থা কৰিবলৈ প্ৰশাসন আৰু স্বাস্থ্য বিভাগক আহ্বান জনাইছিল যদিও অধ্যাপি তেনে কৰা পৰিলক্ষিত হোৱা নাই। একেদৰে বাগিচাসমূহৰ কৰ্তৃপক্ষইয়ো বিশেষ পদক্ষেপ গ্ৰহণ কৰা নাই। ফলত শ্ৰমিকসকলৰ মাজত ভয়াৱহ সংক্ৰমণৰ আশংকা কৰা হৈছে। উল্লেখ্য যে চাহ বাগিচামসূহৰ লাইনসমূহ যথেষ্ট ঘন বসতিপূৰ্ণ। এনেবোৰ স্থানত সংক্ৰমণ হ'লে ক'ভিডে অধিক ভয়াৱহ ৰূপ লোৱাৰ আশংকা থাকে। সমান্তৰালভাৱে অধিকাংশ চাহ বাগিচাৰ লোকসকলৰ মৰিয়নি, দেবেৰাপাৰ চাৰিআলি আদি ঠাইলৈ সততে আহ-যাহ চলি থাকে।

# জাজৰি বৰমণিপুৰ নিচানতলৰ জামালউদ্দিনৰ আহমেদৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৪ মে' ঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া জাজৰি বৰমণিপুৰ নিচানতল গাঁও নিৱাসী জামালউদ্দিন আহমেদ (৫৫)ৰ কালি বিয়লি নিজ বাসগৃহত মৃত্যু হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বৰচিৰাস্থিত কাৰ্যালয়ৰ কৰ্মচাৰী আহমেদে অঞ্চলটোৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত হৈ সেৱা আগবঢ়াইছিল। আহমেদৰ বিয়োগত মৰিগাঁও জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগ, বটদ্ৰৱা প্ৰেছ ক্লাব, বেবেজীয়া প্ৰেছ ক্লাব, জাজৰি বৰ মছজিদ সমাজ, শ্বাইন'ছ প্লেয়াৰ্ছ আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোকপ্ৰকাশ কৰিছে। কালি সন্ধিয়া ক'ভিড তেওঁৰ জানাজা নামাজ সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, সংবাদসেৱী পুত্ৰ আজাহাৰ উদ্দিন আহমেদ, কন্যা এৰি যায়।

## এল্ট'ৰ খুন্দাত মৃত্যু দুই মটৰ

*এক পৃষ্ঠাৰ পৰা* প্ৰায় ৩.৩০ বজাত ফুলনিৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সমীপতে বিপৰীত দিশৰ পৰা আহি থকা এএছ-০৯-এইচ-০৬২৭ নম্বৰৰ মাৰুতি এল্ট'খনৰ স'তে এএছ-০৯-ই-১০৩৩ নম্বৰৰ মটৰ চাইকেলখনৰ মুখামুখি সংঘৰ্ষ হয়। দুৰ্ঘটনাটোত দুয়োজন মটৰ চাইকেল আৰোহী অতি গুৰুতৰভাৱে আহত। আহত দুয়োগৰাকীয়ে তৎপৰতাৰে বকলীয়াঘাট প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰলৈ অনা হয় যদিও চিকিৎসালয় পোৱাৰ পূৰ্বেই ইয়াৰে এজন নিহত হয়। নিহত যুৱকজন ঢেকীয়াজুলিৰ ৰাইথাই বসুমতাৰী (২২) বুলি চিনাক্ত কৰা হৈছে। দুৰ্ঘটনাত আহত আনজন যুৱক কাৰ্বি আংলং জিলাৰ ডকমকা থানাৰ অন্তৰ্গত চিপিপলাংছ'ৰ অজয় নাৰ্জাৰী (১৮) বুলি চিনাক্ত কৰা হৈছে। আহত যুৱকজনক অতি সংকটজনক অৱস্থাত উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰা হয় যদিও আদবাটতে যুৱকজনৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে।

# প্ৰাণ হেৰুৱালে ৭৬ জনে, মহানগৰতে মৃত ২০

*এক পৃষ্ঠাৰ পৰা* ৰাষ্ট্ৰীয় খেলুৱৈ আদিও আছে। উল্লেখ্য যে আজিৰ দিনটোত ক'ভিড পৰীক্ষাৰ পৰিমাণ হ্ৰাস পায়। ফলত দৈনিক আক্ৰান্তৰ সংখ্যাও কালিৰ তুলনাত প্ৰায় ১৪শ কমে। আজি ৰাজ্যত ৪৪ হেজাৰ ৫৭ জন লোকৰ পৰীক্ষা সম্পন্ন হৈছিল। ইয়াৰ ভিতৰত চাৰি হেজাৰ ৭৮ জন লোক আক্ৰান্ত হয়। উল্লেখ্য যে কালি আক্ৰান্তৰ সংখ্যা আছিল পাঁচ হেজাৰ ৪৬৮ জন। পৰীক্ষাৰ সংখ্যা কমাৰ বাবে আজি দৈনিক সংক্ৰমণৰ হাৰ কিছু বৃদ্ধি পায়। আজিৰ দৈনিক সংক্ৰমণৰ হাৰ হৈছে ৯.২৬ শতাংশ। ৰাজ্যৰ স্বাস্থ্য বিভাগে জনোৱা মতে, আজিৰ দিনটোত চাৰি হেজাৰ ১৬৮ জন ক'ভিডমুক্ত হয়। ইয়াৰ বিপৰীতে সম্প্ৰতি সক্ৰিয় ৰোগী আছে ৪১ হেজাৰ ৯৭৮ জন। উল্লেখ্য যে আজি ৭৮ জন লোকৰ মৃত্যু হোৱাৰ ফলত ৰাজ্যৰ মৃত ক'ভিড ৰোগীৰ সংখ্যাই দুহেজাৰ অতিক্ৰম কৰে। এই পৰ্যন্ত ৰাজ্যত দুহেজাৰ ৬০ জন লোকৰ ক'ভিডত মৃত্যু হৈছে। ক'ভিডত মৃত্যুৰ হাৰো ০.৬৪ শতাংশলৈ বৃদ্ধি পালে। ইপিনে, ৰাজ্যত সুস্থতাৰ হাৰ বৃদ্ধি পাইছে ৮৫.৮০ শতাংশলৈ।

ইফালে, দৈনিক সংক্ৰমণ আৰু মৃত্যুৰ তালিকাত কামৰূপ মহানগৰ জিলা আজিও শীৰ্ষত থাকে। অৱশ্যে কালিৰ তুলনাত আজি সংক্ৰমণ আৰু মৃত্যুৰ সংখ্যা কিছু হ্ৰাস পায়। আজি মহানগৰত এহেজাৰ ১০৭ জন লোক আক্ৰান্ত হোৱাৰ বিপৰীতে ২০ জনৰ মৃত্যু হয়। ডিব্ৰুগড় জিলাত আজি ৩৫২, কামৰূপ গ্ৰাম্যত ৩২৩ আৰু নগাঁও জিলাত ২২৪ জন লোক নতুনকৈ আক্ৰান্ত হয়। সেইদৰে তিনিচুকীয়া জিলাত ছজন তথা কামৰূপ গ্ৰাম্য আৰু কোকৰাঝাৰ জিলাত পাঁচজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হয়। ইয়াৰ উপৰি বৰপেটা, ডিব্ৰুগড়, নলবাৰী আৰু শোণিতপুৰত চাৰিজনকৈ ৰোগীয়ে প্ৰাণ হেৰুৱায়। কাৰ্বি আংলং, দক্ষিণ শালমাৰাত তিনিজনকৈ, বাগ্‌সা, বঙাইগাঁও, গোৱালপাৰা, কৰিমগঞ্জ, নগাঁৱত দুজনকৈ তথা কাছাৰ, যোৰহাট, ধেমাজি, চিৰাং, ধুবুৰী, গোলাঘাট, লখিমপুৰ আৰু শিৱসাগৰত এজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হয়।

### ডিব্ৰুগড়ত অব্যাহত আছে কৰ'নাৰ জটিল পৰিস্থিতি ঃ মুখ্যমন্ত্ৰীয়ে পৰিদৰ্শন কৰিব চিকিৎসা মহাবিদ্যালয়

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** ডিব্ৰুগড় জিলাত কৰ'নাৰ পৰিস্থিতিৰ জটিলতা এতিয়াও অব্যাহত আছে। জিলাখনত আজি পুনৰ ৩৫৫ জন লোক আক্ৰান্ত হোৱাৰ বিপৰীতে চাৰিজন কৰ'না ৰোগীৰ মৃত্যু হয়। জিলাখনত এই পৰ্যন্ত কৰ'নাৰ দ্বিতীয় লহৰত ৭৬ জন ৰোগীৰ মৃত্যু হৈছে। আনহাতে, আক্ৰান্ত লোকৰ সংখ্যা সাত হেজাৰ অতিক্ৰম কৰিলে। এই পৰ্যন্ত জিলাখনত সাত হেজাৰ ১১১ জন লোক আক্ৰান্ত হৈছে। ইফালে, জিলাখনৰ ভয়াৱহ ক'ভিড পৰিস্থিতিৰ বুজ লোৱাৰ বাবে কাইলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন কৰিব বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই জনাইছে।

### মৰাণত এজনৰ মৃত্যু ঃ আক্ৰান্ত ৮৬

**মৰাণৰ অগ্ৰদূত বাৰ্তা ঃ** ডিব্ৰুগড় আৰু চৰাইদেউ জিলাৰ অন্তৰ্গত বৃহত্তৰ মৰাণ অঞ্চলত আজি ৮৬ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰাৰ উপৰি এজন যুৱ ব্যৱসায়ীৰ মৃত্যু হয়। মৃত ক'ভিড ৰোগীজন হৈছে মৰাণৰ গুলছন মাৰ্কেটত থকা অশোক হোটেলৰ স্বত্বাধিকাৰী মনোজ কুমাৰ মাহাতো (৩২)। বৃহত্তৰ মৰাণ অঞ্চলত এই পৰ্যন্ত ১২ জন ৰোগীৰ মৃত্যু হোৱাৰ বিপৰীতে এহেজাৰ ৩০১ জন লোক আক্ৰান্ত হৈছে। উল্লেখ্য যে ডিব্ৰুগড় জিলাৰ খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজি ৬৫ জন আৰু চৰাইদেউ জিলাৰ পাটসাঁকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত ২১ জন লোকৰ শৰীৰত কৰ'না চিনাক্ত হয়।

### বিশ্বনাথত পুনৰ চাৰিজনৰ মৃত্যু ঃ হেজাৰ অতিক্ৰম কৰিলে আক্ৰান্তৰ সংখ্যাই

**বিশ্বনাথ চাৰিআলিৰ অগ্ৰদূত বাৰ্তা ঃ** বিশ্বনাথ জিলাত আজি চাৰিজন ক'ভিড ৰোগীৰ মৃত্যু হয়। কৰ'নাৰ দ্বিতীয় লহৰত জিলাখনত এই পৰ্যন্ত ১০ জন ৰোগীৰ মৃত্যু হৈছে। আজি মৃত্যু হোৱা দুজন ৰোগীৰ সবিশেষ তথ্য এই পৰ্যন্ত পোহৰলৈ অহা নাই। মৃত্যু হোৱা আন দুজন ৰোগী হ'ল বিশ্বনাথৰ বালিচাং ভীমাজুলিৰ নৰৰাজ ছেত্ৰী (৪৮) আৰু ওপৰ বাঘমাৰা গাঁৱৰ তৰামাই বৰুৱা (৭৮)। ছেত্ৰীৰ তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত আৰু মহিলাগৰাকীৰ নিজ গৃহতে আছুতীয়াকৈ থকা অৱস্থাত মৃত্যু হয়। উল্লেখ্য যে জিলাখনত ক'ভিড আক্ৰান্তৰ সংখ্যাই এহেজাৰ অতিক্ৰম কৰিলে। আজি নতুনকৈ ৪২ জন লোক আক্ৰান্ত হয়। ফলত জিলাখনত আক্ৰান্ত ৰোগীৰ সংখ্যা এহেজাৰ দুজনলৈ বৃদ্ধি পালে। ইয়াৰ ভিতৰত ৪২৪ জন ক'ভিডমুক্ত হোৱাৰ বিপৰীতে সম্প্ৰতি সক্ৰিয় ৰোগী আছে ৫৬৮ জন।

### তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক-যুৱ অধিবক্তাৰ মৃত্যু

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাত যোৱা নিশাৰ পৰা আজিলৈকে চাৰিজন ক'ভিড ৰোগীৰ মৃত্যু হয়। ইয়াৰে তিনিজনৰ শোণিতপুৰত আৰু এজনৰ গুৱাহাটীত মৃত্যু হয়। উল্লেখ্য যে আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হোৱা ক'ভিড ৰোগীজন হৈছে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ফাৰ্মাক'লজী বিভাগৰ সহযোগী অধ্যাপক ডাঃ ওম প্ৰসাদ দাস। কে'বাটাও ৰোগত আক্ৰান্ত চিকিৎসকজনৰ মৃত্যুত আজি তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত গভীৰ শোকৰ ছাঁ পৰে। আনহাতে, যোৱা নিশা তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ঠেলামৰাৰ ঘটুৱা নিবাসী তালক নাথ (৯০) নামৰ ৰোগীজনৰ মৃত্যু হয়। আনহাতে, আজি তেজপুৰ উষা নগৰ নিবাসী যুৱ অধিবক্তা দুলাল বৰা (৩৫) আৰু ঢেকিয়াজুলিৰ ছয় নম্বৰ ৱাৰ্ডৰ বালিশিহাৰ উষা মণ্ডল (৬০)ৰ কৰ'নাত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। চৰকাৰীভাৱে জনোৱা মতে, আজি জিলাখনত ১৮৫ জনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। আনহাতে, আজি ১৫৪ জন ৰোগী ক'ভিডমুক্ত হয়। সম্প্ৰতি শোণিতপুৰ জিলাত এহেজাৰ ৪৯৪ জনম সক্ৰিয় ৰোগী আছে।

ইপিনে, জিলাখনৰ বিভিন্ন অঞ্চলত মানুহে ক'ভিড বিধি উলংঘা কৰাৰ অভিযোগ উঠিছে। আজি তেজপুৰ আৰক্ষীয়ে এনে আইন উলংঘা কৰা লোকৰ ওপৰত লাঠিচালনাও কৰে। অৱশ্যে কামৰ পৰা ঘৰলৈ ওভতা একাংশ লোকৰ প্ৰতিও আৰক্ষী কঠোৰ হোৱা বুলি অভিযোগ উঠিছে। ইফালে, তেজপুৰত আজি ঈদ-উল-ফিটৰৰ নামাজ ঘৰে ঘৰে সম্পন্ন হয়। ইয়াৰ বিপৰীতে তেজপুৰৰ নিকটৱৰ্তী পিঠাখোৱাত একাংশ কৰ'না ৰোগীয়ে মুকলিভাৱে ঘূৰি ফুৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অভিযোগ অনুসৰি বিহগুৰি প্ৰাথমিক বিদ্যালয়ত সম্পন্ন কৰা কৰ'না পৰীক্ষাত পজিটিভ অহাৰ পাছতো একাংশ লোকে পিঠাখোৱা চেণ্টাৰত মুকলিকৈ ঘূৰি ফুৰে। উল্লেখ্য যে ডেকাৰগাঁও ক'ভিড হাস্পতালত আক্ৰান্ত ৰোগীক অতি নিম্নমানৰ খাদ্য দিয়াৰো অভিযোগ উঠিছে। ইপিনে, ক'ভিড ৰোগীৰ বাবে প্লাজমাৰ অভাৱ ঘটাৰো তথ্য পোৱা গৈছে।

### গোৱালপাৰা জমিয়ত উলামাৰ উপ-সভাপতিৰ কৰ'নাত মৃত্যু

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** কৰ'নাত আক্ৰান্ত হৈ প্ৰাণ হেৰুৱালে গোৱালপাৰা জিলা জমিয়ত উলামাৰ উপ-সভাপতি মৌলানা আইনুল হক কাছিমীয়ে। ৬৩ বছৰীয়া ধৰ্মীয় নেতাজনে কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি হৈছিল। কালি হঠাৎ স্বাস্থ্য অৱনতি ঘটাত কাছিমীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালত ভৰ্তি কৰোৱা হয়। আজি পুৱা চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত কাছিমীয়ে পত্নী আৰু ছয় কন্যাক এৰি গৈছে। কাছিমীৰ মৃত্যুত শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে এআইইউডিএফৰ সাধাৰণ সম্পাদক আব্দুল হাইয়ে। তেওঁ কয় যে কাছিমী এআইইউডিএফৰো এজন বলিষ্ঠ কৰ্মী আছিল। তেওঁৰ মৃত্যুত জমিয়ত উলামাৰ লগতে এআইইউডিএফৰ অপূৰণীয় ক্ষতি হোৱা বুলি হাইয়ে কয়। উল্লেখ্য যে বিগত দুটা দিনত গোৱালপাৰা জিলাত কৰ'না ৰোগীৰ সংখ্যা হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। আজি জিলাখনৰ ১৩৪ জন ৰোগী ক'ভিডমুক্ত হয়। ইয়াৰ বিপৰীতে ৮০ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। সম্প্ৰতি জিলাখনত ৭১৯ জন সক্ৰিয় ৰোগী আছে।

### নগাঁৱত পুনৰ চাৰিজনৰ মৃত্যু

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** নগাঁও জিলাত আজি পুনৰ চাৰিজন ক'ভিড ৰোগীৰ মৃত্যু হয়। ইয়াৰে চাৰিজন ৰোগী নগাঁও চহৰৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক'ভিড হাস্পতালত চিকিৎসাধীন হৈ আছিল। মৃত ৰোগী তিনিজন হৈছে হয়বৰগাঁৱৰ সুনীল পাল (৬৫), পুৰণিগুদাম আউনীআটীৰ পদুম বৰা (৬১) আৰু জাজৰিৰ হৰেণ বৰঠাকুৰ (৭৭)। আনহাতে, নগাঁও চহৰৰে লিপি বৰা (৬০) নামৰ মহিলাগৰাকীয়ে ক'ভিডত আক্ৰান্ত হৈ নিজ গৃহতে আছুতীয়াকৈ আছিল যদিও আজি বিয়লি প্ৰায় ৩-৩০ বজাত তেওঁৰ মৃত্যু হয়। জিলাখনৰ স্বাস্থ্য বিভাগে জনোৱা মতে, এই পৰ্যন্ত নগাঁও জিলাত ২৪ জন ৰোগীৰ মৃত্যু হৈছে। ইফালে, জিলাখনত আজি নতুনকৈ ২২০ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত বিগত এটা মাহত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা চাৰি হেজাৰ ৫৪২ জনলৈ বৃদ্ধি পালে। আজি আক্ৰান্তসকলৰ ১৯ জনক চিকিৎসাধীন কৰা হৈছে।

### চামতাৰ ৰাষ্ট্ৰীয় টাইকোৱানড' খেলুৱৈৰ মৃত্যু

**চামতাৰ অগ্ৰদূত বাৰ্তা ঃ** ক'ভিডত আক্ৰান্ত হৈ প্ৰাণ হেৰুৱালে ৰাষ্ট্ৰীয় পৰ্যায়ৰ এজন টাইকোৱানড' খেলুৱৈ তথা নলবাৰীৰ ক্ৰীড়া সংগঠক ৰিংকু তালুকদাৰে। ৩৬ বছৰীয়া তালুকদাৰৰ আজি গুৱাহাটীত চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। তেওঁৰ মৃত্যুত সমগ্ৰ জিলাখনৰ ক্ৰীড়ামহলত শোকৰ ছাঁ পৰে। নলবাৰী বিদ্যাপুৰ অঞ্চলৰ প্ৰতিভাৱান খেলুৱৈজনৰ বিভিন্ন সময়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰি বহুবাৰ স্বৰ্ণপদক জয় কৰাৰ লগতে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মানো অৰ্জন কৰিছিল। তালুকদাৰৰ মৃত্যুত সদৌ অসম টাইকোৱানড' সন্থা আৰু নলবাৰী জিলা টাইকোৱানড' সন্থাই গভীৰ শোক প্ৰকাশ কৰি জিলাখনৰ লগতে ৰাজ্যই এজন সফল খেলুৱৈ তথা ক্ৰীড়া সংগঠক হেৰুৱালে বুলিও কয়। সন্থাৰ আহ্বানক্ৰমে জিলাখনৰ টাইকোৱানড' খেলুৱৈ আৰু প্ৰশিক্ষকসকলে নিজ নিজ গৃহৰ পদূলিত এগছিকৈ বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জনায়।

### পলাশবাৰীত উদীয়মান শিল্পী-বিজেপি কৰ্মীৰ মৃত্যু

**পলাশবাৰী/আজাৰাৰ অগ্ৰদূত বাৰ্তা/ছয়গাঁও ঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত উপৰহালী আৰু বাটৰহাট অঞ্চলৰ দুজন যুৱকৰ কৰ'নাত মৃত্যু হয়। বিজয় নগৰৰ সমীপৰ বাটৰহাট-দহালী (গোসাঁইপাৰা)ৰ উদীয়মান বাঁহীবাদক অনুপম গোস্বামী (৪১)ৰ আজি মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত যুৱকজন প্ৰায় ডেৰমাহ ধৰি চিকিৎসাধীন হৈ আছিল। প্ৰতিভাৱান বাঁহীবাদকজনে মাতৃৰ লগতে অন্তঃসত্তা পত্নী আৰু এটি ছবছৰীয়া পুত্ৰ সন্তান এৰি গৈছে। তেওঁৰ মৃত্যুত পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়াৰ লগতে বহুজনে শোক প্ৰকাশ কৰে। আনহাতে, উপৰহালী (খোখাপাৰা) নিবাসী বিজেপিৰ সক্ৰিয় কৰ্মী দীপক দাস (৪৭)ৰ কালি মৃত্যু হয়। ইপিনে, পলাশবাৰী অঞ্চলত আজি ৩৬ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। সেইদৰে আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজি নতুনকৈ ৬৩ জন ক'ভিড ৰোগী চিনাক্ত হয়।

### শালবাৰীৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰ মৃত্যু

**শালবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** শালবাৰীৰ গাতিৰ শান্তি মন্দিৰ মধ্য ইংৰাজী স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰমেশ দাস (৭৬)ৰ যোৱা নিশা ক'ভিডত মৃত্যু হয়। গণপাৰা গাঁৱৰ প্ৰাক্তন শিক্ষকজনে কিছুদিনৰ পৰা জিভাৰ ঘাৰ পীড়াত ভুগি থকাৰ বাবে আহাৰ গ্ৰহণত কষ্ট পাইছিল। ইয়াৰ ফলত তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটাৰ লগতে বুধবাৰে নিশা শ্বাস-প্ৰশ্বাসৰ সমস্যাই দেখা দিয়ে। কালি পুৱা পৰিয়ালৰ লোক পাঠশালাৰ এখন ব্যক্তিগত হাস্পতাললৈ নিয়াত চিকিৎসকে অক্সিজেনৰ পৰিমাণ হ্ৰাস পোৱাৰ বাবে ক'ভিড পৰীক্ষাৰ পৰামৰ্শ দিয়ে। প্ৰথমে ভৱানীপুৰ সামূহিক স্বাস্থ্য কেন্দ্ৰত সম্পন্ন কৰাৰ পৰীক্ষাৰ ফলাফল নিগেটিভ আহে যদিও চিকিৎসকৰ পৰামৰ্শ মৰ্মে তেওঁ কালি বিয়ালি বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। তেতিয়াই সম্পন্ন কৰা ক'ভিড পৰীক্ষাত ফলাফল পজিটিভ আহে। চিকিৎসকে অক্সিজেন প্ৰদান কৰে যদিও নিশা ১১ বজাত প্ৰাক্তন শিক্ষকজনৰ মৃত্যু হয়।

### চতিয়াত পুনৰ দুজনৰ মৃত্যু

**চতিয়া/নদুৱাৰৰ অগ্ৰদূত বাৰ্তা ঃ** চতিয়া অঞ্চলত আজি দুজন ক'ভিড ৰোগীৰ মৃত্যু হয়। মৃত ৰোগী দুজন হৈছে চতিয়া এলবি ৰোডৰ মুনজ্যোতি শইকীয়া (৫০) আৰু মহেখোটি গাঁৱৰ বিপুল নাথ (৪৬)। যোৱা ১০ মে'ত আক্ৰান্ত হৈ শইকীয়া নিজ গৃহতে আছিল যদিও শ্বাস-প্ৰশ্বাসৰ অসুবিধা হোৱাৰ বাবে ১২ মে'ত তেওঁক বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। পাছত উন্নত চিকিৎসাৰ বাবে শইকীয়াক তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিয়া হৈছিল যদিও আজি তেওঁৰ মৃত্যু হয়। আনহাতে, মহেখোটিৰ নিবাসী নাথে কালি জ্বৰ আৰু কাহত ভুগি থকাৰ বাবে কুসুমতোলাৰ বাছু পাল নামৰ লোকজনৰ ফাৰ্মাচিত ঔষধ সেৱন কৰাৰ লগতে এটা বেজীও লৈছিল। কিন্তু আজি পুৱা হঠাৎ স্বাস্থ্যৰ অৱনতি ঘটাত নাথৰ নিজ গৃহতে মৃত্যু হয়। ইয়াৰ পাছতে স্বাস্থ্য বিভাগে সম্পন্ন কৰা পৰীক্ষাত তেওঁৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ পাছতে স্বাস্থ্য বিভাগ উক্ত ফাৰ্মাচীখন আৰু তেওঁৰ বাসগৃহ কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰে। ইফালে, নাথৰ মৃত্যুৰ পাছত সম্পন্ন কৰা পৰীক্ষাত গাঁওখনৰ ১৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। প্ৰশাসনে মহেখোটি গাঁওখনো কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰিছে। ইফালে, জামুগুৰিহাট অঞ্চলত আক্ৰান্ত লোকৰ সংখ্যা ২০৩ জনলৈ বৃদ্ধি পাইছে। ইয়াৰে ১১৯ জন সক্ৰিয় ৰোগী। বাকীসকলে ইতিমধ্যে সুস্থ হৈছে।

### বাগ্‌সাত চাৰিজন আক্ৰান্তৰ মৃত্যু

**মুছলপুৰ/তামুলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** বাগ্‌সা জিলাত আজি চাৰিজন ক'ভিড ৰোগীৰ মৃত্যু হয়। মৃত ৰোগী চাৰিজন হৈছে নাগ্ৰীজুলিৰ ছত্ৰবাহাদুৰ থাপা (৩৭), গোপাল দাস (৪৬), তামুলপুৰৰ নোৱাখাত গাঁৱৰ বনবাসী দাস (৬০) আৰু জালাহৰ অনন্ত কলিতা (৮০)। উল্লেখ্য যে নোৱাখাত নিবাসী দাসৰ আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। জিলাখনত আজি নতুনকৈ ৬৬ জন ক'ভিড ৰোগী চিনাক্ত হয়। ফলত কৰ'নাৰ দ্বিতীয় লহৰত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা ৭৮৮ জনলৈ বৃদ্ধি পালে। ইয়াৰে ২৪০ জন ইতিমধ্যে ক'ভিডমুক্ত হৈছে আৰু ১১ জন ৰোগীৰ মৃত্যু হৈছে। সম্প্ৰতি জিলাখনত ৫৩৭ জন সক্ৰিয় ৰোগী আছে। উল্লেখ্য যে জিলাখনৰ তামুলপুৰ মহকুমাত আজি ৩৮ জন লোক আক্ৰান্ত হয়।

### নলবাৰীত পুনৰ দুজনৰ মৃত্যু

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাত আজি পুনৰ দুজন ক'ভিড ৰোগীৰ মৃত্যু হয়। অৱশ্যে বাতৰি যুগুতোৱা পৰ্যন্ত মৃতকৰ তথ্য প্ৰকাশ কৰা নাই জিলা স্বাস্থ্য বিভাগে। আনহাতে, আজি জিলাখনত নতুনকৈ ১১৭ জন ক'ভিড আক্ৰান্ত চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্ত ৰোগীৰ সংখ্যা তিনি হেজাৰ ১৬৭ জনলৈ বৃদ্ধি পালে।

### হোজাইত এজনৰ মৃত্যু

**যমুনামুখৰ অগ্ৰদূত বাৰ্তা ঃ** হোজাই জিলাত আজি এজন ক'ভিড ৰোগীৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই জনাইছে। অৱশ্যে মৃত ৰোগীজনৰ তথ্য এই পৰ্যন্ত সদৰী হোৱা নাই। জিলাখনত আজি ৬৪ জন ক'ভিড ৰোগী চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্ত ৰোগীৰ সংখ্যা এহেজাৰ ৫০৭ জনলৈ বৃদ্ধি পালে। ইয়াৰ ভিতৰত সক্ৰিয় ৰোগী আছে ৬৯৩ জন।

### শিৱসাগৰৰ শ'লগুৰি মৌজাত আক্ৰান্ত ডেৰ শতাধিক

**শিৱসাগৰৰ বিশেষ সংবাদদাতা ঃ** শিৱসাগৰ জিলাৰ শ'লগুৰি মৌজাত সম্প্ৰতি ক'ভিড সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। মৌজাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত এই পৰ্যন্ত ডেৰ শতাধিক লোক আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত কালুগাঁও অঞ্চলত সংক্ৰমণ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। কালুগাঁও ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত দৈনিক ১০-১৫ জন লোকৰ শৰীৰত ক'ভিড পজিটিভ ধৰা পৰিছে। আজিও নতুনকৈ নজন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ভিতৰত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ এজন বিষয়ববীয়াও আছে। সংক্ৰমণ বৃদ্ধি পোৱাত প্ৰশাসনৰ তৰফৰ পৰা বিভিন্ন সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে যদিও একাংশ লোকে ক'ভিড বিধি উলংঘা কৰা পৰিলক্ষিত হৈছে। আনকি ক'ভিড আক্ৰান্ত লোকৰ ঘৰত প্ৰশাসনে কণ্টেইনমেণ্ট জ'ন ফলক আঁৰি দিয়া সত্বেও পৰিয়ালৰ লোকে বিনাদ্বিধাই ৰাজহুৱা স্থানত আহ-যাহ কৰা দেখা গৈছে।

### তিতাবৰত পুনৰ আঠজনৰ ক'ভিড চিনাক্ত

**মেলামাটিৰ অগ্ৰদূত বাৰ্তা ঃ** তিতাবৰ মহকুমাত ডেৰ শতাধিক লোক ক'ভিডত আক্ৰান্ত হৈছে। আজিও আঠজন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত মহকুমাটোত আক্ৰান্ত লোকৰ সংখ্যা ১৫৮ লৈ বৃদ্ধি পালে বুলি ক'ভিড-১৯ৰ দায়িত্বত থকা বিষয়া সঞ্জীৱ ভূঞাই জনাইছে।

### বান্দৰদেৱাত তিনিজন লোক আক্ৰান্ত

**বান্দৰদেৱাৰ অগ্ৰদূত বাৰ্তা ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী বান্দৰদেৱাত আজি এখন হোটেলত তিনিজন কৰ্মচাৰীৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। বান্দৰদেৱাত স্থাপন কৰা অস্থায়ী ক'ভিড কেন্দ্ৰত অঞ্চলটোৰ তৃপ্তি হোটেলৰ এই কৰ্মচাৰী তিনিজনৰ পৰীক্ষা সম্পন্ন হৈছিল। ফলত আৰক্ষী আৰু স্বাস্থ্য বিভাগে তিনিওকে নিজ গৃহত পৰ্যবেক্ষণত ৰখাৰ লগতে হোটেলখন বন্ধ কৰি দিয়ে। উল্লেখ্য যে নতুন ক'ভিড বিধি অনুসাৰে দিনৰ এক বজাৰ পৰা ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধৰ নীতিত সহযোগিতা আগবঢ়াইছে বান্দৰদেৱাৰ ব্যৱসায়ীসকলে। ফলত সমগ্ৰ অঞ্চলটোত কালিৰে পৰা দিনৰ ভাগতে নিৰ্জনতাই বিৰাজ কৰিছে। ইয়াৰ পৰিৱৰ্তে একাংশ ড্ৰাগছ সেৱনকাৰীয়ে অঞ্চলটোত ড্ৰাগছৰ সন্ধানত হাহাকাৰ কৰি ফুৰাও পৰিলক্ষিত হৈছে।

### নাহৰকটীয়াৰ সত্যনাৰায়ণ চাহ বাগিচাত পুনৰ তিনিজন আক্ৰান্ত

**নাহৰকটীয়াৰ অগ্ৰদূত বাৰ্তা ঃ** নাহৰকটীয়াৰ সত্যনাৰায়ণ চাহ বাগিচাত আজি পুনৰ তিনিজন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। আজি বাগিচাখনৰ ২৯০ জন লোকৰ ক'ভিড পৰীক্ষা সম্পন্ন হয়। ফলত দুটা দিনত চাহ বাগিচাখনত ছজন ক'ভিড ৰোগী চিনাক্ত হ'ল। এই ক'ভিড পৰীক্ষাত আটছাৰ নাহৰকটীয়া শাখা আৰু সত্যনাৰায়ণ চাহ বাগিচাৰ প্ৰাথমিক গোটে সহযোগ আগবঢ়াইছে।

### ছাগলীয়াত পুনৰ ২২ জন চিনাক্ত

**বক্সিৰহাটৰ অগ্ৰদূত বাৰ্তা ঃ** ধুবুৰী জিলাৰ ছাগলীয়া পৰীক্ষা কেন্দ্ৰত বহিঃৰাজ্যৰ পৰা অহা ২২ জন বাছ যাত্ৰীৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰে ১০ জন ধুবুৰী জিলাত। আক্ৰান্তসকলৰ ভিতৰত চাৰিজন পশ্চিমবংগৰ আছিল আৰু তেওঁলোকক নিজ ৰাজ্যলৈ ঘূৰাই পঠিওৱা হৈছে।

### ৰঙিয়াত ৩৭ জন আক্ৰান্ত

**ৰঙিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** ৰঙিয়া মহকুমাত আজি ৩৭ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ভিতৰত ৰঙিয়া অসামৰিক চিকিৎসালয়ৰ এজন স্বাস্থ্যকৰ্মীও আছে। তেওঁক নিজ গৃহতে আছুতীয়াকৈ ৰখা হৈছে। আজি ৰঙিয়া চহৰত ক'ভিড বিধি আৰু সান্ধ্য আইন ভংগ কৰা একাংশ লোকৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ স্থিতি গ্ৰহণ কৰে।

### কলিয়াবৰত ১১ জন আক্ৰান্ত

**কলিয়াবৰৰ অগ্ৰদূত বাৰ্তা ঃ** কলিয়াবৰ মহকুমাত আজি মুঠ ১১ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। বিভিন্ন চিকিৎসালয়ত এইসকলৰ ক'ভিড পৰীক্ষা সম্পন্ন হৈছিল। ইয়াৰে নজনক চিকিৎসাধীন কৰাৰ বিপৰীতে দুজনক নিজ গৃহত আছুতীয়াকৈ ৰখা হৈছে। কলিয়াবৰ মহকুমাত এই পৰ্যন্ত ৩৯০ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ২১৮ জন ইতিমধ্যে সুস্থ হৈছে।

### কমাৰকুছিত আঠজনৰ শৰীৰত ক'ভিড

**বৰভাগৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাৰ বৰভাগৰ কমাৰকুছি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনস্থ অঞ্চলত আজি ৬৮ জন লোকৰ ৰেপিড এণ্টিজেন পৰীক্ষা সম্পন্ন হয়। ইয়াৰে আঠজন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে।

### কোকৰাঝাৰত নতুনকৈ সংক্ৰমিত ৮৫ ঃ এজনৰ মৃত্যু

**গোসাঁইগাঁও/দোতমা/ফকিৰাগ্ৰামৰ অগ্ৰদূত বাৰ্তা ঃ** কোকৰাঝাৰ জিলাত ক'ভিড পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। জিলাখনত আজি নতুনকৈ ৮৪ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ভিতৰত ৪১ জন হৈছে শ্ৰীৰামপুৰ ক'ভিড পৰীক্ষণ চকীত ধৰা পৰা বহিঃৰাজ্যৰ ৰোগী। জিলাখনত সম্প্ৰতি ৩৯৬ জন সক্ৰিয় ৰোগী আছে। আনহাতে, ৪৯ জন ইতিমধ্যে সুস্থ হৈছে। ইফালে, জিলাখনত আজি এজন ক'ভিড ৰোগীৰ মৃত্যু হয়। মৃত ৰোগীজন হৈছে দোতমাৰ ভালুকমাৰী গাঁৱৰ গুচুখাং ব্ৰহ্ম (৩৫)। উল্লেখ্য যে ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত তেওঁ নিজ গৃহতে আছুতীয়াকৈ আছিল। বিগত ছটা দিনত দোতমা অঞ্চলত মুঠ ৪৩ জন লোক ক'ভিডত আক্ৰান্ত হৈছে।

### বঙাইগাঁৱত দুজন আক্ৰান্ত মৃত্যু

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ' ঃ** বঙাইগাঁও জিলাতো আজি দুজন ক'ভিড আক্ৰান্ত মৃত্যু হয় যদিও তেওঁলোকৰ তথ্য সদৰী কৰা নাই স্বাস্থ্য বিভাগে। জিলাখনত আজি নতুনকৈ ৪৫ জন লোকৰ শৰীৰত কৰ'না চিনাক্ত হয়। সম্প্ৰতি জিলাখনত ৬৩৫ জন সক্ৰিয় ৰোগী আছে। আনহাতে, ৮৪ জন ইতিমধ্যে সুস্থ হৈছে।

# বৰভৈ বৰপুখুৰীক পৰ্যটনৰ আকৰ্ষণস্থলী হিচাপে গঢ়ি তুলিবলৈ দাবী

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৪ মে' ঃ** নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অধীনস্থ বৰজাৰৰিহাতীস্থিত বানে গৰকা ঐতিহ্যমণ্ডিত ৰজাদিনীয়া বৰভৈ বৰপুখুৰীটোলৈ প্ৰতিবছৰে দেশ-বিদেশৰ পৰিভ্ৰমী পক্ষীৰ আগমন হয়। দেশ-বিদেশৰ পৰিশ্ৰমী চৰায়ে অনন্য পৰিৱেশৰ সৃষ্টি কৰিছে বুলি বিভিন্ন মহলত চৰ্চিত হৈছে। প্ৰায় ১৪০ বিঘা মাটিকালিৰে আবৃত্ত ঐতিহাসিক ৰজাদিনীয়া পুখুৰীটো বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী চৰাই বিচৰণৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰকে ধৰি পৰ্যটন কেন্দ্ৰ, নিবনুৱাক আত্মসংস্থাপন, জৈৱিক সাৰ, মীন উৎপাদন আদি স্থল আছে যদিও কোনো এখন চৰকাৰে এই পুখুৰীটোত বিশেষ কোনো গুৰুত্ব প্ৰদান নকৰি কেনে ধৰণৰ চৰকাৰী আঁচনিৰ আৰম্ভ দি লাখ লাখ টকা আত্মসাৎ কৰিব ইয়াৰে প্ৰতিযোগিতা কৰি আহিছে বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। বিগত দিনত নলবাৰীৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মা, ৰঙিয়াৰ বিধায়ক-মন্ত্ৰী ভৱেশ কলিতা, নলবাৰী জিলা উপায়ুক্তকে ধৰি কে'বাগৰাকী আমোলা-বিষয়া উক্ত পুখুৰীটো পৰিভ্ৰমণ কৰি সংশ্লিষ্ট বিষয়কেইটাত গুৰুত্ব প্ৰদান কৰি পদক্ষেপ গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল সেয়া আজিও বাস্তৱ ৰূপায়িত নহ'ল বুলি স্থানীয় ৰাইজ তথা ঘগ্ৰাপাৰৰ বিভিন্ন দল-সংগঠনকে ধৰি ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থাই অভিযোগ কৰিছে। উল্লেখ্য যে এই পুখুৰীটোত বিগত অগপ, কংগ্ৰেছ চৰকৰৰ লেখীয়া বৰ্তমানৰ বিজেপিৰ পৰিৱৰ্তনকামী চৰকাৰৰ দিনতো একে হাৰতে স্থানীয় বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ জৰিয়তে লাখ লাখ টকা ধাৰ্য কৰি বৰভৈ বৰপুখুৰীটো এটা খীৰতী গাইত পৰিণত কৰিছে বুলি বিভিন্ন তথ্য পোহৰলৈ আহিছে। বিগত বছৰসমূহত পুখুৰীটো উন্নয়নৰ নামত পুখুৰীটোৰ বাস্তৱত একো হোৱা নাই যদিও উন্নয়ন খণ্ডটোৰ বিষয়া-কনিষ্ঠ অভিযন্তা, পঞ্চায়ত সচিব, পঞ্চায়ত প্ৰতিনিধি, ৰাজনৈতিক নেতা-পালিনেতাসকলে প্ৰতিবছৰে ভুৱা বিল তৈয়াৰ কৰি গ্ৰামোন্নয়নৰ লাখ লাখ টকা লুণ্ঠনহে কৰি আহিছে বুলি বিভিন্ন মহলত আলোচিত হৈছে। পৰ্যটকৰ আকৰ্ষণৰ অন্যতমস্থলী হিচাপে গঢ়ি তোলাৰ পূৰ্ণ সম্ভাৱনা থকা নলবাৰী সমষ্টিৰ ঘগ্ৰাপাৰ অঞ্চলৰ দল-সংগঠনৰ লগতে ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা, যুৱ ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতি, হিন্দু জাগৰণ মঞ্চ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে। ইফালে, সম্প্ৰতি পুখুৰীটো বেদখলৰ কবলত পৰাৰ পৰা ৰক্ষা কৰাৰ লগতে উক্ত অঞ্চলত নিশাটোৰ ভিতৰতে অচিনাকি লোকে গৃহ সাজি সংস্থাপন হোৱা কাৰ্যৰ ওপৰতো নতুন চৰকাৰ তথা নলবাৰী বিধায়ক জয়ন্ত মল্ল বৰুৱাক শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে।

# ৰঙাপৰাৰ অসহায় বয়োবৃদ্ধ মহিলাক ছ'চিয়েল ভলেণ্টিয়াৰৰ সহায়ৰ হাত

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১৪ মে' ঃ** এগৰাকী বৃদ্ধাই জীৱনৰ বিয়লি বেলাত খাদ্য আৰু বাসস্থানৰ বাবে চৰম দুৰ্ভোগ ভুগিবলগীয়া কৰুণ ঘটনা ৰঙাপৰাৰ কে'বাগৰাকী সচেতন লোকৰ দৃষ্টিগোচৰ হয়। ৰঙাপৰা এক নম্বৰ নামনি গাঁৱৰ প্ৰিয় বালা দাস (৭৫) বৃদ্ধাগৰাকীয়ে নিজৰ দুবেলা দুমুঠি আৰু আনৰ ঘৰৰ জৰাজীৰ্ণ বাসগৃহত জীৱন-জীৱিকা চলাই থকা দেখিবলৈ পাই ৰঙাপৰাৰ সকলোৰে পৰিচিত তথা অন্যতম বেচৰকাৰী সংগঠন ৰঙাপৰা ছ'চিয়েল ভলেণ্টিয়াৰ ফাউণ্ডেছনৰ শুভকংৰ দে তথা বিষয়া, সদস্যসকলে উপস্থিত হৈ বৃদ্ধাগৰাকীৰ বাসগৃহ মেৰামতি কৰি দিয়াৰ লগতে খোৱা সামগ্ৰী, কাপোৰ, শুবলৈ বিছনা আৰু পানী নপৰাকৈ চালি বনাই দিয়াৰ ব্যৱস্থা কৰে। উল্লেখ্য যে বৃদ্ধাগৰাকীৰ আত্মীয়-স্বজন, নিজৰ পুত্ৰ সন্তান থকা সত্ত্বেও তেওঁ এনে ধৰণে অকলশৰীয়া জীৱন আৰু জীৱিকা চলাই যোৱাৰ দৃশ্যই বিবেকবান মানুহক সচকিত কৰি তুলিছে। কালি ভলেণ্টিয়াৰৰ সকলোৰে উপস্থিতিত ৰঙাপৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিতেশ শৰ্মাই উক্ত সামগ্ৰীসমূহ বৃদ্ধাগৰাকীক আগবঢ়াই দিয়ে।

# পাৰ্বত্য অঞ্চল উন্নয়ন দপ্তৰ মন্ত্ৰী অনাপাৰ্বত্য বিধায়কক প্ৰদানক লৈ অসন্তুষ্টি

**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ১৪ মে' ঃ** পাৰ্বত্য অঞ্চল উন্নয়ন দপ্তৰৰ মন্ত্ৰীৰ দৰে সন্মানীয় আসনত পাৰ্বত্য অঞ্চলৰ পৰা বিপুল ভোটত বিজয়ী হৈ অসম বিধানসভাৰ জনতা ভৱনত আসন অলংকৃত কৰা পাঁচগৰাকীকৈ বিধায়কক উক্ত দপ্তৰৰ পৰা বঞ্চিত কৰাক লৈ কালি খেৰণিত পশ্চিম কাৰ্বি আংলং জিলা কংগ্ৰেছৰ সভাপতি ছাৰ্থে ক্ৰামছাই এক সংবাদমেল আয়োজন কৰে। জিলাখনৰ খেৰণিস্থিত মণ্ডল কংগ্ৰেছৰ কাৰ্যালয়ত জিলা কংগ্ৰেছৰ সভাপতিজনে নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বিজেপি চৰকাৰখনক সমালোচনা কৰে। তেওঁ কয়, যে পাৰ্বত্য অঞ্চল উন্নয়ন দপ্তৰৰ দৰে এই সন্মানীয় দপ্তৰটো পাৰ্বত্য অঞ্চলৰ পৰা বিজয়ী হৈ বিধায়কৰ আসনত অলংকৃত কৰা বিধায়কৰ এক স্থায়ী দপ্তৰ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই অনা পাৰ্বত্য বিধায়ক এজনক মন্ত্ৰিত্ব প্ৰদান কৰাক লৈ অসন্তুষ্টি প্ৰকাশ কৰে। তদুপৰি অসম বিধানসভাত পাৰ্বত্য অঞ্চলৰ পৰা প্ৰতিনিধিত্ব কৰা বিধায়কৰ আসনত অধিষ্ঠিত হোৱা বিধায়কসকলৰ লগতে তিনি পাৰ্বত্য জিলাৰ জনসাধাৰণকো ই এক উপেক্ষা কৰা বুলি মন্তব্য কৰি কংগ্ৰেছ সভাপতিজনে কয় যে ড° শৰ্মাই পূৰ্বৰে পৰাই পাৰ্বত্য অঞ্চলত বসবাস কৰা লোকসকলৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰতো হেঁচা প্ৰয়োগ কৰি অহাৰ উপৰি বঞ্চিত কৰি অহা বুলি সংবাদমেলত মন্তব্য কৰি কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমাহাছাও জিলাৰ ৰাইজে নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ পৰা আগন্তুক সময়ছোৱাত কোনো এটা নতুনত্ব পাব সেয়া কোনো কাৰণতেই আশা কৰিব নোৱাৰি বুলি স্পষ্টভাৱে সভাপতিজনে ক্ষোভেৰে কয়।

# বঙাইগাঁও ক'ভিড টিকাকৰণ পঞ্জীয়নৰ বাবে আধাৰ কেন্দ্ৰ-পি এফ চি মুকলি

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৪ মে' ঃ** বঙাইগাঁও জিলাৰ ১৭ৰ পৰা ৪৪ বছৰ বয়সৰ লোকসকলৰ ক'ভিড টিকাকৰণৰ বাবে অনলাইন পঞ্জীয়ন কৰাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱাৰ উদ্দেশ্যে বঙাইগাঁও জিলা প্ৰশাসনে ৫০টা আধাৰ কেন্দ্ৰ, ৫৫টা উপকেন্দ্ৰ আৰু ১৪টা ৰাজহুৱা সুবিধা কেন্দ্ৰ জিলাখনৰ বিভিন্ন স্থানত মুকলি কৰিছে। যিকোনো ব্যক্তিয়ে নিজৰ ম'বাইল নম্বৰৰ লগতে পেনকাৰ্ড, আধাৰ কাৰ্ড, ভোটাৰ পৰিচয়পত্ৰ নাইবা অন্য যিকোনো উপযুক্ত নথিৰ স'তে সহায় কেন্দ্ৰবোৰলৈ গৈ সহজতে টিকাকৰণৰ বাবে পঞ্জীয়ন কৰিব পাৰিব বুলি প্ৰশাসনে জনাইছে।

# জনাৰামচৌকাত লক্ষ্মী ফেঁচা উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৪ মে' ঃ** প্ৰকৃতি প্ৰেমৰ নিৰ্মল উদাহৰণ দেখুৱালে মঙলদৈৰ জনাৰামচৌকাৰ এজন প্ৰকৃতিপ্ৰেমীয়ে। ইয়াৰে জনাৰামচৌকা নিৱাসী তথা কৃষি বিভাগৰ কৰ্মচাৰী সনৎ শৰ্মাই যোৱা ১০ মে'ৰ নিশা ধুমুহা-বৰষুণত নিজা গাঁৱৰ পথত উদ্ধাৰ কৰে এটি মৰমলগা আৰু দুৰ্বল লক্ষ্মী ফেঁচা। চোৰাংচিকাৰী আৰু অন্ধবিশ্বাসীৰ কবলত যাতে নপৰে সেই উদ্দেশ্যেৰে তেওঁ পক্ষীটো নিজ ঘৰলৈ নি শুশ্ৰূষাৰ ব্যৱস্থা কৰে। আনকি পোক-পৰুৱা, ভেকুলী আদি খাদ্যৰূপে খুওৱাৰ ব্যৱস্থা কৰে। কালি তেওঁ এই বিষয়ে মঙলদৈ থানাৰ স'তে যোগাযোগ কৰাত সিমূৰৰ পৰা বন্যপ্ৰাণী বিভাগত গতাই দিয়াৰ পৰামৰ্শ দিয়ে।

# শিক্ষক ধ্ৰুৱলোচন ভৰালীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৪ মে' ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষা খণ্ডৰ অন্তৰ্গত পাখিৰীগুৰী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ধ্ৰুৱলোচন ভৰালী (৫২)ৰ যোৱা ১১ মে'ৰ নিশা মৃত্যু হয়। দীৰ্ঘদিনৰ পৰা ৰোগাক্ৰান্ত হৈ থকাৰ পাছত আজি কিছুদিনৰ পূৰ্বে আৰোগ্য লাভ কৰে যদিও কালি পুৱা হঠাতে পুনৰ অসুস্থ হৈ পৰাত বঙাইগাঁও ল'ৰাৰ আছাম হাস্পতালত ভৰ্তি কৰায়। যোৱা নিশাই ভৰালীয়ে চিকিৎসাধীন অৱস্থাত ইহলীলা সম্বৰণ কৰে। আজি পুৱা মৃতদেহ সৃজনগ্ৰামৰ বাটনিপাৰাৰ নিজ গৃহত অনাৰ পাছত শিক্ষক ভৰালীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে আৰু ক'ভিড নিয়ম মানি স্থানীয় শ্মশানত শেষকৃত্য সম্পন্ন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই কন্যা, এজন পুত্ৰক এৰি যায়।

# অত্যাৱশ্যকীয় সামগ্ৰীৰ বাবে হাহাকাৰ শতাধিক পৰিয়ালৰ

## কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰা বড়বড়ী গাঁৱত ক'ভিড আক্ৰান্তৰ মৃত্যু



**আলোপতি, ১৪ মে' ঃ** গোৱালপাৰা জিলাৰ শিমলীতোলা আৰক্ষী চকীৰ অন্তৰ্গত বড়বড়ী গাঁৱৰ টিনাৰাম কলিতাৰ পুত্ৰ কন্দৰ্প কলিতাই ক'ভিডত আক্ৰান্ত হৈ কালি নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। কন্দৰ্প কলিতাৰ জীয়ৰীও ক'ভিডত আক্ৰান্ত হৈ হোম আইছ'লেছনত আছে। উল্লেখ্য যে গাঁওখনত এজনৰ পাছত আন এজনে মাৰাত্মক কৰ'নাত আক্ৰান্ত হোৱাৰ ঘটনা পোহৰলৈ অহাৰ পাছতে গোৱালপাৰা জিলা প্ৰশাসনে সম্পূৰ্ণ গাঁওখন যোৱা সাত মে'ত কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰি সকলো লোকৰ অহা-যোৱাত বাধা আৰোপ কৰে। শেহতীয়া খবৰ অনুসৰি, গাঁওখনৰ ৩২ গৰাকী পুৰুষ-মহিলা কৰ'নাত আক্ৰান্ত হৈছে। ইপিনে, যোৱা সাত মে'ত জিলা প্ৰশাসনে সমগ্ৰ গাঁওখন কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰি ছীল কৰাৰ আজি এসপ্তাহ অতিক্ৰম কৰাৰ পাছতো গাঁওবাসীক ন্যূনতম অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান নধৰাত অভিযোগ উত্থাপিত হৈছে। প্ৰশাসনৰ নিৰ্দেশ গাঁওবাসীয়ে আখৰে আখৰে পালন কৰিছে যদিও গাঁওখনৰ প্ৰায় ডেৰ শতাধিক পৰিয়াল এসপ্তাহে বজাৰ-সমাৰ কৰিব নোৱাৰাত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। বিশেষকৈ গাঁওখনত থকা একাংশ দৰিদ্ৰ পৰিয়ালৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। তদুপৰি কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰা বড়বড়ী গাঁৱৰ বাট-পথত ছেনিটাইজাৰ ছটিয়ালেও ঘৰ-দুৱাৰবোৰত ছটিওৱা হোৱা নাই ছেনিটাইজাৰ। গাঁওখনৰ শতাধিক পৰিয়ালক পৰ্যাপ্ত পৰিমাণে অত্যাৱশ্যকীয় সামগ্ৰী, দৰবৰ যোগান ধৰাৰ লগতে প্ৰতিটো পৰিয়ালৰ ঘৰ-দুৱাৰ ছেনিটাইজ কৰাৰ দাবী জনাইছে ৰাইজে।

# স্বাস্থ্যমন্ত্ৰীৰ ক'ভিড কেয়াৰ হাস্পতাল পৰিদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৪ মে' ঃ** কাৰ্যভাৰ গ্ৰহণ কৰিয়ে পৰহি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই মহানগৰীৰ জালুকবাৰীস্থিত আয়ুৰ্বেদিক হাস্পতালৰ ক'ভিড কেয়াৰ হাস্পতাল আৰু কাঁহিকুছিস্থিত এছ আই আৰ ডিৰ ক'ভিড কেয়াৰ চেণ্টাৰ পৰিদৰ্শন কৰে। স্বাস্থ্যমন্ত্ৰী মহন্তই উক্ত চিকিৎসালয় আৰু ক'ভিড কেয়াৰ চেণ্টাৰৰ অৱস্থাৰ বুজ লৈ চিকিৎসক আৰু বিষয়াৰ লগত আলোচনা কৰে। তদুপৰি তেওঁ আজাৰাৰ 'জিআইএমটি'ত উপস্থিত হৈ প্ৰস্তাৱিত ক'ভিড কেয়াৰ চেণ্টাৰো পৰিদৰ্শন কৰে। উল্লেখ্য যে উক্ত প্ৰস্তাৱিত ক'ভিড কেয়াৰ চেণ্টাৰত প্ৰায় চাৰিশ বিছনা উপলব্ধ হ'ব। মন্ত্ৰী মহন্তৰ লগতে স্বাস্থ্য বিভাগৰ যুটীয়া সচিব কমল কৃষ্ণ বৰা, কামৰূপ জিলাৰ নডেল অফিচাৰ ডাঃ অৰবিন্দ দাসকে ধৰি স্বাস্থ্য বিভাগৰ উচ্চপদস্থ বিষয়াও উপস্থিত থাকে।

# নিজৰ গাঁঠিৰ ধনেৰে ছেনিটাইজ কৰিলে ক'ভিড যোদ্ধাই

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১৪ মে' ঃ** নিজৰ গাঁঠিৰ ধন ভাঙি জনসাধাৰণৰ বাবে বিনামূলীয়া ছেনিটাইজেছন কৰি পুনৰ চৰ্চালৈ আহিছে নলবাৰীৰ ঘগ্ৰাপাৰৰ ক'ভিড যোদ্ধা নাছিকুৰ ৰহমান। সমগ্ৰ বিশ্বত ক'ভিড মহামাৰীৰ দ্বিতীয় ঢৌৰ আতংক চলি থকা সময়তে নলবাৰীৰ ঘগ্ৰাপাৰৰ চাইকেল মেকানিক তথা ক'ভিড যোদ্ধা নাছিকুৰ ৰহমানে বিনামূলীয়াকৈ ছেনিটাইজেছন কৰি ৰাইজক সেৱা প্ৰদান কৰি আহিছে। কৰ'না যুদ্ধৰ প্ৰথমটো ঢৌৰ সময়ছোৱাত জিলাখনৰ সকলোবোৰ চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠানত নিজৰ পকেটৰ ধন খৰচ কৰি ছেনিটাইজ কৰি ৰাইজৰ মাজত এক বিশেষ সজাগতা অনাৰ পাছত কৰ'নাৰ দ্বিতীয়টো ঢৌৰ সময়ছোৱাতো একেদৰে নিজৰ দায়িত্ব পালন কৰি গৈছে নাছিকুৰে। নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি নাছিকুৰে এইবেলি কিছু টকা ধাৰলৈ লৈ এতিয়ালৈকে দুশৰো অধিক স্থানত ছেনিটাইজ কৰিছে। নলবাৰী জিলা কাৰাগাৰ, জিলা উপায়ুক্তৰ কাৰ্যালয়, ঘগ্ৰাপাৰ আৰক্ষী চকী, ঘগ্ৰাপাৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, ঘগ্ৰাপাৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, মন্দিৰ-মছজিদৰ লগতে বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানত যোৱাবেলিৰ দৰে এইবেলিও বিনামূলীয়া ছেনিটাইজ কৰি আহিছে নাছিকুৰে। ক্ষুদ্ৰ চাইকেল মেকানিকৰ কাম কৰি কোনোমতে পৰিয়াল পোহপাল দিয়া নাছিকুৰে সমগ্ৰ নলবাৰীৰ জনসাধাৰণৰ বাবে সুৰক্ষা প্ৰদান কৰি অহা কাৰ্যক সকলোৰে প্ৰশংসা কৰিছে। জিলাখনৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে পৰহি নলবাৰীৰ শান্তি নিবাস বৃদ্ধাশ্ৰম আৰু অনাথ আশ্ৰমত ছেনিটাইজ কৰি এক বিশেষ সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা নাছিকুৰক চৰকাৰ প্ৰশাসনৰ তৰফৰ পৰা বিশেষ সহযোগিতা আগবঢ়োৱা পৰিলক্ষিত হোৱা নাই।



*সান্ধ্য আইনৰ সৰ্বাত্মক প্ৰভাৱ নগাঁৱত।*

# হাতীগড়ৰ বুঢ়াগোহাঁই থান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত নাৰ্ছিং দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৪ মে' ঃ** নগাঁও জিলাৰ তুলসীমুখ হাতীগড়স্থিত বুঢ়াগোহাঁই থান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি পৰহি দিনজোৰা কাৰ্যসূচীৰে নাৰ্ছিং দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে ফ্লোৰেন্স নাইটিংগ'লৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে অৱসৰী এল এইছ ভি ধনেমাই কলিতাই। উক্ত অনুষ্ঠানত বুঢ়াগোহাঁই থান প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ উৎপল হাজৰিকাই বহলভাৱে অনুষ্ঠানৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। উক্ত অনুষ্ঠানত জি এন এম ক্ৰমে ৰিমা ভূঞা, মৌচুমী বৰা, মিনু বেগম আৰু ৰুণু দেৱীয়ে ফ্লোৰেন্স নাইটিংগ'লৰ জীৱন, কৰ্মৰাজিক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। উক্ত অনুষ্ঠানতে এ এন এম বন্তি বৰা, ৰেনুমাই বৰা, শিৱানী দাস, ইলা তপ্প', বেলা মোদী আৰু তৰালী বৰা আদিয়েও বক্তব্য আগবঢ়ায়। অনুষ্ঠানত সদ্য অৱসৰী এল এইছ ভি ধনেমাই কলিতাক এখন ফুলাম গামোচা আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়।

# হোমেন বৰগোহাঞিৰ মৃত্যুত শোক প্ৰকাশ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৪ মে' ঃ** বৃহত্তৰ অসমীয়া জাতীয় জীৱনত অগ্ৰণী অৰিহণা আগবঢ়োৱা একেধাৰে শিল্পী, সাহিত্যিক, সমালোচক, সাংবাদিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হোমেন বৰগোহাঞিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে হোজাই জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ফাইজ মহাম্মদ বৰভূঞা, হোজাই সাহিত্য সভা আৰু অসম ৰাজ্যিক সাংবাদিক সন্থাৰ হোজাই জিলা সমিতিয়ে। ইপিনে, বৰগোহাঞিৰ মৃত্যুত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ হোজাই জিলা সমিতিৰ সভাপতি কফিল উদ্দিন বৰভূঞাই শোক প্ৰকাশ কৰিছে। তেওঁৰ মৃত্যুত জিলাখনৰ বিভিন্ন ব্যক্তি আৰু দল-সংগঠনৰ লগতে যমুনামুখৰ কপিলীপৰীয়া শাখা সাহিত্য সভা, যমুনামুখ প্ৰেছ ক্লাব, যমুনাপৰীয়া শাখা সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰিছে।

# বাইহাটাত ক'ভিড নিয়ম ভংগকাৰীৰ বিৰুদ্ধে কঠোৰ হ'ল আৰক্ষী

**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি, ১৪ মে' ঃ** অসম চৰকাৰে নতুন ক'ভিড নীতি ঘোষণাৰ প্ৰথম দিনটোত বাইহাটা চাৰিআলিত কালি ক'ভিড নিয়ম ভংগকাৰীৰ বিৰুদ্ধে কঠোৰ কামৰূপ জিলা আৰক্ষী অধীক্ষক। আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ এক বৃহৎ গোটে খোদ আৰক্ষী অধীক্ষকৰ নেতৃত্বত বাইহাটা চাৰিআলিত উপস্থিত হৈ এই বিশেষ তৎপৰতা প্ৰদৰ্শন কৰে। অধীক্ষকজনে প্ৰথমে বাইহাটা চাৰিআলিৰ এক বজাৰ পাছত খোলা থকা একাংশ ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ কৰি দিয়ে। ইয়াৰ পাছত একাংশ বাটৰুৱাৰ লগতে বাইহাটাস্থিত সাংবাদিকসকলক মাস্ক বিতৰণ কৰি আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়ে আজিৰ পাছত ক'ভিড নীতি আখৰে আখৰে পালন কৰিবলৈ অনুৰোধ কৰে। পৰৱৰ্তী সময়ত ক'ভিড নীতি ভংগ কৰিলে আৰক্ষীয়ে কঠোৰতম অনুশাসন গ্ৰহণ কৰিব বুলিও ইংগিত দিয়ে। আৰক্ষী অধীক্ষকজনক সংগ দিয়ে কে'বাগৰাকী উপ-আৰক্ষী অধীক্ষক, ৰঙিয়া মহকুমা আৰক্ষী বিষয়া মৃগাক্ষী ডেকা সহিতে বাইহাটা চাৰিআলিৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰূপম হাজৰিকা।

# হোমেন বৰগোহাঞিৰ মৃত্যুত টিহুৰ বিভিন্ন দল-সংগঠনৰ শোক

**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৪ মে' ঃ** অসমৰ সমাজ জীৱনৰ মহীৰূপ স্বৰূপ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক-সাংবাদিক-কথাশিল্পী, সাউদৰ পুতেকে নাও মেলি যায়-পিতাপুত্ৰ-অস্তৰাগ আদিৰ স্ৰষ্টা, শংকৰদেৱ বঁটাকে ধৰি বিভিন্ন বঁটাপ্ৰাপক হোমেন বৰগোহাঞিৰ মৃত্যু টিহুতো গভীৰ শোকৰ ছাঁ পৰে। বিশিষ্ট সাংবাদিক-সমলোচকগৰাকীৰ দেহাবসানত টিহু সাহিত্য সভা, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন, টিহু ৰাজহুৱা পুথিভঁড়াল, টিহু মহকুমা সাংবাদিক সন্থা, টিহু মহাত্মা গান্ধী ভৱন পৰিচালনা সমিতি, টিহু আঞ্চলিক সাংস্কৃতিক মহাসভা, টিহু আঞ্চলিক জ্ঞানজ্যোতি মহিলা পৰিষদ, অসম নাট্য সন্মিলনৰ টিহু আঞ্চলিক সমিতি, চেম্বাৰ্ছ অৱ কমাৰ্চ টিহু ইণ্টাৰনেচনেল হিউমেন ৰাইটচ কাউঞ্চিলৰ (ছ'চিয়েল জাষ্টিচ এণ্ড এম্পাৱাৰমেণ্ট বিভাগ) আসাম ষ্টেট ব'ৰ্ড, টিহু শাখা লেখিকা সমাৰোহ সমিতি, চেতনা সাহিত্য সভা, শংকৰদেৱ শিশু-বিদ্যা নিকেতন টিহু, বিবেকানন্দ বিদ্যা নিকেতন টিহু, ইলোৰা বিজ্ঞান মঞ্চ টিহু, টিহু আঞ্চলিক উন্নয়ন সমিতি, টিহু আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ টিহু আঞ্চলিক সমিতি, চিপিআইএমৰ টিহু আঞ্চলিক কমিটী আদি বিভিন্ন দল-সংগঠন-অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে।

# চিৰাঙত ক'ভিড পৰিস্থিতিৰ বুজ ল'লে মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১৪ মে' ঃ** চিৰাং জিলাৰ সদৰ কাজলগাঁও জে এছ বি অসামৰিক চিকিৎসালয়ত ক'ভিড-১৯ৰ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে জিলাখনৰ সাম্প্ৰতিক ক'ভিড পৰিস্থিতিৰ সন্দৰ্ভত কালি মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই জিলা প্ৰশাসনৰ স'তে পৰ্যালোচনা কৰে। মন্ত্ৰীজনক সংগ দিয়ে চিদলী সমষ্টিৰ বিধায়ক জয়ন্ত বসুমতাৰী আৰু বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে। মন্ত্ৰিত্ব লাভৰ পাছত প্ৰথমবাৰৰ বাবে চিৰাং জিলা ভ্ৰমণ কৰি জিলা প্ৰশাসনৰে সভাত মিলিত হৈ তেওঁ জিলাখনৰ সামগ্ৰিকভাৱে ক'ভিড পৰিস্থিতিৰ বুজ লয়। সংবাদ মাধ্যমৰ আগত মন্ত্ৰী ব্ৰহ্মই কয় যে কাজলগাঁও জে এছ বি অসামৰিক চিকিৎসালয়ত আই চি ইউ অতি শীঘ্ৰেই কাৰ্যক্ষম কৰি তোলা হ'ব। সম্প্ৰতি চিৰাং জিলাত ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণত যদিও অগ্ৰিমভাৱে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

# বিশ্ব ধাত্ৰী দিৱস পালন হোজাইত

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৪ মে' ঃ** ক'ভিডৰ মাজতো পৰহি অনুষ্টুপীয়াকৈ হোজাই এফআৰইউত পালন কৰা হয় বিশ্ব ধাত্ৰী দিৱস। হোজাই এফআৰইউত কৰ্মৰত সমূহ স্বাস্থ্যকৰ্মী তথা নাৰ্ছসকলে সম্পূৰ্ণ ক'ভিড নিয়ম মানি অনুষ্টুপীয়াকৈ পালন কৰিলে বিশ্ব ধাত্ৰী দিৱস। উল্লেখ্য যে ১৮২০ৰ ১২ মে'ত জন্মগ্ৰহণ কৰা ফ্লোৰেন্স নাইটিংগেলে ক্ৰীমিয়ান যুদ্ধত আহত লোকসকলক ফ্লোৰেন্সৰ এজন প্ৰশিক্ষক আৰু নাৰ্ছৰ দ্বাৰা সেৱা প্ৰদান কৰিছিল। সেই বাবে ফ্লোৰেন্সৰ জন্মদিনটো বিশ্ব ধাত্ৰী দিৱস হিচাপে পালন কৰা হয়। ১৯৭৫ত পোন প্ৰথমবাৰ ইণ্টাৰনেচনেল কাউন্সিল অৱ নাৰ্ছৰ দ্বাৰা বিশ্ব ধাত্ৰী দিৱস পালন কৰা হয়। তাৰ পাছৰে পৰা প্ৰতি বছৰে এই দিৱস পালন কৰি আহিছে নাৰ্ছসকলে।

# হোমেন বৰগোহাঞিৰ মৃত্যুত গোসাঁইগাঁও শাখা সাহিত্য সভাৰ শোক

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ১৪ মে' ঃ** গোসাঁইগাঁও শাখা সাহিত্য সভাৰ উদ্যোগত নিজ কাৰ্যালয়ত কালি পুৱা ১০ বজাত হোমেন বৰগোহাঞিৰ মৃত্যু উপলক্ষে এখন শোক সভা শাখা সভাৰ সভাপতি পৰশু কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সাহিত্যিক, সাংবাদিক, ৰাজনৈতিক বিশ্লেষণ, শংকৰদেৱ বঁটা বিজয়ী হোমেন বৰগোহাঞিৰ মৃত্যুত গোসাঁইগাঁও মহকুমাৰ বৌদ্ধিক মহল আৰু সাধাৰণ ৰাইজ মৰ্মাহত হোৱা বুলি সম্পাদক খনীন্দ্ৰ নাথ দাসে উদ্দেশ্য ব্যাখ্যাত উল্লেখ কৰে। সভাত বিভিন্ন দিশ আলোকপাত কৰি উপ-সভাপতি পুতুল চন্দ্ৰ দাস, গুৰুফেলা হাইস্কুলৰ প্ৰাক্তন প্ৰধান শিক্ষক বৈদ্যনাথ সাহা, প্ৰাক্তন উপ-সভাপতি অমৰদ্বীপ ৰায়, সদস্য কোঁৱৰ মাৰ্ডী, শাখা সভাৰ উপদেষ্টা শংকৰ চন্দ্ৰ দাস আদি কৰ্মকৰ্তাসকলে হোমেন বৰগোহাঞিৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি ভাষণ আগবঢ়ায়। বৰগোহাঞিৰ মৃত্যুত অসমে এজন গভীৰ চিন্তাশীল ব্যক্তি, সমাজ সংগঠক, লেখক, বুদ্ধিজীৱী হেৰুৱালে বুলি আক্ষেপ কৰি তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। তেওঁৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰি আজিৰ সভাই পৰমপিতাৰ ওচৰতে মৌন প্ৰাৰ্থনা জনায়। বিদেহী আত্মাৰ সন্মানাৰ্থে অসম সাহিত্য সভাৰ পতাকা তিনিদিনৰ বাবে অৰ্ধনমিত কৰি ৰাখি শোক প্ৰকাশ কৰা হয়। সভাত ক'ভিড প্ৰট'কল মানি আটায়ে সমবেত হয়।

# সংকট কালত শিক্ষাৰ্থীৰ কাষত শিক্ষক সন্মিলনী

## পাঠদানৰ ভিডিঅ' প্ৰস্তুতকৰণ প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৪ মে' ঃ** সম্প্ৰতি মহামাৰী কৰ'নাৰ বাবে ৰাজ্যৰ সৰ্বস্তৰৰ বিদ্যালয়সমূহ বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক সহায়ৰ হাত আগবঢ়োৱাৰ লক্ষ্যৰে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে প্ৰাথমিক বিদ্যালয়ৰ সকলো শ্ৰেণীৰ সকলো বিষয়ৰ সকলো পাঠৰ আদৰ্শ পাঠদানৰ ভিডিঅ' প্ৰস্তুত কৰিছে। সন্মিলনীত ৰাজ্যৰ চুকে-কোণে থকা সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ মাজেৰে শৈক্ষিক সহযোগিতা আগবঢ়োৱাত তৎপৰ হৈছে। শিক্ষক-শিক্ষয়িত্ৰীসকলে ব্যক্তিগত প্ৰচেষ্টাত ভিডিঅ' প্ৰস্তুতকৰণৰ মাজেৰে পাঠদানৰ প্ৰয়াস কৰিছে যদিও প্ৰণালীবদ্ধ নোহোৱাত একেটা শ্ৰেণীৰ একেটা পাঠৰ ভিডিঅ' বহুত হৈছে যদিও কোনো শ্ৰেণীৰ কোনোবাটো পাঠ কোনেও প্ৰস্তুত কৰা নাই। শৈক্ষিক দিনপঞ্জী অনুসৰি, প্ৰণালীবদ্ধভাৱে পাঠসমূহ যাতে আগবঢ়াই নিব পাৰি তাৰ বাবে ভিডিঅ' প্ৰস্তুত কৰি তোলাৰ লক্ষ্যতে শৈক্ষিক ইউটিউব চেনেল 'ন'লেজ হাব' (ডব্লিউ ডব্লিউ ডব্লিউ ডট ইউটিউব ডট কম/চি/ন'লেজ হাবচ)ৰ সহযোগত অসম ভিত্তিত এখন 'পাঠদানৰ ভিডিঅ' প্ৰস্তুতকৰণ প্ৰতিযোগিতা' আয়োজন কৰা হৈছে। শ্ৰেষ্ঠ তিনিগৰাকী প্ৰতিযোগীলৈ পুৰস্কাৰ হিচাপে ক্ৰমে পাঁচ হেজাৰ, তিনি হেজাৰ আৰু দুহেজাৰ টকাসহ মানপত্ৰৰ লগতে ১০গৰাকী প্ৰতিযোগীলৈ নিচুকনি পুৰস্কাৰ আগবঢ়োৱা হ'ব। আনহাতে, অংশগ্ৰহণকাৰী প্ৰতিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক মানপত্ৰ প্ৰদান কৰা হ'ব। সন্মিলনীৰ ভাৰপ্ৰাপ্ত সভাপতি আনোৱাৰ হুছেইন আৰু প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে সদৰী কৰা অনুসৰি, প্ৰতিযোগিতাত প্ৰাথমিক বিদ্যালয়ত কৰ্মৰত নিয়মীয়া, ঠিকাভিত্তিক সকলো পৰ্যায়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে ৯৪৩৫০২২৮৮০, ৯৮৫৯৬৯৩৩৫৫, ৯৪০১৩৩৬৫১০ হোৱাটছএপ নম্বৰত নিজৰ নাম, বিদ্যালয়ৰ নাম ঠিকনা, ম'বাইল নম্বৰ প্ৰেৰণ কৰিব লাগিব। নাম দাখিল কৰা প্ৰতিযোগীলৈ ক' শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ থকা সকলো বিষয়ৰ সকলো পাঠৰ তালিকা প্ৰেৰণ কৰা হ'ব। উক্ত তালিকাৰ পৰা প্ৰতিযোগীয়ে যিকোনো এটা পাঠ নিৰ্বাচন কৰিব লাগিব। এজনে নিৰ্বাচন কৰা পাঠ পৰৱৰ্তী প্ৰতিযোগীৰ বাবে পাঠ তালিকাত নাথাকিব। এবাৰ তালিকাভুক্ত সকলোবোৰ পাঠ শেষ হোৱাৰ পাছত বৈ যোৱা প্ৰতিযোগীয়ে পাঠ নিৰ্বাচন কৰিব পৰাকৈ পুনৰ তালিকা প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা শিক্ষক-শিক্ষয়িত্ৰীয়ে নিজৰ আদৰ্শ পাঠদানৰ ভিডিঅ' ৰেকৰ্ডিং কৰি ওপৰত উল্লিখিত হোৱাটছএপ নম্বৰত পঠিয়াব লাগিব। ভিডিঅ'ৰ আকাৰ এশ এমবিত কৈ অধিক হ'লে গুগল ড্ৰাইভৰ সহায়ত মেইলযোগে গ্ৰহণ কৰা হ'ব। পাঠদানৰ ভিডিঅ' প্ৰস্তুত কৰোতে প্ৰয়োজন সাপেক্ষে যিকোনো ছবি, ভিডিঅ', অডিঅ' আদি টি এল এম ব্যৱহাৰ কৰিব পাৰিব আৰু নিজৰ ইচ্ছা মতে সম্পাদনা কৰিব পাৰিব। প্ৰস্তুত কৰা ভিডিঅ'ৰ শব্দ পৰ্যাপ্ত হ'ব লাগিব। সকলোবোৰ ভিডিঅ' অহা ১০জুনৰ ভিতৰত একে সময়তে ইউটিউব চেনেলত আপলোড কৰা হ'ব আৰু জুলাইত ভিউৰচৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি বিজয়ী নিৰ্বাচিত কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ শেষ সময় পাঁচ জুন।

## আজাৰাৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৪ মে' ঃ** আজাৰাৰ সমাজকৰ্মী তথা এম ই এছ'ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ফটিক দাস (৭২) আজি নাৰায়ণা হাস্পতালত মৃত্যু হয়। কিছুদিন পূৰ্বে ক'ভিডত আক্ৰান্ত দাসে ক'ভিড জয় কৰি ঘৰলৈ উভতি আহিছিল। পূৰ্বৰ কিছু অসুখৰ বাবে তেওঁক পুনৰ যোৱা মঙলবাৰে হাস্পতালত ভৰ্তি কৰা হয় যদিও আজি পুৱা তেওঁৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুগৰাকী কন্যা আৰু এজন পুত্ৰ এৰি যায়। এভাৰেষ্ট ক্লাবে শোক প্ৰকাশ কৰে।

## শিৱসাগৰত দৰমহা আদায়ৰ দাবীত ১০৮ সেৱাৰ কৰ্মচাৰীৰ ধৰ্ণা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ১৪ মে' ঃ** জৰুৰীকালীন চিকিৎসা সেৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা ১০৮ এম্বুলেন্সৰ কৰ্মচাৰীসকলে নিৰ্দিষ্ট কোম্পানীৰ হেমাহিৰ বাবেই সময় মতে দৰমহা লাভ নকৰাৰ তথ্য পোহৰলৈ আহিছে। আজি শিৱসাগৰত ১০৮ এম্বুলেন্স সেৱাৰ কৰ্মচাৰীসকলে দৰমহা সময়মতে আদায় দিয়াৰ দাবীত ক'লা বেজ পৰিধান কৰি ধৰ্ণা দিয়ে। তেওঁলোকে কৰ্তব্য সম্পাদন কৰাৰ মাজতে নিৰ্দিষ্ট দূৰত্ব বজাই ৰাখি শিৱসাগৰৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ চৌহদৰ সমীপত ক'লা বেজ পৰিধান কৰি সময়মতে দৰমহা আদায় দিয়াৰ দাবী উত্থাপন কৰে। দৰমহা সময় মতে আদায় নিদিয়াৰ ফলত প্ৰতিমাহে গুৰুতৰ সমস্যাৰ সন্মুখীন হৈ অহা বুলিও প্ৰতিক্ৰিয়া প্ৰকাশ কৰে ১০৮ সেৱাৰ কৰ্মচাৰীসকলে। আজিৰ পৱিত্ৰ ঈদ- উল-ফিটৰৰ দিনা এনে প্ৰতিবাদে বিশেষ তাৎপৰ্য বহন কৰিছে। উল্লেখ্য যে ঈদৰ আগত মাহেকীয়া দৰমহা প্ৰদান নকৰাৰ বাবেও ধৰ্ম নিৰ্বিশেষে ১০৮ এম্বুলেঞ্চৰ কৰ্মচাৰীসকল ক্ষুব্ধ হৈ পৰিছে। এই কৰ্মচাৰীসকলে তৎকালীনভাৱে দৰমহা মুকলি কৰাৰ দাবী উত্থাপন কৰিছে সংশ্লিষ্ট পক্ষক।

# কলিয়াপানী গাঁও পঞ্চায়তত বিশুদ্ধ খোৱাপানী যোগানৰ নামত ভেঁকোভাওনা



**অগ্ৰদূত বাৰ্তা**

**আঠখেলীয়া, ১৪ মে' ঃ** গোলাঘাট জিলাৰ গোলাঘাট পূব উন্নয়ন খণ্ড পদুমণিৰ অধীনস্থ কলিয়াপানী গাঁও পঞ্চায়তত বিশুদ্ধ খোৱাপানী যোগানৰ নামত গোলাঘাট জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগে বিগত বছৰ বছৰ ধৰি চলাই অহা ভেঁকোভাওনাত পঞ্চায়তখনৰ ১০ হেজাৰ জনতাই হাহাকাৰ কৰিব লগা হোৱাত এই পঞ্চায়তখনৰ বাসিন্দাৰ সকল অতিষ্ঠ হৈ পৰিছে। পঞ্চায়তখনৰ বানপীড়িত নপমুৱা, কুমাৰ, মাউত আৰু বকলাই গাঁওকেইখনৰ ৰাইজৰ বিশুদ্ধ খোৱাপানীৰ যোগানৰ বাবে ২০১৬ৰ পূৰ্বে কে'বাটাও পানীযোগান প্ৰকল্প গোলাঘাট জনস্বাস্থ্য কাৰিকৰী বিভাগে স্থাপন কৰিছিল যদিও প্ৰকল্পসমূহ ২০১৬ৰ পৰাই বন্ধ হয়। উক্ত প্ৰকল্পসমূহৰ ভিতৰত নপমুৱা কুমাৰ বজাৰ তিনিআলিৰ সমীপৰ প্ৰকল্পটোৰ পৰা জনতাই স্থাপিত কালৰ পৰা এটুপিও পানী লাভ নকৰাৰ অভিযোগ উঠি আহিছে। অৱশ্যে এই প্ৰকল্পটো কাৰ্যক্ষম কৰাৰ নামত জনস্বাস্থ্য বিভাগে ইতিমধ্যে কে'বাবাৰো মেৰামতি কৰিছে যদিও প্ৰকৃতাৰ্থত জনতা উপকৃত হোৱাৰ বিপৰীতে বিভাগটোৰ বাবে এই প্ৰকল্পটো সোণৰ কণী দিয়া হাঁহলৈ ৰূপান্তৰ হোৱাৰহে অভিযোগ উঠিছে। তদুপৰি পঞ্চায়তখনৰ নপমুৱা গাঁৱত (গৰৈ চুক) স্থাপিত প্ৰকল্পটোৰ দুমাহ মান কাৰ্যক্ষম হৈ থকাৰ পাছত বন্ধ হৈ পৰে যদিও মূল পাম্পটোৰ উত্তোলিত জলৰাশি সমীপৱৰ্তী দুজনমান কৃষকৰ বাবে পথাৰত পানীযোগান ধৰা প্ৰকল্প লৈ ৰূপান্তৰ ঘটাৰ প্ৰতিযোগ উঠিছে। তদুপৰি বিগত বিধানসভা নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত জিলা জনস্বাস্থ্য বিভাগে নপমুৱা, মাউত, ৰজনাখাট আদি গাঁৱৰ পানীযোগান প্ৰকল্পকেইটাৰ নলীনাদসমূহৰ পুনৰ খনন কৰি পানীযোগান প্ৰক্ৰিয়া আৰম্ভ কৰাৰ ব্যৱস্থা লৈছিল যদিও যোৱা দুই মে'ত বিভাগটোৱে কামসমূহ স্থগিত ৰখা কাৰ্যই পানীযোগান ব্যৱস্থাটো নিশ্চিত হৈছে।

## সমাজকৰ্মী আইজল হক মৌলবীৰ বিয়োগ



**আলোপতি, ১৪ মে' ঃ** কামৰূপ জিলাৰ নগৰবেৰা ৰাজহ চক্ৰৰ অন্তৰ্গত ৰংগেশ্বৰী গাঁৱৰ বাসিন্দা তথা বিশিষ্ট সমাজকৰ্মী আইজল হক মৌলবী (৯০)ৰ আজি ৰাতিপুৱা নিজ গৃহতে মৃত্যু হয়। প্ৰয়াত আইজল হক মৌলবীয়ে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থকাৰ লগতে ভখুৰাদিয়া পাহাৰপাৰা হাইস্কুলৰ প্ৰতিষ্ঠাপক সভাপতি, ৰংগেশ্বৰী-টুপামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি, টুপামাৰী সমবায় সমিতিৰ সভাপতি আৰু নগৰবেৰা আঞ্চলিক মৌজা কমিটীৰ দুবাৰকৈ সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। মৃত্যুৰ সময়ত তেওঁ আঠজন পুত্ৰ এগৰাকী কন্যা এৰি যায়। দিনৰ দুই বজাত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত নগৰবেৰা আঞ্চলিক মৌজা কমিটী, নগৰবেৰা সাংবাদিক সন্থা আদিৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## ডিমৌত ঘৰৰ চোতালতে নামাজ



**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১৪ মে' ঃ** কৰ'না অতিমাৰীৰ দ্ৰুত সংক্ৰমণৰ ফলত ৰাজ্যত অনুষ্ঠিত হোৱা নাই কোনো ধৰ্মীয় অনুষ্ঠান। সেয়ে এইবাৰ ঈদ উদ্‌যাপনৰ ক্ষেত্ৰতো ক'ভিড নিয়ম ৰক্ষা কৰি ঘৰৰ পৰাই নামাজ পঢ়াৰ নিৰ্দেশ চৰকাৰৰ। আৰু চৰকাৰৰ নীতি-নিৰ্দেশনা মানি ঘৰৰ চোতালতে নামাজ পঢ়ি ঈদ উদ্‌যাপন কৰিছে ডিমৌৰ এইসকল লোকে। কৰ'না মহামাৰীৰ পৰা দেশবাসীক মুক্তি দিয়ক, এই মহামাৰী নাইকিয়া হওক, আৰু দেশৰ সকলোৰে মংগল কামনা কৰি ডিমৌৰ দিহাজানত এইসকল ইছলাম ধৰ্মাৱলম্বী লোকে এনেদৰে ক'ভিড নিয়ম মানি ঘৰৰ চৌহদতে পঢ়িছে নামাজ।

## বিহালীৰ কেটেলা চাহ বাগিচাত ক'ভিড প্ৰতিষেধক

**অগ্ৰদূত বাৰ্তা**

**বিহালী, ১৪ মে' ঃ** বিশ্বনাথ জিলাৰ বিহালী সমষ্টিত ক'ভিড পজিটিভৰ সংখ্যা শতকৰ ডেওনা অতিক্ৰম কৰিলে। চাহ বাগিচা অঞ্চলৰ শ্ৰমিক সমাজৰ জীৱন সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি মহকুমা স্বাস্থ্য বিষয়া যোগেন চন্দ্ৰ বেই আজিৰ পৰা বিহালী সমষ্টিৰ অন্তৰ্গত বাগিচা অঞ্চলৰ শ্ৰমিক সমাজৰ ৪৫ বৰ্ষৰ ঊৰ্দ্ধৰ লোকসকলক ক'ভিড প্ৰতিষেধৰ প্ৰথম পালি প্ৰদানৰ ব্যৱস্থা কৰিছে। আজি কেটেলা চাহ বাগিচা চিকিৎসালয়ত চিকিৎসক ৰিচা শৰ্মাৰ তৎপৰতাত বিহালী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ কৰ্মচাৰীৰ উপস্থিতিত বাগিচা স্বাস্থ্য কৰ্মীৰ সহযোগত মুঠ এশ জনক প্ৰতিষেধক প্ৰদান কৰে।

### মেলেঙৰ কৃষি বান্ধলৈ বিপদ নমাইছে

## মেলেং নৈত ভেটা দি দুৰ্বৃত্তৰ মাছ নিধন

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৪ মে' ঃ** মীন বিভাগ যোৰহাট সংমণ্ডলৰ অধীনস্থ মধ্য যোৰহাটৰ চাওখাত, হাতীগড় মৌজাৰ মাজত থকা মেলেং নৈৰ নামনি অংশত দুৰ্বৃত্তই ভেটা মাৰি মীন আইন ১৯৮৮ আৰু ২০১০ ভংগ কৰি কনীযুক্ত মাছ নিধন কৰাৰ পাছতো মীন বিভাগৰ নীৰৱতাত ৰাইজ ক্ষুব্ধ হৈ পৰিছে। মীন বিভাগ যোৰহাট সংমণ্ডলৰ গাফিলতিৰ বাবে দুবৃত্তই মীন আইন ভংগ কৰি মাছ নিধন কৰিবলৈ সাহস পাইছে বুলি ৰাইজে মন্তব্য দিছে। মেলেং নৈৰ নামনি অংশত দুৰ্বৃত্তই ভেটা মাৰি দিয়াত মেলেং কৃষি বান্ধলৈ বিপদ নমাই আনিছে।

### দুই বিধায়কৰ দ্বিতীয় পালি প্ৰতিষেধকক লৈ বিভ্ৰান্ত

## চাবুৱাত ক'ভিড আক্ৰান্ত দৰিদ্ৰ পৰিয়ালক সাহায্য প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**চাবুৱা, ১৪ মে' ঃ** চাবুৱাৰ ৰঙাদৰীয়া গাঁওখন প্ৰশাসনে চিল কৰাৰ পাছতে আৰ্থিক ভাৱে পিছপৰা পৰিয়ালসমূহত খাদ্য সামগ্ৰীৰ অনাটন ঘটাৰ প্ৰতি লক্ষ্য ৰাখি লাহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই আজি পুৱাই সামগ্ৰী ভৰা বাহনেৰে প্ৰৱেশ কৰে গাঁওখনত। বিধায়কৰ নিজ বাসগৃহস্থিত চাবুৱা আৰু দুলীয়াজান সমষ্টিৰ সীমামুৰীয়া গাঁওখনত উপস্থিত হৈ বিধায়ক গৰাকীয়ে নিজ আপোন মানুহজনে অৱস্থাটোৰ প্ৰতি দৃষ্টি ৰাখি সহায়ৰ হাত আগবঢ়াবলৈ অহা বুলি ব্যক্ত কৰাৰ লগতে পুনৰ চাবুৱা সমষ্টিৰ বৰ্তমানৰ বিধায়ক পোনাকণ বৰুৱাও উপস্থিত হ'ব বুলি জানিবলৈ দিছিল। 44 জন ব্যক্তি কভিডত আক্ৰান্ত হোৱা গাঁওখনৰ 30 টা পৰিয়ালৰ চৌহদত উপস্থিত হৈ চাবুৱাৰ প্ৰাক্তন বিধায়ক হাজৰিকাই স্বাস্থ্য বিভাগ আৰু প্ৰশাসনে বান্ধি দিয়া নিয়ম পালন কৰিবলৈ আহ্বান জনাই গাঁওখনৰ পূৰ্বৰ সুস্থ বাতাবৰণ ঘুৰি অহাৰ কামনা কৰে। লাহোৱালৰ নৱনিৰ্বাচিত বিধায়ক বিনোদ হাজৰিকাক গাঁওখনৰ চৰকাৰী গাঁওবুঢ়া দুলেন বৰা, ৱাৰ্ড সদস্য অজয় বৰা আৰু সচেতন নাগৰিক হিচাপে প্ৰদীপ চেতিয়াই সংগ দিয়ে। ইতিমধ্যে, পুৱা সাত Âবজাতেই বিনোদ হাজৰিকাই উপস্থিত হোৱাৰ পাছত দুপৰীয়া ৰচ বজাত পোনাকণ বৰুৱা কে'বাকুইণ্টল চাউলৰ লগতে অন্যান্য খাদ্য সামগ্ৰী লৈ উপস্থিত হয়। উক্ত খাদ্য সামগ্ৰী বিতৰণ কৰি গাঁওখন ছেনিটাইজ কৰাৰ ব্যৱস্থা কৰে বিধায়কজনে। পুলুঙা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি প্ৰশান্ত শইকীয়াৰ পত্নী বিনীতা শইকীয়াৰ (42) ক'ভিড আক্ৰান্ত হৈ মৃত্যু সাৱটি লোৱাৰ পিছত দুৰ্ভগীয়া দুই সন্তানৰ অৱস্থা বুজ লয় বিধায়ক বৰুৱাই। মাস্ক বিতৰণ কৰাৰ সময়ত বিধায়কজনে সকলোকে ক'ভিড নীতি মানি চলিবলৈ আহ্বান জানাইছে। উল্লেখ্য যে গাঁওখনৰ সমীপৱৰ্তী চেতিয়া পথাৰ গাঁৱৰ বয়োজ্যেষ্ঠ লোকসকলক প্ৰথম পালি ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছিল বিগত মাৰ্চত। প্ৰথম পালি লোৱাৰ পাছতে 45 দিনত দ্বিতীয় পালি ল'ব লাগিছিল যদিও আজি পৰ্যন্ত 52 দিনত স্বাস্থ্য বিভাগে প্ৰদান নকৰাত উদ্বিগ্ন হৈ পৰা সচেতন ব্যক্তিসকলে ৰঙচণ্ডী উপ-প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত বিষয়টো অৱগত কৰে। কালি ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰকাশিত এছ অ' পিৰ উদ্ধৃতি দি কেন্দ্ৰটোৰ স্বাস্থ্য বিষয়াজনে গাঁৱৰ লোকসকলক জনাই যে প্ৰথম পালিৰ পৰা 80 দিনৰ পিছতো দ্বিতীয় পালি ল'ব পাৰে। ইয়াকে লৈ এতিয়া অঞ্চলটোত বিভ্ৰান্তিৰ সৃষ্টি হৈছে।

## সামথাইবাৰী-গৰুভাষাৰ ভাৰত-ভূটান গড়কাপ্টানী পথ মেৰামতিৰ দাবী



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৪ মে' ঃ** চিৰাং জিলাৰ বহু গ্ৰামাঞ্চলত এতিয়াও জৰাজীৰ্ণ আৰু বিধ্বস্ত পথেৰে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে ৰাইজে। গড়কাপ্টানী বিভাগটোৰ কোনো এখন আঁচনি গৰুভাষা ভাৰত-ভূটান সংযোগী গড়কাপ্টানী পথটোত এই পৰ্যন্ত মেৰামতিৰ আওতালৈ আনিব পৰা নাই। মেৰামতি অবিহনেই বছৰ বছৰ ধৰি এই দুৰ্গম তথা বিপদ সংকুল পথটোৰে অঞ্চলটোৰ ৰাইজে আহ-যাহ কৰিবলৈ বাধ্য হৈছে। যাতায়াতৰ অনুপযোগী এই পথটোৰে দৈনিক শতাধিক লঘু আৰু গধুৰ যান-বাহন চলাচল কৰাৰ উপৰি সীমান্তৱৰ্তী ভূটান ৰাষ্ট্ৰৰ যোগাযোগৰ মাধ্যম হৈ পৰা এই পথটো আজিকোপতি মেৰামতিৰ অভাৱত জৰাজীৰ্ণ হোৱাৰ উপৰি ঠায়ে ঠায়ে দ গাঁতৰ সৃষ্টি হৈছে। বৰষুণ হ'লেই পথত এআঁঠু পানী জমা হয়। ১০-১৫ কিলোমিটাৰ এই পথছোৱাৰ অধিকাংশ অংশই জহি-খহি যোৱাত স্থানীয় ৰাইজ আৰু বিভিন্ন সংগঠনে ইয়াৰ মেৰামতিৰ দাবী জনাইছে। আনহাতে, সামথাইবাৰী গৰুভাষা-ভূটান সংযোগী পথটো মেৰামতিৰ বাবে বিভাগীয় কৰ্তৃপক্ষই তথা চৰকাৰে দেখুওৱা অনীহা ভাৱে ৰাইজক ভবাই তোলাৰ লগতে কোকৰাঝাৰ লোকসভা সংসদীয় সমষ্টিৰ সাংসদজনৰ মৌনতা অৱলম্বনে অঞ্চলবাসী ৰাইজক উদ্বিগ্ন কৰিছে। যিকোনো সময়ত অনাকাংক্ষিত দুৰ্ঘটনা সংঘটিত হোৱাৰ প্ৰবল সম্ভাৱনাক নুই কৰিব নোৱাৰি।

## ক্ষতিগ্ৰস্তসকলক চৰকাৰী সাহায্য প্ৰদানৰ আহ্বান ভুক্তভোগী পৰিয়ালৰ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৪ মে' ঃ** ক'ভিড-১৯ৰ অধিক ভয়াৱহ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰৰ দ্বাৰা ঘোষিত নতুন এছ অ' পি আৰু মিনি তলাবন্ধৰ ফলত বিশেষকৈ ক্ষতিগ্ৰস্ত হোৱা ক্ষুদ্ৰ শাক-পাচলি বিক্ৰী কৰি কথমপি দুবেলা দুসাঁজ পেটে ভাতে খাই জীৱন-নিৰ্বাহ কৰা বহু দৰিদ্ৰ লোকৰ হাহাকাৰ অৱস্থাই বিৰাজ কৰিছে। অসম চৰকাৰৰ তৰফৰ পৰা ডিব্ৰুগড় জিলা প্ৰশাসনে কৰ'না সংক্ৰমণৰ প্ৰতিৰোধৰ উদ্দেশ্যে ঘোষণা কৰা সাপ্তাহিক বজাৰ বন্ধ হোৱাত ডিব্ৰুগড় জিলাৰ বহু গাঁৱৰ পৰা চহৰৰ চৌকিডিংগী বজাৰ আৰু দৈনিক অভাৰব্ৰীজৰ তলত শাক-পাচলি বিক্ৰী কৰিব নোৱৰাত বহু পৰিয়ালৰ জীৱনলৈ দুৰ্বিষহ পৰিস্থিতি নমাই আনিছে। সাপ্তাহিক বজাৰসমূহ বন্ধ হৈ পৰাৰ ফলত ডিব্ৰুগড় জিলাৰ গ্ৰামাঞ্চলৰ চহা কৃষক-বনুৱা আৰু ক্ষুদ্ৰ শাক-পাচলি, হাঁহ-কুকুৰা আদি উৎপাদিত সামগ্ৰী বিক্ৰী কৰি জীৱিকামুখী লোকসকল বিস্তৰ ক্ষতিৰ সন্মুখীন হৈ পৰিছে। ক্ষতিগ্ৰস্ত হোৱা ক্ষুদ্ৰ ব্যৱসায়ী মিনি তলাবন্ধৰ মাজতে ক'ভিড বিধিৰ মাজেৰে শাক-পাচলি বিক্ৰী কৰিবলৈ প্ৰয়াস কৰিছে যদিও ডিব্ৰুগড় জিলা প্ৰশাসনৰ আদেশ পালন কৰি আধৰুৱাকৈ বিক্ৰী কৰিবলগীয়া হোৱাত লোকচানৰ সন্মুখীন হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসনক শাক-পাচলি বিক্ৰী কৰি জীৱিকা-নিৰ্বাহ কৰি পেটে-ভাতে দুবেলা দুমুঠি আহাৰ যোগাৰ কৰাসকলক আৰ্থিক সাহায্য আৰু ক্ষতিপূৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ বাবে আহ্বান জনাইছে।

## ধাৰাপুৰত চুলাই জব্দ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৪ মে' ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ ধাৰাপুৰ চাৰিআলিত আজি আজাৰা আৰক্ষীয়ে কে'বাশ লিটাৰ অবৈধ চুলাই মদ জব্দ কৰি নষ্ট কৰে। উল্লেখ্য যে ধাৰাপুৰ চাৰিআলি বজাৰত আজি কিছুদিনৰ পৰা এচাম জনজাতীয় মহিলাই শাক-পাচলিৰ লগতে অবৈধ চুলাই বিক্ৰী কৰি আহিছে। ফলত বজাৰখনত এক অভাৱনীয় ভিৰ পৰিলক্ষিত হয়। এনে অৱস্থাত কৰ'না মহামাৰীয়ে সমগ্ৰ অঞ্চলত বিভীষিকাৰ সৃষ্টি কৰাৰ আশংকাত সচেতন ৰাইজ চিন্তিত হৈ উঠিছিল। শেহতীয়াকৈ ৰাইজৰ অভিযোগৰ ভিত্তিত আজি আজাৰা থানাৰ আৰক্ষী বজাৰত উপস্থিত হৈ বজাৰখনত বিক্ৰীৰ বাবে অনা কে'বাশ লিটাৰ চুলাই মহিলাৰ পৰা জব্দ কৰে। পাছত আৰক্ষীয়ে নষ্ট কৰি পেলায়।

## দিবা সান্ধ্য আইনত বন্ধ হ'ল মঙলদৈৰ মন্দিৰৰ দুৱাৰ

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৪ মে' ঃ** কৰ'নাৰ ভয়াৱহ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত কালিৰে পৰা জাৰি কৰা কঠোৰ বাধা-নিষেধৰ নিৰ্দিষ্ট সময়ছোৱাৰ পূৰ্বে আজিও মঙলদৈ চহৰৰ লগতে দৰং জিলাৰ বিভিন্ন স্থানত অভাৱনীয় ভিৰ হয়। ফলত ক'ভিডৰ গণসংক্ৰমণে ভয়াবহ ৰূপ ধাৰণ কৰাৰ আশংকা প্ৰৱল হৈছে। শেহতীয়াকৈ চৰকাৰে ঘোষণা কৰা বিধি-নিষেধাজ্ঞা কটকটীয়াকৈ বলৱৎ কৰিবলৈ দৰং জিলাৰ বিভিন্ন ঠাইৰ লগতে মঙলদৈ চহৰতো দণ্ডাধীশে চলায় অভিযান। মঙলদৈ পৌৰসভাৰ কাৰ্যবাহী বিষয়া তথা দণ্ডাধীশ কমলজিৎ শৰ্মাই দিনৰ এক বজাৰ লগে লগে আৰক্ষীৰ দল লৈ চহৰখনত অভিযান চলায়। অভিযানটোৰ ফলত বহু ব্যৱসায়িক প্ৰতিষ্ঠানৰ দুৱাৰ নিমিষতে বন্ধ হৈ পৰে। দুই বজাৰ পাছত জৰুৰীকালীন সেৱাৰ ব্যক্তিৰ বাহিৰে আন সকলো লোকে স্বগৃহত প্ৰৱেশ কৰে। আনহাতে, স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ পৰে সনাতন ধৰ্মসভা, ৰাধা-কৃষ্ণ মন্দিৰ, ৰাম জানকী মন্দিৰ, শিৱ মন্দিৰ আদি ধৰ্মানুষ্ঠানৰ দুৱাৰ, সামগ্ৰিকভাৱে শান্তিপূৰ্ণভাৱে পালন হয় শেহতীয়া কঠোৰ বিধি-নিষেধৰ প্ৰথম দিনটো।



যমুনামুখত ধুমুহাত বিধ্বস্ত গৃহ, শুকুৰবাৰে।

## বাটৰহাট গোসাঁই মেধিপাৰাৰ আনন্দ কলিতাৰ মৃত্যু

**ছয়গাঁও, ১৪ মে' ঃ** কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ বাটৰহাট গোহাঁই মেধিপাৰা গাঁৱৰ আনন্দ কলিতা (৬২)ৰ যোৱা নিশা ২-৪৫ বজাত মৃত্যু হয়। তেওঁ নাগাৰা নামৰ শিল্পী আছিল। অতি সহজ-সৰল ব্যক্তি আনন্দ কলিতাৰ মৃত্যুৰ খবৰ পোৱা মাত্ৰকে গুণমুগ্ধ লোকে তেওঁৰ চোতালত উপস্থিত হৈ পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ উপৰি পুত্ৰ-কন্যা এৰি যায়।

## সাপ্তাহিক বজাৰহে বন্ধ দৈনিক বজাৰত গ্ৰাহকৰ ভিৰ নাই সামাজিক ব্যৱধান

**বৰমা, ১৪ মে' ঃ** ৰাজ্য চৰকাৰে ক'ভিড সংক্ৰমণ ৰোধৰ বাবে কঠোৰ নীতি-নিয়ম বলৱৎ কৰিছে যদিও সেই লৈ যেন কোনো ভ্ৰূক্ষেপ নাই বৰমাৰ একাংশ লোকৰ। চৰকাৰে এক বজাৰ পাছত বন্ধ ঘোষণা কৰাৰ বাবেই পুৱাৰ পৰাই মানুহৰ ভিৰ হয় দৈনিক বজাৰত। নিৰ্দিষ্ট সময়ৰ ভিতৰত কোনো ধৰণৰ ক'ভিড নীতি-নিয়মলৈ ভয় নকৰে। নিজ ইচ্ছা মতে অগতানুগতিভাৱে চলি আছে সকলো। এক বজালৈ ঘূৰি ফুৰা কৰ'না বিয়পাই এনে অসচেতন লোকে যেন সমাজলৈ অশনি সংকেত কঢ়িয়াই আনিছে বুলিও অভিযোগ উঠিছে। ইতিমধ্যে বাগ্‌সাত কৰ'নাৰ দ্বিতীয়টো ঢৌত ৬৭৫ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে আঠজনৰ মৃত্যু হোৱাৰ লগতে ১৭৪ জন ক'ভিডমুক্ত হৈছে যদিও ৪৯৩জন ক'ভিড ৰোগী আছে বাগ্‌সাত। ক'ভিড ৰোগীৰ ভিতৰত ৩৫ জন চিকিৎসালয়ত আৰু বাকীখিনি হোম আইছ'লেছনত আছে। ইপিনে, দৈনিক ৰেপিড টেষ্টত সংক্ৰমিত লোকৰ সংখ্যা বৃদ্ধি হৈ আছে। ইয়াৰ পাছতো এচাম লোকে চকুৰে দেখিও নেদেখা হৈ চৰকাৰী নীতি-নিয়ম উলংঘা কৰি সকলোকে বিপদৰ ফালে ঠেলি দিছে। দৈনিক বজাৰবোৰতো নাই কোনো ব্যৱস্থা। বজাৰ পৰ্যবেক্ষণৰ বাবে নাযায় স্থানীয় প্ৰশাসন। এনে পৰিপ্ৰেক্ষিতত এক ভয়াৱহ ভৱিষ্যতৰ ফালে বৰমা গৈ থকা বুলি ৰাইজৰ শংকা ঘনীভূত হৈছে।

# প্ৰশাসন-স্বাস্থ্য বিভাগৰ মাজত নাই সমন্বয়

### ক'ভিড-১৯ প'জিটিভ হৈ হোম আইছ'লেছনত থকা লোকৰ খবৰ ল'বলৈ নাই আহৰি ঃ প্ৰশাসনে নাজানে

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ১৪ মে' ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে মৰিয়নিৰো বিভিন্ন ঠাইত কৰ'নাৰ সংক্ৰমণে ভয়ংকৰ ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। ক'ভিড-১৯ প'জিটিভ হোৱা লোকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। কিন্তু প'জিটিভ হোৱা ৰোগীৰ লগতে হোম আইছ'লেছন হৈ থকা পৰিয়ালৰ অন্যলোক এতিয়া সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। ইয়াৰ মূলতে স্বাস্থ্য বিভাগ আৰু প্ৰশাসনৰ মাজত সমন্বয়ৰ অভাৱ বুলি অভিযোগ উঠিছে। মৰিয়নিৰ দিছৈ চাহ বাগিচাৰ এটা পৰিয়াল বিগত ন দিন ভয়াবহ সমস্যাৰ সন্মুখীন হোৱাৰ বিষয়ে শেহতীয়াকৈ পোহৰলৈ আহিছে। উল্লেখ্য যে মৰিয়নিৰ দিছৈ চাহ বাগিচাৰ অফিচ লাইনৰ এগৰাকী আশাকৰ্মীৰ পৰিয়ালৰ লোকৰ দেহত প্ৰথমে কৰ'নাৰ বীজাণু ধৰা পৰে। আশাকৰ্মীগৰাকীৰ স'তে একেটা চৌহদতে থকা পৰিয়ালৰ এগৰাকী গৰ্ভৱতী মহিলাক যোৱা পাঁচ মে'ৰ দিনা নকছাৰীৰ স্বাস্থ্য কেন্দ্ৰলৈ নিয়া হৈছিল। কিন্তু মহিলাগৰাকীৰ ক'ভিড-১৯ পৰীক্ষা কৰোতে তেওঁৰ প'জিটিভ ধৰা পৰে। মহিলাগৰাকীৰ স'তে যোৱা পৰিয়ালৰ আন এগৰাকী মহিলাৰো দেহত ক'ভিড-১৯ পোৱা যায়। ইয়াৰ পাছত স্বাস্থ্য বিভাগে মহিলা দুগৰাকী থকা ঘৰটোৰ চৌহদ কন্টেইনমেন্ট জ'নৰূপে ঘোষণা কৰে আৰু ১৭ দিনলৈ ঘৰৰ পৰা ওলোৱা-সোমোৱা বন্দ কৰি দিয়ে। লক্ষ্যণীয় যে একেটা চৌহদত থকা সুকীয়া ঘৰত মুঠ ১৪জন লোক একেলগে থাকে। পৰিয়ালটোৰ দুজনমানে বাগিচাত কাম কৰাৰ বিপৰীতে দুজনমানে দিন হাজিৰা কৰে। স্বাস্থ্য বিভাগৰ নিৰ্দেশনাৰ পাছত বাগিচা কৰ্তৃপক্ষই পৰিয়ালৰ লোকক ঘৰৰ পৰা ওলাই নাহিবলৈ কোৱাৰ লগতে অন্য লোকৰ সংস্পৰ্শলৈ আহিবলৈ বাৰণ কৰে। যোৱা পাঁচ মে'ৰ পৰা ১৪ জনীয়া পৰিয়ালটো ঘৰতেই আৱদ্ধ হৈ থাকিব লগীয়া হয়। আনকি পৰিয়ালৰ অন্য সদস্যকেইজনক ক'ভিড-১৯ পৰীক্ষাও কৰা নহ'ল। ইফালে, বাগিচাখনত ক'ভিড-১৯ প'জিটিভ ৰোগী ওলোৱাৰ ফলত স্বাভাৱিকতে শ্ৰমিকসকলৰ মাজত আতংকৰ ভাব বিয়পি পৰে। যোৱা ১২ মে'ত এই সম্পৰ্কে জানিব পাৰি মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে পৰিয়ালটোৰ বাবে খাদ্য সামগ্ৰী যোগান ধৰে। মন উল্লেখ্য যে প্ৰশাসনৰ স'তে যোগাযোগ কৰাত প্ৰশাসনৰ লোকে এই সম্পৰ্কে অজ্ঞতা প্ৰকাশ কৰে। আনকি কন্টেইনমেন্ট জ'ন কৰা সম্পৰ্কেও জ্ঞাত নহয় বুলিহে জনায়। স্বাস্থ্য বিভাগ আৰু প্ৰশাসনৰ মাজত সমন্বয় নথকাৰ বাবেই এনে হ'বলৈ পাইছে বুলি সচেতন ৰাইজে মতপোষণ কৰিছে। উল্লেখ্য যে ক'ভিড-১৯ৰ প্ৰথম ঢৌৰ সময়ত এনে পৰিৱেশ পৰিলক্ষিত হোৱা নাছিল। কিন্তু এইবাৰ ব্যতিক্ৰম হৈছে আৰু যাৰ ফল ভোগ কৰিছে ৰোগীৰ লগতে পৰিয়ালৰ অন্যান্য লোকে। পাছত মৰিয়নিৰ সংবাদকৰ্মীয়ে এই সম্পৰ্কে প্ৰশাসনক অৱগত কৰে। কিন্তু ১৭ দিনৰ বাবে হোম আইছ'নেছনত থকা পৰিয়ালৰ লোকক প্ৰশাসনৰ তৰফৰ পৰা সাহায্য প্ৰদান কৰা নকৰাৰ বিষয়েও স্পষ্টভাৱে একো জানিব পৰা নগ'ল। স্মৰ্তব্য যে এইবাৰ হোম আইছ'নেছন থকা লোকৰ সাহায্যৰ বিষয়ে চৰকাৰে কোনো নিৰ্দিষ্ট নীতি নিৰ্ধাৰণ কৰি দিয়া নাই। ফলত তেনে অৱস্থাত থকা লোকসকল সমস্যাৰ সন্মুখীন হৈছে। এই ক্ষেত্ৰত শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলো পক্ষক ৰাইজে টানি আহ্বান জনাইছে।



## মধ্য যোৰহাটত ফ'ৰলেন নিৰ্মাণৰ তিনি মাহত বৃহৎ গাঁত



**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৪ মে' ঃ** মধ্য যোৰহাটৰ মাজেদি যোৱা ৩৭ ৰাষ্ট্ৰীয় ঘাইপথটো কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰালয়ে ফ'ৰলেনলৈ সম্প্ৰসাৰণ ঘটাই নিৰ্মাণকাৰ্য চলাই আছে। মধ্য যোৰহাটত ফ'ৰলেন নিৰ্মাণকাৰী ঠিকাদাৰ প্ৰতিষ্ঠান জি ডি চি এলে চলিত বৰ্ষৰ জানুৱাৰী, ফেব্ৰুৱাৰীত মেলেঙৰ পৰা চটাইলৈ পকীকৰণ কৰা এক কিলোমিটাৰ পথত নিৰ্মাণৰ তিনিমাহতে তিনি-চাৰি ঠাইত বৃহৎ বৃহৎ গাঁত সৃষ্টি হোৱাত যাতায়াতৰ বাবে পথযাত্ৰীয়ে দুৰ্ভোগ ভুগিবলগীয়া হোৱাৰ পাছতো ঠিকাদাৰ প্ৰতিষ্ঠানে মেৰামতিৰ ব্যৱস্থা কৰা নাই। যোৰহাট জিলাত ফ'ৰলেন নিৰ্মাণকাৰ্যত কাৰিকৰী বিসংগতি থকা কথা অসম চৰকাৰৰ তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই প্ৰত্যক্ষ কৰাৰ পাছতো অসম চৰকাৰে কোনো পদক্ষেপ গ্ৰহণ নকৰাত মধ্য যোৰহাটৰ ৰাইজে ধিক্কাৰ দিছে। যোৰহাটস্থ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ কাৰ্যবাহী অভিযন্তাজনৰ নীৰৱতাই ৰহস্য সৃষ্টি কৰিছে।

## পৰিয়াল পৰিচয়পত্ৰত অসমীয়া ভাষাক অৱজ্ঞাৰ অভিযোগ যুৱ-ছাত্ৰৰ

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১৪ মে' ঃ** চৰকাৰী পৰিয়াল পৰিচয়পত্ৰত এইবাৰ অসমীয়া ভাষাক অৱজ্ঞা কৰাৰ অভিযোগ উত্থাপন কৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ওদালগুৰি জিলা সমিতিয়ে। এই সন্দৰ্ভত ওদালগুৰি জিলা উপায়ুক্তৰ জৰিয়তে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে সংগঠনটোৱে। জিলা সভাপতি-ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ক্ৰমে কণ্ঠ কুমাৰ দাস আৰু মণ্টু তালুকদাৰ স্বাক্ষৰিত স্মাৰকপত্ৰখনত সংগঠনটোৱে উল্লেখ কৰে যে ওদালগুৰি জিলাখনত নতুনকৈ যিবোৰ পৰিয়াল পৰিচয়পত্ৰ বিতৰণ কৰা হৈছে সেইবোৰ অসমীয়া ভাষাত ছপা কৰা হোৱা নাই। ফলত অসমৰ ৰাজ্যিক ভাষা অসমীয়াক এনেদৰে চৰকাৰীভাৱে অৱজ্ঞা কৰা বিষয়টো উদ্বেগজনক। গতিকে বিষয়টো গুৰুত্ব সহকাৰে লৈ আগন্তুক দিনত ছপা হ'বলগীয়া এনে পৰিচয়পত্ৰসমূহ অসমীয়া ভাষাৰে ছপা কৰিবলৈ সংগঠনটোৱে দাবী জনায়। অন্যথা আগন্তুক দিনত সংগঠনটোৱে তীব্ৰ গণতান্ত্ৰিক আন্দোলনৰো হুংকাৰ দিয়ে।

# আজি এফ এ কাপ ফুটবলৰ ফাইনেলত লেইচেষ্টাৰ চিটীৰ মুখামুখি হ'ব চেলছি






**লণ্ডন, ১৪ মে' ঃ** ইংলণ্ড ফুটবলৰ অন্যতম সন্মানীয় প্ৰতিযোগিতা এফ এ কাপৰ ফাইনেল মেচখন কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে ৰেম্বলিত অনুষ্ঠিত হ'বলগা খিতাপৰ যুঁজত চেলছিয়ে খেলিব লেইচেষ্টাৰ চিটীৰ বিৰুদ্ধে। চলিত ইংলিছ প্ৰিমিয়াৰ লীগৰ শীৰ্ষ চাৰিত আছে চেলছি আৰু লেইচেষ্টাৰ চিটী। তৃতীয় স্থানত লেইচেষ্টাৰ চিটী থকাৰ বিপৰীতে চেলছি চতুৰ্থ স্থানত আছে। উল্লেখ্য যে এফ এ কাপৰ ছেমিফাইনেলত চেলছি মুখামুখি হৈছিল মানচেষ্টাৰ চিটীৰ। মেচখনত চেলছিয়ে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল মানচেষ্টাৰ চিটীক। আনহাতে, আনখন ছেমিফাইনেলত লেইচেষ্টাৰ চিটীয়ে 1-0 গ'লত পৰাস্ত কৰিছিল ছাউথহাম্পটনক। চলিত ইংলিছ প্ৰিমিয়াৰ লীগত চেলছি আৰু লেইচেষ্টাৰ চিটীয়ে সাফল্যৰ ধাৰাবাহিকতা অব্যাহত ৰাখিছে। উল্লেখ্য যে ই পি এলৰ মেচত চেলছি পৰাস্ত হৈছে লেইচেষ্টাৰ চিটীৰ বিৰুদ্ধে। কিন্তু চেম্পিয়নছ লীগৰ ফাইনেলত প্ৰৱেশ কৰা চেলছিৰ আত্মবিশ্বাসী কাইলৈ ফাইনেল মেচক লৈ। বিপৰীতে লেইচেষ্টাৰ চিটীও দৃঢ় খিতাপ জয়ৰ বাবে। স্বাভাৱিকতে মেচ ৰোমাঞ্চকৰ হ'ব।




## ইটালীয়ান অপেন টেনিছৰ ছেমিফাইনেলত ৰাফেল নাডাল

**ৰোম, ১৪ মে' ঃ** শীৰ্ষ বাচনিৰ টেনিছ তাৰকা ৰাফেল নাডাল চলিত ইটালীয়ান অপেনৰ পুৰুষৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কোৱাৰ্টাৰ ফাইনেলত নাডালে 6-3, 6-4 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে আলেজন্দাৰ জেৰভক। উল্লেখ্য যে ন'ভাক ডক'ভিচো চলিত ইটালীয়ান অপেনৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ছাৰ্বিয়াৰ ডক'ভিছে 6-2, 6-1 ৰ ব্যৱধানত জয়লাভ কৰে। ইফালে, মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে অষ্ট্ৰেলিয়াৰ বাৰ্টি। কিন্তু আমেৰিকাৰ ছেৰেণা উইলিয়ামছ চলিত ইটালীয়ান অপেনৰ পৰা বিদায় লৈছে। 7-5, 7-6 ৰ ব্যৱধানত পৰাস্ত হয় ছেৰেণা। উল্লেখ্য যে ছেৰেনাই চলিত ইটালীয়ান অপেনত যোৱানিশা কেৰিয়াৰৰ এহেজাৰ সংখ্যক মেচখনত অংশ লয়। কিন্তু পৰাজয় স্বীকাৰ কৰে।

## লেইপজিগক হৰুৱাই জাৰ্মান কাপৰ খিতাপ ব'ৰুছিয়া ড'ৰ্টমুণ্ডৰ

**বাৰ্লিন, ১৪ মে' ঃ** ব'ৰুছিয়া ড'ৰ্টমুণ্ডে জাৰ্মান কাপৰ খিতাপ লাভ কৰিছে। যোৱানিশা অনুষ্ঠিত হোৱা ফাইনেল মেচত ব'ৰুছিয়া ড'ৰ্টমুণ্ডে 4-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে আৰ বি লেইপজিগক। উল্লেখ্য যে পঞ্চমবাৰৰ বাবে জাৰ্মান কাপৰ খিতাপ লাভ কৰিছে ব'ৰুছিয়া ড'ৰ্টমুণ্ডে। খিতাপৰ যুঁজত ব'ৰুছিয়া ড'ৰ্টমুণ্ডৰ হৈ দুটাকৈ গ'ল কৰে জাড'ন (5, 45 মিনিট) আৰু হালেণ্ডে (28, 87 মিনিট)। উল্লেখ্য যে চলিত সপ্তাহত দ্বিতীয়বাৰৰ বাবে ব'ৰুছিয়া ড'ৰ্টমুণ্ডৰ হাতত পৰাস্ত হৈছে আৰ বি লেইপজিগ। ইয়াৰপূৰ্বে জাৰ্মান লীগৰ মেচত বৰুছিয়া ড'ৰ্টমুণ্ডৰ হাতত 3-2 গ'লৰ ব্যৱধানত পৰাস্ত হৈছিল লেইপজিগ। স্মৰ্তব্য যে দ্বিতীয় বাৰৰ বাবে জাৰ্মান কাপৰ ফাইনেল খেলাৰ পাছতো চেম্পিয়নছ ট্ৰফী হাতত ল'ব নোৱাৰিলে আৰ বি লেইপজিগে। ইয়াৰপূৰ্বে 2009 ত জাৰ্মান কাপৰ ফাইনেল খেলিছিল লেইপজিগে। কিন্তু বেয়াৰ্ণৰ হাতত পৰাস্ত হয়। উল্লেখ্য যে চলিত জাৰ্মান লীগত পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে লেইপজিগ। 32 খন মেচত 64 পইণ্ট লাভ কৰিছে দলে। আনহাতে, ৰেয়াৰ্ণ মিউনিখে 32 খন মেচত 74 পইণ্ট লাভ কৰি শীৰ্ষস্থানত আছে। দহ পইণ্ট অধিক লাভ কৰি পুনৰ বেয়াৰ্ণ মিউনিখে জাৰ্মান লীগৰ খিতাপ জয় কৰাটো নিশ্চিত হৈছে। ইফালে, 32 খন মেচত 58 পইণ্ট লাভ কৰি তালিকাৰ চতুৰ্থস্থানত আছে বৰুছিয়া।



## ক্ৰমাগত সফলতাৰে দৃঢ় লেইচেষ্টাৰ চিটী

**লণ্ডন, ১৪ মে' ঃ** লেইচেষ্টাৰ চিটীয়ে ইতিমধ্যে অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখ্য যে ইংলিছ প্ৰিমিয়াৰ লীগৰ দলৰ অন্তিম মেচত লেইচেষ্টাৰ চিটীয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে মানচেষ্টাৰ ইউনাইটেডক। দলৰ হৈ গ'ল দুটা দিয়ে থমাছ (10 মিনিট) আৰু ছ'ৱুনচুৱে (66 মিনিট)। এই সফলতাৰ পাছত লেইচেষ্টাৰ চিটীৰ আত্মবিশ্বাস এতিয়া তুংগত। উল্লেখ্য যে এফ এ কাপৰ ফাইনেল মেচখন কাইলৈ অনুষ্ঠিত হ'ব। ৰেম্বলিত অনুষ্ঠিত হ'বলগা খিতাপৰ যুঁজত চেলছিৰ বিৰুদ্ধে খেলিব লেইচেষ্টাৰ চিটীয়ে। মানচেষ্টাৰ ইউনাইটেডক হৰুৱাই আত্মবিশ্বাসী হোৱা লেইচেষ্টাৰ চিটী এফ এ কাপৰ ফাইনেলক লৈয়ো দৃঢ়। উল্লেখ্য যে মানচেষ্টাৰ ইউনাইটেডক হৰুৱাই লেইচেষ্টাৰ চিটীয়ে অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন নিশ্চিত কৰিছে। ই পি এলত লেইচেষ্টাৰ চিটীয়ে 36 খন মেচত 66 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। উল্লেখ্য যে 1998 ৰ পাছত লেইচেষ্টাৰ চিটীয়ে মানচেষ্টাৰ ইউনাইটেডক ঘৰত পৰাস্ত কৰিবলৈ সক্ষম হয়। এতিয়া লেইচেষ্টাৰ চিটী লক্ষ্য এফ এ কাপৰ চেম্পিয়ন ট্ৰফী।






## ফ্ৰেন্স কাপৰ ফাইনেলত খেলিব নোৱাৰে নেইমাৰে

**পেৰিছ, ১৪ মে' ঃ** ফ্ৰেন্স কাপ ফুটবলৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব পি এছ জি আৰু ম'নাকোৰ মাজত। উল্লেখ্য যে প্ৰতিযোগিতাৰ প্ৰথম ছেমিফাইনেলত পি এছ জি মুখামুখি হয় ম'ণ্টপেলিয়াৰ। টাইব্ৰেকাৰত পি এছ জিয়ে 6-5 গ'লৰ ব্যৱধানত জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰপূৰ্বে মেচখন 2-2 গ'লত ড্ৰ হৈছিল। পি এছ জিৰ হৈ দুয়োটা গ'ল কৰে এমবাপ্পে (10, 55 মিনিট)। আনহাতে, দ্বিতীয়খন ছেমিফাইনেলত ম'নাকো ভেলিয়াৰ্ছৰ মুখামুখি হয়। একপক্ষীয় মেচত ম'নাকোই 5-1 গ'লত জয়লাভ কৰে। কিন্তু অহা 19 মে'ত হ'বলগা ফাইনেলত পি এছ জিৰ হৈ খেলিব নোৱাৰিব তাৰকা নেইমাৰে। কাৰণ ছেমিফাইনেলত এখন মেচৰ পৰা নিলম্বনৰ শাস্তি পাইছে নেইমাৰে। উল্লেখ্য যে এইবাৰ ফৰাচী লীগৰ শীৰ্ষত থকা লিলিয়ে 36 খন মেচৰ পৰা লাভ কৰিছে 79 পইণ্ট। আনহাতে, পি এছ জি 36 খন মেচৰ পৰা লাভ কৰিছে 76 পইণ্ট। আনহাতে, ম'নাকোই 36 খন মেচৰ পৰা 74 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে।

## লা-লিগাত ৰিয়াল মাদ্ৰিদৰ জয়যাত্ৰা

**মাদ্ৰিদ, ১৪ মে' ঃ** স্পেনিছ লা-লিগাত কোনে চেম্পিয়ন ট্ৰফী হাতত ল'ব সেয়া এতিয়াও ৰোমাঞ্চকৰ স্থিতিত আছে। এথলেটিকো মাদ্ৰিদ, ৰিয়াল মাদ্ৰিদ আৰু বাৰ্চিলোনা তিনিওটা দলৰে খিতাপ জয়ৰ সুযোগ আছে। জয়যাত্ৰা অব্যাহত ৰখা ৰিয়াল মাদ্ৰিদে যোৱানিশা 4-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে গ্ৰানাডাক। এই জয়ৰে ৰিয়াল মাদ্ৰিদ পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উত্তৰণ কৰিছে। উল্লেখ্য যে স্পেনিছ লা-লিগাত এথলেটিকো মাদ্ৰিদে 36 খন মেচত 80 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। ইফালে, ৰিয়াল মাদ্ৰিদে 36 খন মেচত 78 পইণ্ট লাভ কৰি দ্বিতীয়ত থকাৰ বিপৰীতে বাৰ্চিলোনাই 36 খন মেচত 76 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। আনহাতে, ছেভিলাই 36 খন মেচত 74 পইণ্ট লাভ কৰি চতুৰ্থস্থানত আছে। অন্তিম মেচত ৰিয়াল মাদ্ৰিদে 2-2 গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল ছেভিলাৰ লগত। উল্লেখ্য যে ৰিয়াল মাদ্ৰিদে এইবাৰ চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলতে নিজৰ যাত্ৰা সামৰিছে। ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত চেলছি ৰিয়াল মাদ্ৰিদৰ বিৰুদ্ধে 2-0 গ'লৰ ব্যৱধানত জয়লাভ কৰি চেম্পিয়নছ লীগ ফুটবলৰ খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে চেলছিয়ে সামগ্ৰিকভাৱে 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদক। ইয়াৰপূৰ্বে ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচখনত উভয় দলে 1-1 গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল। এতিয়া ৰিয়াল মাদ্ৰিদ মাদ্ৰিদৰ আশা স্পেনিছ লা-লিগাৰ খিতাপ।



## চেম্পিয়নছ লীগৰ ফাইনেলৰ প্ৰাকক্ষণত আন এক গৌৰৱ অৰ্জনৰ সুযোগ চেলছিৰ

**লণ্ডন, ১৪ মে' ঃ** চেম্পিয়নছ লীগৰ ফাইনেল খেলাৰ পূৰ্বে চেলছিৰ সন্মুখত আন এক গৌৰৱ অৰ্জন কৰাৰ সুযোগ। উল্লেখ্য যে এফ এ কাপৰ ফাইনেলত কাইলৈ চেলছিয়ে খেলিব লেইচেষ্টাৰ চিটীৰ বিৰুদ্ধে। চেলছি আত্মবিশ্বাসী যদিও চলিত ইংলিছ প্ৰিমিয়াৰ লীগৰ অন্তিম মেচত দল পৰাস্ত হোৱাত চাপত আছে। উল্লেখ্য ঘৰত খেলা মেচত চেলছি অপ্ৰত্যাশিতভাৱে 1-0 গ'লত পৰাস্ত হয় আৰ্ছেনালৰ বিৰুদ্ধে। অৱশ্যে মেচখনত চেলছিয়ে সাতজন নিয়মিত খেলুৱৈক জিৰণি দিছিল। ইয়াৰ কাৰণে আছিল এফ এ কাপৰ ফাইনেল। ইফালে, চেলছিয়ে অহা 29 মে'ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল খেলিব। চেম্পিয়নছ লীগৰ খিতাপৰ বাবে মানচেষ্টাৰ চিটীৰ মুখামুখি হ'ব চেলছি। উল্লেখ্য যে ই পি এলৰ অন্তিম মেচত চেলছিয়ে মানচেষ্টাৰ চিটীক 2-1 গ'লত পৰাস্ত কৰিছিল। চলিত ইংলিছ প্ৰিমিয়াৰ লীগত চতুৰ্থ স্থানত আছে চেলছি। 35 খন মেচত 64 পইণ্ট লাভ কৰিছে চেলছিয়ে।

## জয়ৰে প্ৰত্যাৱৰ্তন লিভাৰপুলৰ, চেম্পিয়নছ লীগলৈ যোগ্যতাৰ আশা

**লণ্ডন, ১৪ মে' ঃ** লিভাৰপুলে অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জনৰ আশা এতিয়াও সজীৱ কৰি ৰাখিছে। অৱশ্যে দল এতিয়াও চলিত ইংলিছ প্ৰিমিয়াৰ লীগৰ পইণ্ট তালিকাৰ পঞ্চম স্থানতে আছে। কিন্তু যোৱানিশাৰ এখন হাইভ'ল্টেজ মেচত ইংলিছ প্ৰিমিয়াৰ লীগৰ বিগত বৰ্ষৰ চেম্পিয়ন লিভাৰপুলে মানচেষ্টাৰ ইউনাইটেডক 4-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰি আত্মবিশ্বাসৰে প্ৰত্যাৱৰ্তন কৰিছে। অ'ল্ড ট্ৰাফৰ্ডত অনুষ্ঠিত হোৱা মেচখনত লিভাৰপুলৰ হৈ ফাৰ্মিনোই (45, 47 মিনিট) দুটা গ'ল কৰাৰ লগতে জ'টা [34 মিনিট) আৰু মহম্মদ ছালাহে [90 মিনিট) এটাকৈ গ'ল কৰে। আনহাতে, মানচেষ্টাৰ ইউনাইটেডৰ হৈ ব্ৰুন ফাৰ্ণাণ্ডেজ (10 মিনিট) আৰু ৰাছফ'ৰ্ডে (68 মিনিট) গ'ল কৰে। উল্লেখ্য যে মানচেষ্টাৰ ইউনাইটেড আৰু লিভাৰপুলৰ মাজৰ হাইভ'ল্টেজ এই মেচখন পূৰ্বে যোৱা দুই মে'ত অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু সমৰ্থকৰ প্ৰতিবাদৰ বাবে মেচখন বাতিল কৰিব লগা হৈছিল। উল্লেখ্য যে মানচেষ্টাৰ ইউনাইটেডৰ মালিকীস্বত্বক লৈ চলি থকা বিতৰ্কৰ বিৰুদ্ধে মেচৰ পূৰ্বে অ'ল্ড ট্ৰাফৰ্ডত প্ৰতিবাদ সাব্যস্ত কৰে ক্লাবৰ হেজাৰ হেজাৰ সমৰ্থকে। উল্লেখ্য যে লিভাৰপুলে চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জনৰ যুঁজ দি আছে। ইয়াৰবাবে দলে বাকী থকা আটাইকেইখন মেচত জয়লাভ কৰিব লাগিব। কিন্তু তাৰপাছতো অংকৰ খেল আছে। কাৰণ লিভাৰপুলে 35 খন মেচত 60 পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে। অন্তিম মেচত লিভাৰপুলে 2-0 গ'লত পৰাস্ত কৰিছিল ছাউথহাম্পটনক। উল্লেখ্য যে মানচেষ্টাৰ চিটীয়ে ইতিমধ্যে ই পি এলৰ খিতাপ জয় কৰাটো নিশ্চিত হৈছে। মানচেষ্টাৰ চিটীয়ে 35 খন মেচত 80 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। দলে 10 পইণ্টৰ অগ্ৰগতি লাভ কৰি খিতাপ জয়ৰ কাষলৈ আগবাঢ়িছে। দ্বিতীয় স্থানত আছে মানচেষ্টাৰ ইউনাইটেড। দলে 36 খন মেচত 70 পইণ্ট লাভ কৰিছে। আনহাতে, লেইচেষ্টাৰ চিটীয়ে 36 খন মেচত 66 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। চতুৰ্থ স্থানত আছে চেলছি। 36 খন মেচত 64 পইণ্ট লাভ কৰিছে চেলছিয়ে।


লিভাৰপুল

## ইটালীয়ান লীগত আজি চেম্পিয়ন-পূৰ্ব চেম্পিয়ন

**ৰোম, ১৪ মে' ঃ** জুভেণ্টাছে অহা বছৰৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন কৰিব পাৰিব নে নাই সেয়া এতিয়াও অনিশ্চিত। কাৰণ জুভেণ্টাছ সম্প্ৰতি ইটালীয়ান লীগৰ পইণ্ট তালিকাৰ শীৰ্ষ চাৰিত নাই। ইটালীয়ান লীগত কাইলৈ জুভেণ্টাছে আন এখন মৰণপণ মেচত খেলিব। ইণ্টাৰ মিলানৰ বিৰুদ্ধে খেলিব জুভেণ্টাছে। উল্লেখ্য যে ইণ্টাৰ মিলানে চলিত ইটালীয়ান ফুটবল লীগত খিতাপ জয় ইতিমধ্যে নিশ্চিত কৰিছে। শীৰ্ষত থকা ইণ্টাৰ মিলানে 36 খন মেচৰ পৰা লাভ কৰিছে 88 পইণ্ট। বিপৰীতে চেম্পিয়নছ লীগৰ পূৰ্ব চেম্পিয়ন জুভেণ্টাছ পঞ্চম স্থানত আছে আৰু দলে 36 খন মেচৰ পৰা 72 পইণ্ট লাভ কৰিছে। অন্তিম মেচত জুভেণ্টাছে 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছাছুলোক। আনহাতে, জয়ৰ ধাৰাবাহিকতা ৰক্ষা কৰি ইণ্টাৰ মিলানে অন্তিম মেচত 3-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰোমাক। উল্লেখ্য যে চেম্পিয়নছ লীগৰ যোগ্যতাৰ বাবে লীগৰ বাকী থকা মেচ দুখনত জুভেণ্টাছে জয়লাভ কৰিব লাগিব। কিন্তু তাৰপাছতো দলৰ অহা বছৰৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন নিশ্চিত নহয়। এ চি মিলান, আটলাণ্টা আৰু নেপ'লি পৰাস্ত হ'লেহে সুযোগ থাকিব জুভেণ্টাছৰ। স্মৰ্তব্য যে চলিত ইটালীয়ান লীগত দ্বিতীয় স্থানত থকা আটলাণ্টাই 36 খন মেচৰ পৰা লাভ কৰিছে 75 পইণ্ট। এ চি মিলানেও 36 খন মেচৰ পৰা 75 পইণ্ট লাভ কৰি তৃতীয়ত থকাৰ বিপৰীতে নেপ'লিয়ে 36 খন মেচৰ পৰা 73 পইণ্ট লাভ কৰি চতুৰ্থ স্থানত আছে। এইবাৰ চেম্পিয়ছ লীগৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলতে নিজৰ অভিযান সামৰিছিল জুভেণ্টাছে।



## অ'ল্ড ট্ৰাফৰ্ডত মানচেষ্টাৰ ইউনাইটেডৰ দ্বিতীয় ব্যৰ্থতা




**লণ্ডন, ১৪ মে' ঃ** চলিত ইউৰোপা কাপ ফুটবলৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ ইউনাইটেড আৰু স্পেইনৰ ক্লাব ভিল্লা ৰিয়ালৰ বিৰুদ্ধে। মানচেষ্টাৰ ইউনাইটেড খিতাপৰ প্ৰবল দাবীদাৰ যদিও ইংলিছ প্ৰিমিয়াৰ লীগত ক্ৰমাগত দুখন মেচত পৰাস্ত হোৱাত চাপত পৰিছে মানচেষ্টাৰ ইউনাইটেড। উল্লেখ্য যে ঘৰুৱা অ'ল্ড ট্ৰাফৰ্ড ষ্টেডিয়ামতে ক্ৰমাগত দুখন মেচত পৰাজয়ৰ সন্মুখীন হৈছে মানচেষ্টাৰ ইউনাইটেড। ই পি এলৰ যোৱানিশা অনুষ্ঠিত হোৱা এখন হাইভ'ল্টেজ মেচত ইংলিছ প্ৰিমিয়াৰ লীগৰ বিগত বৰ্ষৰ চেম্পিয়ন লিভাৰপুলে মানচেষ্টাৰ ইউনাইটেডক 4-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰপূৰ্বে লেইচেষ্টাৰ চিটীয়ে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল মানচেষ্টাৰ ইউনাইটেডক। এই পৰাজয়ৰ পাছতে মানচেষ্টাৰ ইউনাইটেডৰ ই পি এলৰ খিতাপ জয়ৰ আশা সমাপ্ত হৈছিল। অৱশ্যে পৰাস্ত হোৱাৰ পাছতো পইণ্ট তালিকাত মানচেষ্টাৰ ইউনাইটেডৰ দ্বিতীয় স্থান অপৰিবৰ্তীত হৈ আছে। আনহাতে, দলে ইতিমধ্যে অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখ্য যে অন্তিম মেচত মানচেষ্টাৰ ইউনাইটেডে 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল এষ্টন ভিলাক। এই জয়ৰে দলে পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উত্তৰণ কৰিছিল। স্মৰ্তব্য যে ইয়াৰপূৰ্বে মানচেষ্টাৰ ইউনাইটেডে ৰোমাৰ বিৰুদ্ধে চলিত ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত পৰাস্ত হোৱাৰ পাছতো ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল। ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত ইটালীৰ ক্লাব ৰোমাই 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে মানচেষ্টাৰ ইউনাইটেডক। কিন্তু ইয়াৰপূৰ্বে হোৱা ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডে সহজে পৰাস্ত কৰিছিল ৰোমাক। এখন একপক্ষীয় ছেমিফাইনেলত মানচেষ্টাৰ ইউনাইটেডে 6-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰোমাক। সেয়ে দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডে ৰোমাৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছতো সামগ্ৰিকভাৱে 8-5 গ'লৰ ব্যৱধানত জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে ইংলণ্ডৰ ক্লাবটো।

# গোমধানৰ খেতিৰে মৰুময় চৰ সেউজীয়া কৰিছে এদল কৰ্মঠ কৃষকে



## শুকান বালি চৰতো সপোনে ঠন ধৰি উঠিছে

■ হেমেন কুমাৰ দাস

**নগাঁও, ১৪ মে' ঃ** 'মন কৰিলেই ছন/বাকৰি মাটিতো ধন।' এই আপ্তবাক্যশাৰীক আখৰে আখৰে সঁচাত পৰিণত কৰিছে নগাঁও আৰু শোণিতপুৰ জিলাৰ অন্তৰ্গত একাংশ চৰৰ ইমান আলী, জামালুদ্দিন, ছফিকুল ইছলাম, মন্নাছ আলী প্ৰমুখ্যে শ শ কৰ্মঠ কৃষকে। হাড়ভঙা পৰিশ্ৰমেৰে এই কৃষকসকলে চৰৰ মৰুময় শুকান বালিকো সেউজ ৰূপ দিছে গোমধান খেতিৰ জৰিয়তে। গোমধানৰ খেতি অতি লাভজনক হিচাপে বিবেচিত হোৱা হেতুকে জিলা দুখনৰ অধিকাংশ চৰতেই বিগত কেইটামান বছৰৰ পৰা গোমধানৰ খেতি কৰাত অধিক প্ৰাধান্য দিয়া পৰিলক্ষিত হৈছে। গ্ৰীষ্মকালৰ উপৰি শীতকালতো চৰৰ হেজাৰ হেজাৰ হেক্টৰ মাটিত গোমধানৰ খেতি কৰা হয়। বিশেষকৈ পুহ-মাঘত গুটি সিঁচা গোমধানসমূহ জেঠ-আহাৰত আৰু ভাদ-আহিনত সিঁচা গোমধানসমূহ ফাগুনত উঠোৱা হয়। মুঠতে এবাৰ বাৰিষাৰ আগত আৰু এবাৰ বাৰিষাৰ পাছত এই খেতি কৰা হয় চৰসমূহত। নগাঁও জিলাৰ লগতে শোণিতপুৰ জিলাৰ অন্তৰ্গত বৰবিল, ম'হখুঁটি, লহৰী, বিশখুঁটি লাঠিয়ামাৰী, গাইটাপো, বিন্দ্ৰে, বিচ্ছে, কুট্টামাৰী, তিনিটিকীয়া, নতুন বিন্দ্ৰে, বৰৈশালী, গেৰেটাপো, মুছলিম টাপো, বিশখুঁটি, ডুবৰামাৰী, মাইছবালি, কালাটাপো, কাট্টিমাৰী, কমলসুঁতি, দুই নম্বৰ কান্ধুলিমাৰী চৰ, উধানতলা প্ৰমুখ্যে অগণন চৰৰ হেজাৰ হেজাৰ হেক্টৰ মাটিত এইবাৰো শ শ কৃষকে গোমধানৰ খেতি কৰিছে। অলেখ প্ৰতিবন্ধকতাকো নেওচি চৰৰ কৃষকসকলে গাইপতি ১০-১৫ বিঘাৰ পৰা এশ বিঘা মাটি পৰ্যন্ত গোমধানৰ খেতি কৰিছে। যিহেতু গ্ৰীষ্মকালত চৰত আহুধান, মৰাপাটৰ বাদে আন একো খেতি কৰিব পৰা নাযায় আৰু সেই দুবিধ খেতিত বেছি লাভ নহয় সেয়েহে চৰৰ কৃষক ৰাইজে ব্যৱসায়িক ভিত্তিত গোমধনৰ খেতি কৰিবলৈ লয়। লগতে গোমধানৰ খেতি কৰি তেওঁলোক যথেষ্ট লাভবান হোৱা বুলিও তিনিটিকীয়া চৰৰ ইমান আলী, মাইছবালি চৰৰ জামালুদ্দিন, ছফিকুল ইছলাম আৰু দুই নম্বৰ কান্ধুলিমাৰী চৰৰ মন্নাছ আলীয়ে সদৰী কৰিছে। চৰৰ কৃষকসকলে জনোৱা মতে, তেওঁলোকৰ খেতিৰ গোমধানসমূহ পূৰঠ হৈ ৰঙচুৰা বৰণ লোৱাৰ সময়তে প্ৰতি জোপা গোমধানৰ আগ কাটি দিয়া হয়। বহুতেই পূৰঠ গোমধানৰ বাকলিবোৰো আধা এৰুৱাই দিয়ে যাতে গছতে গোমধানবোৰ শুকাই যায়। গোমধানবোৰ গছতে আধা শুকোৱাৰ পাছত কৃষকসকলে সেইবোৰ উঠাই আনি মৰণামৰা ক্ৰেছাৰ মেচিনত দি গুটিবোৰ উলিয়াই বস্তাত ভৰাই সেইবোৰ বিক্ৰীৰ বাবে সাজু কৰে। নগাঁও আৰু শোণিতপুৰ জিলাৰ চৰসমূহত প্ৰতি বিঘা মাটিত ২০ মোন পৰ্যন্ত গোমধান ওলায় বুলি কৃষকসকলে জানিবলৈ দিয়ে। উল্লেখ্য যে ধিং চহৰৰ পাৰ্শ্বৱৰ্তী সমবায় অফিচ চাৰিআলিত গোমধান বিক্ৰীৰ এক বৃহৎ পাইকাৰী বজাৰ গঢ়ি উঠিছে। এই বজাৰলৈকে ১০-১৫ কিলোমিটাৰ নিলগৰ চৰৰ কৃষকে বিভিন্ন বাহনৰ সহায়ত গোমধানসমূহ কঢ়িয়াই আনি বিক্ৰী কৰে। এনে গোমধানৰ বজাৰখনত পাইকাৰী দাম প্ৰতি কুইণ্টলত ১২শৰ পৰা ১,৩৫০ টকা পৰ্যন্ত। গোমধান খেতি কৰিয়েই এতিয়া নগাঁও আৰু শোণিতপুৰ জিলাৰ অন্তৰ্গত বিভিন্ন চৰৰ কৃষকসকলে একোটা ঋতুত অতি কমেও ২৬ হেজাৰ টকাৰ পৰা চাৰি লাখ টকা পৰ্যন্ত উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। যাতায়াত, বিদ্যুৎ, জলসিঞ্চন আদিৰ লগতে বজাৰৰ কোনো ব্যৱস্থা নথকা চৰৰ ৰাইজে হেজাৰ প্ৰতিবন্ধকতাকো উপেক্ষা কৰি কঠোৰ শ্ৰম আৰু একাগ্ৰতাৰ বলত এক সেউজ বিপ্লৱৰ সূচনা কৰিবলৈ সক্ষম হৈছে। চৰৰ শুকান বালিত নিজেই জলসিঞ্চনৰ ব্যৱস্থা কৰি বৈজ্ঞানিক পদ্ধতিৰে উন্নতমানৰ গোমধানৰ খেতি কৰি টনকিয়াল কৰিছে জিলা দুখনৰ কৃষি অৰ্থনীতি। লগতে নিজেও আৰ্থিকভাৱে সচ্ছল হোৱা পৰিলক্ষিত হৈছে। চৰৰ শুকান বালিতো যে বুটলিব জানিলে ধন পৰি আছে সেই কথা প্ৰতীয়মান কৰিছে নগাঁও আৰু শোণিতপুৰ জিলাৰ অন্তৰ্গত বিভিন্ন চৰৰ কৰ্মঠ কৃষকসকলে।

এই বছৰ ৰেহাই পোৱা নাই শিশুসকলেও। শিশুৰ মাজতো বৃদ্ধি পাইছে সংক্ৰমণ। চিকিৎসকসকলে বাৰে বাৰে কৈ আহিছে যে ক'ভিডৰ কাৰণে শিশুসকল অতি গুৰুতৰভাৱে অসুস্থ হৈ পৰা নাই। তথাপি সকলো প্ৰকাৰে সতৰ্ক হৈ থকাটো জৰুৰী বুলি চিকিৎসকে কৈছে।

# শিশুৰ মাজত বাঢ়িছে কভিড সংক্ৰমণ



■ নিউজ ব্যুৰ'

**কলকাতা, ১৪ মে' ঃ** কৰ'নাৰ দ্বিতীয় ঢৌত সমগ্ৰ দেশৰ অৱস্থা কাহিল হৈছে। এই বছৰ ৰেহাই পোৱা নাই শিশুসকলেও। শিশুৰ মাজতো বৃদ্ধি পাইছে সংক্ৰমণ। চিকিৎসকসকলে বাৰে বাৰে কৈ আহিছে যে ক'ভিডৰ কাৰণে শিশুসকল অতি গুৰুতৰভাৱে অসুস্থ হৈ পৰা নাই। তথাপি সকলো প্ৰকাৰে সতৰ্ক হৈ থকাটো জৰুৰী বুলি চিকিৎসকে কৈছে। শিশুৰ মাজত সাধাৰণতে মৃদু উপসৰ্গ দেখা গৈছে। সেইবোৰক অধিকাংশ অভিভাৱকে প্ৰথমে ক'ভিডৰ উপসৰ্গ বুলি বুজিবই পৰা নাই।

## কেতবোৰ উপসৰ্গৰ প্ৰতি ৰাখিব লাগিব দৃষ্টি

**পেটৰ বিষ**

এই বছৰ ৰূপ পৰিৱৰ্তিত ভাইৰাছৰ সংক্ৰমণৰ অন্যতম উপসৰ্গ হৈছে পেটৰ সমস্যা। শিশুৰ মাজতো সেয়া দেখা গৈছে। হঠাৎ পেট ফুলি উঠা, পেটৰ বিষ, হজনৰ সমস্যা, পেট গধুৰ লগা আদিবোৰো ক'ভিডৰ উপসৰ্গ হ'ব পাৰে। সন্তানে যদি হঠাৎ খাবলৈ নিবিচৰা হয় তথা ভোক নলগাৰ অভিযোগ কৰে, তেতিয়াও সতৰ্ক হোৱা উচিত।

**ডায়েৰিয়া**

শিশুৰ মাজত বমি আৰু অতি বেছিকৈ পেট বেয়া হোৱাৰ লক্ষণ থাকিলেও সাৱধান হোৱা উচিত। শিশুৰ ক'ভিড সংক্ৰমণৰ অন্যতম উপসৰ্গ হৈছে ডায়েৰিয়া।

**জ্বৰ**

জ্বৰ হৈছে বেছিভাগ ভাইৰেল ৰোগৰ অন্যতম উপসৰ্গ। অৱশ্যে ক'ভিডৰ কাৰণে জ্বৰ হ'লে লগতে কঁপনি, ক্লান্তি ভাবো দেখা গৈছে। সেয়ে সতৰ্ক হৈ থকা ভাল। সচৰাচৰ শিশুৰ কিছু বেছি জ্বৰ হ'বই পাৰে। কেতিয়াবা শৰীৰৰ তাপমাত্ৰা ১০২ ডিগ্ৰী পৰ্যন্ত হ'ব পাৰে। অৱশ্যে সচৰাচৰ দুই-তিনি দিনৰ ভিতৰতে এই জ্বৰ ভাল হোৱা দেখা গৈছে। অৱশ্যে সন্তানৰ জ্বৰ যদি পাঁচ দিনৰ বেছিলৈকে থাকে, তেন্তে ততালিকে চিকিৎসকৰ স'তে যোগাযোগ কৰিব লাগে।

**কাহ-ঠাণ্ডা লগা**

প্ৰাপ্তবয়স্কসকলৰ তুলনাত শিশুৰ মাজত ক'ভিডৰ বাবে হাঁওফাঁওৰ সংক্ৰমণৰ কথা বৰ বেছি শুনা নাই। অৱশ্যে ঠাণ্ডা লগা, অনৰ্গল কাহ, ডিঙিৰ বিষৰ দৰে কিছুমান উপসৰ্গই দেখা দিব পাৰে। লগতে জ্বৰ বা পেটৰ সমস্যা থাকিলে নিশ্চিতভাৱে ক'ভিড পৰীক্ষা কৰাব লাগিব।

**ক্লান্তিভাব**

শিশুৰ যদি হঠাৎ অতিশয় ক্লান্তিবোধ হয় বা সামান্য কথাতে ফোপাবলৈ ধৰে, তেন্তে সেইবেৰো সংক্ৰমণৰ লক্ষণ হ'ব পাৰে।

**অদ্ভুত ৰেশ্ব**

শিশুৰ মাজত ৰেশ্ব বা ছালৰ আন সমস্যা তথা 'ক'ভিড ট'জ' যোৱা বছৰতে প্ৰথমে দেখা গৈছিল। প্ৰাপ্তবয়স্কসকলৰ লগতে নানা ধৰণৰ ছালৰ সমস্যা শিশুৰ ক্ষেত্ৰত ক'ভিডৰ অন্যতম উপসৰ্গ। সাধাৰণতে শিশুৰ শৰীৰত বিভিন্ন ধৰণৰ ৰেশ্ব লাগিয়ে থাকে। অৱশ্যে যদি শৰীৰত কোনো অদ্ভুত ৰঙচুৱা দাগ বা পানীজোলা বা ৰেশ্ব দৃষ্টিগোচৰ হয়, তেন্তে সতৰ্ক হোৱা ভাল। হাত-ভৰিৰ নখ হঠাৎ শেঁতা পৰিছে নেকি সেয়াও লক্ষ্য ৰখা উচিত।



# অক্সিজেন মুখত লৈও 'লাভ ইউ জিন্দেগী'ৰ নৃত্য

## প্ৰৱল জীৱনীশক্তিৰ অধিকাৰী যুৱতীৰো পৰাজয় ক'ভিডৰ হাতত

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১৪ মে' ঃ** মুখত অক্সিজেন মাস্ক। উঠি থিয় দিয়াৰে শাৰীৰিক সামৰ্থ্য নাই; কিন্তু মনত আছিল প্ৰৱল জীৱনীশক্তি। সেই বাবেই হাস্পতালৰ বিছনাত বহি থাকিয়েই 'লাভ ইউ জিন্দেগী' গীতৰ সুৰত কঁকাল ঘূৰাইছিল এগৰাকী ৩০ বছৰৰ যুৱতীয়ে। অৱশ্যে সেই প্ৰচুৰ জীৱনীশক্তিৰ অধিকাৰিণীও সাৰি নগ'ল কৰ'নাৰ কৰাল গ্ৰাসৰ পৰা।সেই ক'ভিড আক্ৰান্ত যুৱতীগৰাকীৰ ইতিমধ্যে মৃত্যু হোৱা বুলি জনাইছে নতুন দিল্লীৰ এখন হাস্পতালৰ চিকিৎসক মণিকা সিঙে। যুৱতীৰ নৃত্যৰ এক ভিডিঅ' তেওঁ সামাজিক মাধ্যমত আপলোড কৰাৰ লগে লগে ভাইৰেল হৈ পৰে।

কালি কৰা টুইটত চিকিৎসকগৰাকীয়ে লিখিছে, 'সাংঘাতিক দুখ লাগিছে। আমি এগৰাকী সাহসীক হেৰুৱালো। দয়া কৰি তেওঁৰ পৰিয়ালৰ বাবে প্ৰাৰ্থনা কৰক।' ইয়াৰ পূৰ্বে তেওঁ ক'ভিড আক্ৰান্ত যুৱতীৰ শাৰীৰিক অৱস্থাৰ কথাও জনাইছিল। যোৱা ১০ মে'ত চিকিৎসক সিঙে লিখিছিল, 'তেওঁৰ অৱস্থা স্থিতিশীল নহয়। আইচিইউত ৰখা হৈছে তেওঁক। তেওঁৰ বাবে প্ৰাৰ্থনা কৰক। নিজকে বৰ অসহায় যেন লাগিছে। সকলোবোৰ এতিয়া ভগৱানৰ হাতত।'




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com